Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

## উমৰাংছুত স্কুল বাছ দুৰ্ঘটনাগ্ৰস্ত

ই-সংবাদ, ১৮ জানুৱাৰীঃ ডিমা হাচাও জিলাৰ উমৰাংছুত আজি পুৱাই আন এক হৃদয়বিদাৰক ঘটনা ৬ পৃষ্ঠাত

SUNDAY, JANUARY 19, 2025 ■ দেওবাৰ, ৫ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ২৩ Guwahati, Assam ।। মূল্যঃ এটকা

## অধ্যয়ন অত্যন্ত জৰুৰী

■ ড০ দয়ানন্দ শ্বাহ



ন-শৰ্কৰী

এটা ভাল কাহিনী অথবা এটা কবিতাই কেতিয়াবা কেনেকৈ আপোনাৰ মন পুলকিত কৰিব পাৰে, আপুনি শেষাংশ ২ পৃষ্ঠাত

### পাটনাত সংবিধান সুৰক্ষা সন্মিলনত ৰাহুল গান্ধীয়ে ল'লে নতুন সংকল্প

## সংবিধানৰ ধাৰণা দেশৰ চুকে-কোণে বিয়পিব লাগিব



পাটনা, ১৮ জানুৱাৰীঃ পাটনাত অনুষ্ঠিত সংবিধান সুৰক্ষা সন্মিলনত লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে ভাৰতৰ দলিত, পিছপৰা, জনজাতীয় আৰু সংখ্যালঘু জনগোষ্ঠীৰ অধিকাৰ সন্দৰ্ভত এক শক্তিশালী ভাষণ প্ৰদান কৰে। সংবিধানৰ গুৰুত্বৰ বিষয়ে শেষাংশ ৩ পৃষ্ঠাত

### প্ৰয়োজনীয় বিভাগ অবিহনেই চলিছে চিকিৎসা মহাবিদ্যালয়

# নামতহে জিলাই জিলাই মেডিকেল কলেজ, নাই কাম!

### অধিকাংশতে নাই কাৰ্ডিঅ'লজি, নিউৰ'লজি বিভাগ

### বিশেষজ্ঞ চিকিৎসকৰো অভাৱ


ই-সংবাদ বিশেষ, ১৮ জানুৱাৰীঃ গণশিল্পী খ্যাত ৰাজীৱ গগৈ ওৰফে শদিয়াৰ অপমৃত্যুক কেন্দ্ৰ কৰি ইতিমধ্যে নতুন নতুন তথ্য ৭ পৃষ্ঠাত চাওক

## আৰ জি কৰ মেডিকেল কাণ্ডত দোষী সাব্যস্ত সঞ্জয়



কলকাতা, ১৮ জানুৱাৰীঃ ১৬২ দিনৰ অন্তত আজি প্ৰদান কৰা হ'ল দেশ জোকাৰি যোৱা কলকাতাৰ আৰ জি কৰ মেডিকেল কলেজৰ মহিলা চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাগোচৰৰ ৰায়দান। বিগত ৫ মহীয়া ১২ পৃষ্ঠাত

## মাৰ্ঘেৰিটাত কয়লাৰ খনন বন্ধৰ নিৰ্দেশ!



ই-সংবাদ বিশেষ, ১৮ জানুৱাৰীঃ ৰাজ্যত ১৬ জানুৱাৰীলৈ অব্যাহত আছিল অবৈধ কয়লাৰ খনন। মৰিগাঁৱত ১৬ জানুৱাৰীত হৈ যোৱা কেবিনেটৰ ৪ পৃষ্ঠাত

## লখিমপুৰত আৰক্ষীৰ বন্দুক নিলে চোৰে!

ই-সংবাদ, ১৮ জানুৱাৰীঃ একাংশ আৰক্ষীয়ে জনগণৰ জীৱন-সম্পত্তি কেনেকৈ ৰক্ষা কৰিব? আইন-শৃংখলা ৰক্ষা কৰিব কেনেকৈ? ২ পৃষ্ঠাত

## ডিএফঅ'ৰ ঘৰত ভিজিলেন্স

ই-সংবাদ, ১৮ জানুৱাৰীঃ শনিবাৰে পুৱা গুৱাহাটীৰ নাংৰেগীত বন বিষয়া হিৰণ্য পাঠকৰ শেষাংশ ২ পৃষ্ঠাত



## আজি বিদেশলৈ যাব মুখ্যমন্ত্ৰী হিমন্ত

ই-সংবাদ, ১৮ জানুৱাৰীঃ গুৱাহাটীত এইবাৰ অনুষ্ঠিত হ'বলগীয়া এডভান্টেজ অসম ২.০ সন্মিলনৰ ৫ পৃষ্ঠাত

### হাতী প্ৰেৰণক লৈ ক্ষুব্ধ পৰিৱেশ সুৰক্ষা সমিতি

## জামনগৰৰ 'বনতাৰা' শুৱনি কৰিবলৈ চৰকাৰৰ হাত উজান!




### নামচাইত বন্দী হাতী

ই-সংবাদ, ডুমডুমা, ১৮ জানুৱাৰীঃ অসমত বিজেপিৰ চৰকাৰ গঠনৰ পাছৰে পৰা লুকাই-চোৰকৈ অসমৰ পৰা গুজৰাটলৈ অসমৰ বন্যপ্ৰাণী ৪ পৃষ্ঠাত চাওক

### শিৱসাগৰত সাংসদ গৌৰৱ গগৈ

## ভয়তে গাঁৱলৈ নাযায় বিজেপি নেতা



ই-সংবাদ, শিৱসাগৰ, ১৮ জানুৱাৰীঃ "বৰ্তমান চৰকাৰে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাতো নিবিচাৰে। বিজেপি দলৰ তৃণমূল শেষাংশ ৬ পৃষ্ঠাত

### গোভা দেওৰজাৰ অন্তিমখন দৰবাৰেৰে মেলাৰ সামৰণি

# নিজম ঐতিহাসিক জোনবিলৰ পাৰ

জাগীৰোডৰ পৰা বিমল হাজৰীকা, ১৮ জানুৱাৰীঃ নিজম পৰিল ঐতিহাসিক জোনবিলৰ পাৰ। পৰম্পৰামতে, বৃহস্পতিবাৰৰ পৰা তিনিদিনীয়াকৈ আৰম্ভ হৈছিল



জাগীৰোডৰ ইতিহাস প্ৰসিদ্ধ তথা পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ মেলা গোভা দেওৰজাৰ জোনবিল মেলা। পুৱাই গোভা দেওৰজা চাৰিভাই ৩ পৃষ্ঠাত

## বাজপেয়ী ভৱনত সভাপতিৰ সমুখতে মাৰপিটৰ ঘটনা!

### ভবেশৰ ঘনিষ্ঠ ৰাকেশক প্ৰহাৰ

ই-সংবাদ, ১৮ জানুৱাৰীঃ দলীয় প্ৰভাৱশালী পদৰ পৰা আতৰি হোৱাৰ পিছতে ৰাজ্যিক বিজেপিৰ কাৰ্যালয় বশিষ্ঠস্থিত অটল বিহাৰী বাজপেয়ী ভৱনত লেইলেই শেষাংশ ৫ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# অধ্যয়ন অত্যন্ত জৰুৰী

কেতিয়াবা উপলব্ধি কৰি পাইছেনে? এখন ভাল উপন্যাস বা দৰ্শনৰ এখন ভাল কিতাপে একাকীত্বৰ সময়খিনিত আমাৰ মন-মগজুত কেনেকৈ নতুন চিন্তাধাৰাৰ উন্মেষ ঘটাই কেতিয়াবা অনুভৱ কৰিছেনে? জীৱনৰ পাৰ হৈ অহা ঋতুবোৰৰ অভিজ্ঞতাৰে মই এই কথা বাৰুকৈয়ে উপলব্ধি কৰিছো, অধ্যয়নৰ মাজত এনে এক বিশেষ শক্তি লুকাই আছে, যিয়ে মানুহক চিন্তাশীল কৰি তোলে, অনুভৱৰ গভীৰতালৈ লৈ যায় আৰু জীৱনৰ জীৱনৰ সাৰ্থকতাৰ সঁচা অৰ্থটো বিচাৰি উলিওৱাৰ বাট দেখুৱায়।

অধ্যয়নৰ অভ্যাস কেৱল জ্ঞান আহৰণৰ মাধ্যম নহয়, অধ্যয়নে জীৱনক ৰঙীন আলোকেৰে সজাই পৰাই তোলে। এখন ভাল কিতাপে আমাক এখন অচিনাকি পৃথিৱীলৈ লৈ যায়, য'ত আমি লাভ কৰো এক নতুন দৃষ্টিভংগী আৰু আমাৰ বাবে মুকলি হয় সৃষ্টিশীলতাৰ নতুন দুৱাৰ। অধ্যয়নে চহকী কৰে আমাৰ শব্দজ্ঞান, আমাৰ চিন্তাধাৰাক সম্প্ৰসাৰিত কৰে আৰু আমাৰ কল্পনাশক্তি বৃদ্ধি কৰে। হেমচন্দ্ৰ গোস্বামীয়ে- "অধ্যয়নৰ জৰিয়তে জীৱনৰ গভীৰতা বুজিব পাৰি।" এয়া কেৱল দাৰ্শনিক উপলব্ধি নহয়, এয়া হৈছে প্ৰতিজন পাঠকৰ জীৱনৰ এক অসীম সত্য।

আপুনি হয়তো লক্ষ্য কৰিছে, কিতাপ এখন পঢ়াৰ সময়ত আমি লেখকৰ সৃষ্টি পৃথিৱীখনত নিমজ্জিত হৈ পৰো। এজন লিখকে বহু সাধনা আৰু সময় খৰছ কৰি এখন কিতাপ লিখি উলিয়ায়। তেনে এখন কিতাপে এজন পঢ়ুৱৈক মাত্ৰ কেইটামান ঘণ্টা বা কেইটামান দিনৰ ভিতৰতে লিখকৰ বছৰ বছৰ ধৰি অৰ্জন কৰা জ্ঞানখিনি প্ৰদান কৰে। এনে এখন কিতাপে আমাৰ কল্পনাশক্তিক অধিক প্ৰসাৰিত কৰে আৰু জীৱনৰ জটিল সমস্যাবোৰ সমাধান কৰিবলৈ সহায় কৰে। এলবাৰ্ট আইনষ্টাইনে কৈছিল, কল্পনা জ্ঞানতকৈ অধিক গুৰুত্বপূৰ্ণ। ই সমগ্ৰ বিশ্বৰ দুৱাৰ খুলি দিয়ে।" সঁচাকৈয়ে, এখন ভাল কিতাপৰ এটা পৃষ্ঠাই আমাক প্ৰদান কৰিব পাৰে সুখৰ অনন্য সংজ্ঞা।

অৱশ্যে অধ্যয়নৰ সমান্তৰালভাৱে জীৱনত সফলতা লাভ কৰিবলৈ আন কিছুমান গুৰুত্বপূৰ্ণ কথাও মনত ৰখা উচিত। আজিৰ যুগত কেৱল এটা জীৱিকাৰ ওপৰত নিৰ্ভৰ কৰিলেই নহ'ব। জীৱনত সফলতাৰ শিখৰত উপনীত হ'বলৈ হ'লে আমি ২-৩টা ভিন্ন পথ বাছি ল'ব লাগিব আৰু সেই সকলোবোৰৰ বাবে কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰে নিজকে উৎসৰ্গা কৰিব লাগিব। জীৱনৰ বাবে প্ৰয়োজনীয় আমাৰ একাগ্ৰতা আৰু পৰিশ্ৰমত ইন্ধন হিচাপে কাম কৰে অধ্যয়নে। অজস্ৰ পংকিল বাটৰ পৰা এটা মসৃন বাট জীৱনৰ বাবে বাছি লোৱাত সহায় কৰে আমি লাভ কৰা জ্ঞানে।

কোনো প্ৰযুক্তি বা মনোৰঞ্জনে আমি অধ্যয়নৰ জৰিয়তে পোৱা শান্তি আৰু ধৈৰ্য্য প্ৰদান কৰিব নোৱাৰে। ই আমাৰ মনক শান্ত কৰে আৰু জীৱনৰ প্ৰতি গভীৰ কৃতজ্ঞতাৰ সৃষ্টি কৰে। লক্ষ্মীনাথ বেজবৰুৱাই কৈছিল, "অধ্যয়নে মনক মুক্ত আৰু শক্তিশালী কৰে।" ধৈৰ্য্যৰে কিতাপ পঢ়াৰ অভ্যাসে আমাৰ মনটোক অনুশাসিত আৰু মনোনিৱেশ কৰি ৰাখে, যিটো জীৱনৰ প্ৰতিটো দিশতে ফলপ্ৰসূ।

কিন্তু সময়ৰ লগে লগে আজিকালি যুৱ প্ৰজন্মৰ পৰা যেন হেৰাই গৈছে অধ্যয়নৰ ধাউতি। এসময়ত সাহিত্য জীৱনৰ স্তম্ভ হিচাপে পৰিগণিত হোৱা অসমখনত লিখি খাব নোৱাৰি বুলি অকপটে স্বীকাৰ কৰে বহু লিখকে। প্ৰযুক্তিৰ আধিপত্য আৰু ছ'চিয়েল মিডিয়াৰ প্ৰতি আসক্তিৰ বাবে লাহে লাহে হ্ৰাস পাইছে অধ্যয়নৰ প্ৰতি ৰাপ। এসময়ত গুনী-জ্ঞানীৰ মিলনস্থলী হৈ থকা গ্ৰন্থাগাৰবোৰত আজিকালি নিমাওমাও পৰিৱেশ। অধ্যয়নৰ প্ৰতি যুৱ প্ৰজন্মৰ বিৰাগ দেখি কেতিয়াবা ভাৱ হয়, আমি আমাৰ সাহিত্যিক ঐতিহ্য পাহৰি পেলাইছো নেকি? হেমচন্দ্ৰ গোস্বামী, বিমলা প্ৰসাদ চলিহাৰ দৰে সাহিত্যিকে আমাৰ বাবে এৰি থৈ যোৱা প্ৰজ্ঞা আৰু সৃষ্টিশীলতাৰ উত্তৰাধিকাৰ আমি বজাই ৰাখিব পাৰিছোনে? নতুন প্ৰজন্মক যদি কিতাপ পঢ়াৰ আনন্দৰ পৰা আঁতৰাই অনা হয়, তেন্তে তেওঁলোকে কেনেকৈ চিন্তাশীলতা আৰু কল্পনাশক্তি গঢ়ি তুলিব? অধ্যয়ন অবিহনে সৃষ্টিশীলতা আৰু চহকী মন এটাৰ বিকাশ কেতিয়াও সম্ভৱ নহয়।

তথাপিও আশাৰ ৰেঙনি এতিয়াও নথকা নহয়। এনে দুঃসময়ৰ মাজতো শেহতীয়াকৈ খানাপাৰত অনুষ্ঠিত হোৱা অসম গ্ৰন্থমেলাত কিতাপৰ বিক্ৰীৰ অভিলেখে অকনমান হ'লেও আশাৰ বতৰা কঢ়িয়াই আনিছে। এতিয়াও বহু পাঠকে কিতাপৰ পৃষ্ঠা লুটিয়াই জীৱনৰ অৰ্থ বিচাৰি উলিয়ায়। তেওঁলোকৰ মতে ভাল কিতাপ এখনে কেতিয়াও অকলশৰীয়া হ'বলৈ নিদিয়ে। অসমৰ বিভিন্ন প্ৰান্তত ক্ষুদ্ৰ পঠন মহল আৰু পুথিভঁৰালৰ পদক্ষেপৰ উন্মেষ ঘটিছে। এই সৰু প্ৰচেষ্টাই এদিন ডাঙৰ পৰিৱৰ্তনৰ বাট মুকলি কৰিব। আমি মাত্ৰ এই পদক্ষেপসমূহ অধিক আৰু অধিক বিয়পাই দিব লাগিব আৰু যুৱক-যুৱতীসকলক কিতাপ পঢ়াৰ প্ৰতি আগ্ৰহী কৰি তুলিব লাগিব।

অধ্যয়নেই হৈছে জীৱনত সফলতাৰ চাবিকাঠি। বিশ্বৰ সকলো মহান মনিষীয়েই সদায় অধ্যয়নৰ গুৰুত্ব দোহাৰি আহিছে। বিল গেটছে কৈছে, "মই প্ৰতি বছৰে পঞ্চাশখন কিতাপ পঢ়ো, কাৰণ অধ্যয়নৰ জৰিয়তে মই অহৰহ শিকি আছো।" আমাৰ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাইও কৈ গৈছে, "অধ্যয়নেই সৃষ্টিশীলতাৰ চাবিকাঠি"। সৃষ্টিশীল মন এটাৰ বাবে কিতাপৰ সুগন্ধি অত্যন্ত জৰুৰী।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লখিমপুৰত আৰক্ষীৰ বন্দুক নিলে

এই চিন্তা কৰিবলৈ বাধ্য হৈছে ৰাজ্যখনৰ নাগৰিকে। চুবৰীয়া ৰাজ্যত গৈ আত্মসমৰ্পণ কৰি অহা অসম আৰক্ষীয়ে সময়ে সময়ে নিজৰে স্বৰূপ উদঙাই আহিছে। এইবাৰ এজন আৰক্ষী বিষয়াই ৰাজ্যত কেতিয়াও নোহোৱা নোপোজা কাণ্ড সংঘটিত কৰিছে। এখন আৰক্ষী চকীৰ বিষয়াৰ ব্যক্তিগত পিষ্টল চুৰি হৈছে। পিষ্টল চুৰি হোৱা আৰক্ষী বিষয়াজন হৈছে সুন্দৰ ডেকা। উৰুকাৰ দুদিন পূৰ্বে সুন্দৰ ডেকাৰ পিষ্টল চুৰি হৈছিল। যাৰ বাবে আৰক্ষীৰ ওপৰ মহলাৰ শাস্তিৰ সন্মুখীন হ'বলগীয়া হৈছে। জানিব পৰা মতে, লখিমপুৰ জিলাৰ হাৰমতী আৰক্ষী চকীৰ সহকাৰী উপ-পৰিদৰ্শক সুন্দৰ ডেকাৰ পিষ্টল চুৰিৰ হয়। হাৰমতী আৰক্ষী চকীৰ সহকাৰী উপ-পৰিদৰ্শক হিচাপে কৰ্মৰত অৱস্থাত ১১ জানুৱাৰীৰ নিশা দুৰ্বৃত্তই ডেকাৰ পিষ্টল চুৰি কৰে। তাৰ পিছতে সুন্দৰ ডেকাক ৰিজাৰ্ভ ক্লজ কৰে আৰক্ষী অধীক্ষকে। ১১ জানুৱাৰীৰ নিশাই চুৰি হোৱা ডেকাৰ পিষ্টলটো আজিও উদ্ধাৰ কৰিব পৰা নাই। চকী এখনৰ বিষয়া এজনৰ ৰিভলভাৰ চুৰি হোৱাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰাইজক সুৰক্ষাৰ বাবে নিয়োজিত আৰক্ষীৰ নিজৰে সুৰক্ষা নাইকিয়া হৈ পৰা বিষয়টোক লৈ সৰ্বত্ৰে আৰম্ভ হৈছে সৰস চৰ্চা।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ডিএফঅ'ৰ ঘৰত ভিজিলেন্স

বাসগৃহত মুখ্যমন্ত্ৰীৰ দুৰ্নীতি নিবাৰক শাখাই অভিযান চলায়। ধুবুৰীত কৰ্তব্যৰত হিৰণ্য পাঠকৰ বিৰুদ্ধে আয় বহিৰ্ভূত সম্পত্তিৰ অভিযোগত এই অভিযান চলাইছে বুলি জানিব পৰা গৈছে। গুৱাহাটীৰ নাৰেংগীস্থিত পাঠকৰ ঘৰত অভিযান চলাই ভিজিলেন্স চেলৰ বিষয়াসকলে বিভিন্ন নথি-পত্ৰ আৰু সামগ্ৰী জব্দ কৰে। অভিযানৰ সময়ত দলটোৱে গুৱাহাটীৰ ছয়মাইলত পাঠকৰ মালিকানাধীন আন এক সম্পত্তিৰ তথ্যও লাভ কৰে। ইয়াৰ পিছত এই স্থানতো অভিযান চলোৱাৰ সম্ভাৱনা আছে। বৰ্তমান ধুবুৰীত ডি এফ অ' হিচাপে কৰ্মৰত পাঠকে অতি কম দিনৰ ভিতৰতে বহু কোটি টকাৰ সম্পত্তিৰ গৰাকী হৈ পৰিছে। ইয়াকে লৈ ভিজিলেন্সৰ দলে আজি অভিযান চলাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংবিধানৰ ধাৰণা দেশৰ চুকে-কোণে

ভাষণৰ সময়ত তেওঁ ইয়াক কেৱল এখন কিতাপ নহয়, হাজাৰ হাজাৰ বছৰৰ ভাৰতীয় চিন্তা আৰু দৰ্শনৰ প্ৰতীক বুলি অভিহিত কৰে। তেওঁ কয়, "এই সংবিধান কেৱল এখন গ্ৰন্থ নহয়। ইয়াত ভগৱান বুদ্ধ, নাৰায়ণ গুৰুজী, ফুলেজী, বাসৱন্নাজী, গান্ধীজী আৰু বাবা চাহেব আম্বেদকাৰৰ দৰে মহান ব্যক্তিৰ কণ্ঠ আছে। ইয়াৰ লগতে ইয়াত কোটি কোটি জনতাৰ যন্ত্ৰণা আৰু সংগ্ৰামৰ কথাও সন্নিবিষ্ট কৰা হৈছে। ইয়াৰ ভিতৰত শতিকাজুৰি অন্যায় আৰু বৈষম্যৰ সন্মুখীন হোৱা লোকসকলো অন্তৰ্ভুক্ত।" সংবিধানক গংগা নদীৰ সৈতে তুলনা কৰি ৰাহুল গান্ধীয়ে কয় যে গংগাৰ পানী যেনেকৈ সকলো ঠাইতে বিয়পি পৰে, তেনেদৰে আমাৰ লক্ষ্য হৈছে সংবিধানৰ ধাৰণা ভাৰতৰ চুক-কোণলৈ বিয়পাই দিয়া। তেওঁ কয়, "আমি বিচাৰো যে সংবিধানৰ আত্মাই প্ৰতিজন ব্যক্তি, প্ৰতিটো প্ৰতিষ্ঠান আৰু প্ৰতিখন সমাজত বিয়পি পৰক, যিদৰে গংগাৰ পানী সমগ্ৰ দেশতে বিয়পি পৰে।" সংবিধানৰ আঁৰৰ ধাৰণাক ধ্বংস কৰিবলৈ চেষ্টা কৰা বুলি কৈ আৰএছএছ আৰু কেন্দ্ৰীয় চৰকাৰৰ ওপৰত তীব্ৰ আক্ৰমণ চলায় কংগ্ৰেছ সাংসদগৰাকীয়ে। তেওঁ অভিযোগ কৰে যে বিজেপি আৰু আৰএছএছৰ মতাদৰ্শ সংবিধানৰ পৰিপন্থী আৰু তেওঁলোকে বাবা চাহেব আম্বেদকাৰ আৰু মহাত্মা গান্ধীৰ চিন্তাধাৰাক ধ্বংস কৰিবলৈ চেষ্টা কৰিছে। ৰাহুল গান্ধীয়ে কয়, "মোহন ভাগৱতে কৈছে যে ভাৰতে ১৯৪৭ চনৰ ১৫ আগষ্টত স্বাধীনতা লাভ কৰা নাছিল। তেওঁৰ বক্তব্যই স্পষ্টকৈ দেখুৱাইছে যে তেওঁ সংবিধান আৰু ইয়াৰ চিন্তাধাৰাক গুৰুত্ব নিদিয়ে।" ৰাজনৈতিক প্ৰতিনিধিত্ব সন্দৰ্ভতো প্ৰশ্ন উত্থাপন কৰে ৰাহুল গান্ধীয়ে। তেওঁ কয়, "আপুনি যুঁজি ৰাজনৈতিক প্ৰতিনিধিত্ব লাভ কৰিলে, কিন্তু ক্ষমতা আপোনাৰ হাতত নাই। সংসদত বিজেপিৰ দলিত, পিছপৰা আৰু জনজাতীয় সাংসদসকলৰ সৈতে কথা পাতিলোঁ। তেওঁলোকে নিজেই কৈছিল যে আমাক পিঞ্জৰাত ৰখা হৈছে। প্ৰকৃত ক্ষমতা আন কাৰোবাৰ হাততহে আছে।" অৰ্থনৈতিক আৰু সামাজিক বৈষম্যৰ ওপৰত আলোকপাত কৰি তেওঁ কয় যে দেশৰ ধন-সম্পত্তি নিৰ্বাচিত কেইজনমানৰ হাতত কেন্দ্ৰীভূত হৈ আছে। আদানি, আম্বানী আৰু অন্যান্য বৃহৎ উদ্যোগপতিৰ নাম লৈ তেওঁ কয়- "পাঁচশ ডাঙৰ কোম্পানীৰ তালিকা এখন বনাওক। ইয়াৰে এজনো মালিক দলিত, জনজাতীয়, পিছপৰা শ্ৰেণী বা সংখ্যালঘু সম্প্ৰদায়ৰ নহ'ব। ব্যক্তিগত খণ্ড, সংবাদ মাধ্যম, স্বাস্থ্য, শিক্ষা, সকলোতে আপোনাৰ ৰাজনৈতিক প্ৰতিনিধিত্ব আছে, কিন্তু ক্ষমতা নাই।" ইফালে, জাতিভিত্তিক লোকপিয়লক অত্যন্ত গুৰুত্বপূৰ্ণ আখ্যা দি ৰাহুল গান্ধীয়ে কয়, "জাতি লোকপিয়ল এক্স-ৰেৰ দৰে। ইয়াৰ দ্বাৰা সকলো স্পষ্ট হৈ পৰিব। আমি জানিব লাগিব যে কাৰ জনসংখ্যা কিমান আৰু চৰকাৰী ব্যৱস্থাত তেওঁৰ কিমান অংশগ্ৰহণ আছে। জাতি লোকপিয়ল অবিহনে উন্নয়নৰ কথা কোৱা সম্ভৱ নহয়।" বিহাৰ চৰকাৰে কৰা জাতি জনগণনাক অপৰ্যাপ্ত বুলি অভিহিত কৰি তেওঁ কয় যে কংগ্ৰেছে এই বিষয়টো সম্পূৰ্ণ শক্তিৰে উত্থাপন কৰিব। তেওঁ প্ৰতিশ্ৰুতি দিয়ে, "আমি সংসদত স্পষ্টকৈ কৈছো যে যিয়েই নহওক কিয়, কংগ্ৰেছে জাতি জনগণনা গৃহীত কৰিব। আৰু যি পঞ্চাশ শতাংশ সংৰক্ষণৰ সীমা নিৰ্ধাৰণ কৰা হৈছে সেয়াও ভংগ হ'ব। সংবিধানত লিখা আছে যে সকলোৱে সমান হ'ব লাগে।" ভাষণৰ সময়ত ৰাহুল গান্ধীয়ে এই যুঁজখনক সংবিধান আৰু মনুবাদৰ যুঁজ বুলি অভিহিত কৰে। তেওঁ কয়, "এফালে সমতা আৰু ঐক্যৰ ধাৰণা, আনফালে ঘৃণা আৰু হিংসাৰ ধাৰণা। এয়া কেৱল আপোনাৰ যুঁজ নহয়, সমগ্ৰ দেশৰ যুঁজ।" সংবিধান ৰক্ষাৰ বাবে কংগ্ৰেছ দল সম্পূৰ্ণ দায়বদ্ধ বুলিও তেওঁ কয়। ভাষণত তেওঁ কৃষক, শ্ৰমিক আৰু দৰিদ্ৰ লোকৰ সমস্যাৰ কথাও উল্লেখ কৰি কয় যে বৰ্তমানৰ চৰকাৰে এই শ্ৰেণীসমূহক আওকাণ কৰিছে। ভাষণৰ শেষত ৰাহুল গান্ধীয়ে উপস্থিত ৰাইজক আহ্বান জনায়, "সংবিধানৰ এই বাৰ্তা প্ৰতিখন গাঁৱলৈ লৈ যাওক। জাতি লোকপিয়লৰ এই বাৰ্তা প্ৰতিজন ব্যক্তিলৈ লৈ যাওক। পঞ্চাশ শতাংশ সংৰক্ষণৰ সীমা ভংগ কৰাৰ এই বাৰ্তা প্ৰতি ঘৰলৈ লৈ যাওক। প্ৰতিজন ভাৰতীয়লৈ সংবিধানৰ বাৰ্তা প্ৰেৰণ কৰাটো আমাৰ দায়িত্ব।" লক্ষ্যণীয় যে, ৰাহুল গান্ধীৰ এই ভাষণে সংবিধান সুৰক্ষা সন্মিলনক এক নতুন শক্তি প্ৰদান কৰিছে। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে পাটনাত প্ৰতিবাদী শিক্ষাৰ্থীসকলকো সাক্ষাত কৰে আৰু কয়, "প্ৰধানমন্ত্ৰীয়ে বিহাৰত ডাবল ইঞ্জিন চলোৱা বুলি দাবী কৰে, কিন্তু আচলতে ই এটা বিফল ইঞ্জিন যিয়ে দুখীয়া, কঠোৰ পৰিশ্ৰমী ছাত্ৰ-ছাত্ৰীৰ সপোনক চেপি ধৰিছে।" ছাত্ৰ-ছাত্ৰীসকলক সাহস দি তেওঁ আৰু কয়, "আজিৰ যুগৰ একলব্যই বুঢ়া আঙুলি কাটি দক্ষিণা নিদিয়ে।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিজম ঐতিহাসিক জোনবিলৰ পাৰ

দেওশাল শিৱ মন্দিৰত মাংগলিক পূজা-অৰ্চনাৰ পিছতে শুভাৰম্ভ হয় মেলাৰ। ৰজাৰ বা-বিষয়াই পূজা-অৰ্চনা কৰে দেওশাল শিৱ মন্দিৰত আৰু কণী কাটি মঙলা চায় মেলা সন্দৰ্ভত। ইয়াৰ পিছতে মেলাৰ দ্বিতীয় কাৰ্যসূচী হিচাপে বন্তি প্ৰজলন কৰে মেলা উন্নয়ন সমিতিৰ সভাপতি সোণেশ্বৰ দলৈয়ে আৰু পতাকা উত্তোলন কৰে মহামান্য গোভাৰজা দীপসিংহ দেৰজাই। তাৰ পিছতে পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহে মামা-মামীসকল। মেলাথলীত মামা-মামীসকলে নিশা কটাবলৈ খেৰ নৰা আদিৰে অস্থায়ী পজাঘৰ সাজি থাকে জোবিলৰ পাৰত। দুপৰীয়া ৰজাই অংশগ্ৰহণ কৰে এক প্ৰীতভোজত। তাৰ পিছতে মেলাস্থলীত অনুষ্ঠিত হয় উত্তৰ পূব ক্ষেত্ৰ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক অনুষ্ঠানৰ লগতে "জোনবিল" শীৰ্ষক স্মৃতিগ্ৰন্থৰ উন্মোচনী অনুষ্ঠানৰ। মেলাৰ প্ৰথম দিনাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে আৰু ২২গৰাকীকৈ তিৱা ৰজাক ৰাজভাট্টা প্ৰদান কৰে লগতে মেলাৰ বাবে এটি গৃহ নিৰ্মাণৰ বাবে ৫কৌটি টকাৰ অনুদান ঘোষণা কৰে। আনহাতে, দ্বিতীয় দিনাৰ প্ৰথম কাৰ্যসূচী হিচাপে ধলপুৱাতে পাহাৰৰ মামা-মামীসকলৰ সৈতে ভৈয়ামৰ লোকসকলৰ মাজত অনুষ্ঠিত হয় পৰম্পৰাগত বিনিময় প্ৰথা। এই বিনিময় প্ৰথাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে। তাৰ পিছতেই পাহাৰৰ মামা-মামীসকলে লৈ অহা পাহাৰত উৎপাদিত আলু, কঁচু, জলকীয়া, কোমোৰা, হালধী আদিৰ সৈতে ভৈয়ামৰ লোকে বিনিময় কৰে লাড়ু, পিঠা, সান্দহ, শুকান মাছ ইত্যাদি। ফলত কিছু সময়ৰ বাবে স্তব্ধ হৈ পৰে মুদ্ৰাৰ প্ৰচলন। ইয়াৰ পিছতে জোনবিলত অনুষ্ঠিত হয় সমূহীয়া মৎস্য চিকাৰ। ৰজাৰ বিষয়াই তামোল পুতি জলদেৱতাক পূজা কৰাৰ পাছতেই আৰম্ভ হয় সমূহীয়া মৎস্য চিকাৰ আৰু তাৰ পিছতে মেলাথলীত অনুষ্ঠিত হয় কুকুৰা যুঁজ। আনহাতে, উক্ত কাৰ্যসূচীসমূহ সম্পাদন হোৱাৰ পিছত মেলাথলীত অনুষ্ঠিত হয় বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ। আজি অন্তিম দিনা গোভা দেওৰজাৰ প্ৰজা সকলৰ মাঘ বিহুৰ উৰুকা। উৰুকাৰ দিনা অৰম বিলত সম্পাদন হয় সমূহীয়া মৎস্য চিকাৰৰ। হাতে হাতে জাল, জুলুকি, প'ল', হকা আদি মাছ ধৰা সঁজুলি লৈ বিভিন্ন প্ৰান্তৰ পৰা অহা মাছুৱৈ নামে বিলত। আজি যিহেতু গোভা ৰজাৰ মাঘ বিহুৰ উৰুকা, সেয়ে উৰুকাৰ নিশা নিজ পৰিয়াল পৰিজনৰ সৈতে তৃপ্তিৰে এসাজ খোৱাৰ হেঁপাহেৰে বিলত নামে শতসহস্ৰ লোক। ইয়াৰ পিছতে মেলাথলীত উপস্থিত হয় গোভা দেওৰজা দ্বীপসিং দেওৰজা আৰু পাৰিষদবৰ্গ। ৰজাৰ উপস্থিতিত মেলাথলীত অনুষ্ঠিত হোৱা কবিতাৰ মেলত ৰাজ্যৰ কেইবাখনো জিলাৰ পৰা অহা বিভিন্ন ভাষা-ভাষীৰ বিশিষ্ট কবিসকলে পাঠ কৰে কবিতা লগতে জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন কৰে স্থানীয় শিল্পীসকলে। পৰৱৰ্তী সময়ত গোভা দেওৰজাৰ নিৰ্দেশমৰ্মে ৰজাৰ বা-বিষয়া আৰু কৰতলীয়া ৰজাসকলে মেলাথলীত প্ৰতীকি ৰূপত কৰ সংগ্ৰহ কৰে। নিশা গোভা দেওৰজাৰ বাসগৃহত অনুষ্ঠিত হয় অন্তিমখন দৰবাৰ। পৰম্পৰা অনুযায়ী অন্তিমখন দৰবাৰৰ পিছতে আকৌ এটা বছৰৰ বাবে সামৰণি পৰে এইবাৰৰ জোনবিল মেলা।

Nucleomed- পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জামনগৰৰ 'বনতাৰা' শুৱনি কৰিবলৈ

সৰবৰাহ অব্যাহত আছে। ২০২২ চনৰ ডিচেম্বৰ মাহত চিৰিয়াখানা সুৰক্ষা মঞ্চৰ সাধাৰণ সম্পাদক ৰাজকুমাৰ বৈশ্যই ৰাজহুৱা কৰা এক তথ্য মতে, ২০১৮ চনৰ পৰা ২০২২ চনলৈ অসমৰ পৰা ১১০০ ৰো অধিক জীৱ-জন্তু বাহিৰলৈ নিয়া হৈছিল। সেই সময়ত দুষ্প্ৰাপ্য জীৱ-জন্তু গুজৰাটৰ জামনগৰস্থিত মুকেশ আম্বানিৰ মালিকানাধীন চিৰিয়াখানালৈ নিয়া হৈছিল বুলি গুৰুতৰ অভিযোগ উত্থাপন হৈছিল। ধনকুবেৰ উদ্যোগপতি মুকেশ আম্বানিৰ চিৰিয়াখানালৈ অসমৰ জীৱ-জন্তু সৰবৰাহৰ হাত উজান দিছিল খোদ বন বিভাগৰ উচ্চ পদস্থ বিষয়া আৰু অসম চৰকাৰ। অসমত বিজেপিৰ চৰকাৰ গঠনৰ পৰাই জীৱ-জন্তু সৰবৰাহ হৈ থকাত কেইবাবাৰো ৰাজ্যত চৰ্চাৰ বিষয় হৈ পৰিছে। বহু লোকে ৰাজপথত জীৱ-জন্তু কঢ়িওৱা গুজৰাটৰ গাড়ী প্ৰত্যক্ষ কৰি সামাজিক মাধ্যমত ভিডিঅ' শ্বেয়াৰ কৰি প্ৰতিবাদ কৰিছিল। বিগত ৭ৰ পৰা ৮ বছৰত বাৰে বাৰে একেটা অভিযোগত ৰাইজে তীব্ৰ প্ৰতিক্ৰিয়া তথা বিৰোধ কৰি আহিছে যদিও অসমৰ বন্যপ্ৰাণী সৰবৰাহ অব্যাহত আছে। জাতি, মাটি ভেটিৰ শপত খোৱা বিজেপি দলৰ চৰকাৰে অসমৰ সম্পদ বন্যপ্ৰাণীক বহিৰাগৰত হাতত গতাই দিবলৈ কুণ্ঠাবোধ কৰা নাই। পুনৰ বন্যপ্ৰাণী কঢ়িওৱা বহু গুজৰাট নম্বৰৰ এনিমেল এম্বুলেন্স উজনি অসম আৰু অৰুণাচলত প্ৰৱেশ কৰিছে। কেইবাখনো ট্ৰাক বন্যপ্ৰাণী আম্বানিৰ চিৰিয়াখানালৈ নিয়াৰ বাবে উজনি অসম আৰু অৰুণাচলত প্ৰৱেশ কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিজেপি শাসিত অসম আৰু অৰুণাচলৰ পৰা গুজৰাটৰ জামনগৰলৈ হাতী সৰবৰাহৰ গোপন পৰিকল্পনা ফাদিল হোৱাত প্ৰকৃতি সুৰক্ষা কৰ্মীসকলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অসম আৰু অৰুণাচলৰ পৰা ৩৩টা হাতী জামনগৰস্থিত আম্বানি গ্ৰুপৰ চিৰিয়াখানালৈ লৈ যোৱাৰ বাবে প্ৰয়োজনীয় এনিমেল এম্বুলেন্স অসমৰ মাজেৰে অৰুণাচলৰ নামচাইত প্ৰৱেশ কৰিছে। কিন্তু বহিঃৰাজ্যলৈ নিবলগীয়া হাতীসমূহৰ অধিকাংশই অসমৰ আৰু এই হাতী সৰবৰাহ কাৰ্য সম্পূৰ্ণ অবৈধ বুলি দাবী কৰিছে প্ৰকৃতি সুৰক্ষা কৰ্মীসকলে। আম্বানীৰ বনতাৰালৈ অসম-অৰুণাচলৰ হাতী প্ৰেৰণক লৈ ক্ষুব্ধ পৰিৱেশ সুৰক্ষা সমিতি। অসম-অৰুণাচলৰ হাতী দেশৰ অন্যতম উদ্যোগপতি মুকেশ আম্বানীৰ ব্যক্তিগত চিৰিয়াখানা 'বনতাৰা'লৈ প্ৰেৰণ কৰাৰ প্ৰস্তুতিক লৈ কাৰ্যতঃ ক্ষুব্ধ হৈ পৰিছে পৰিৱেশ সুৰক্ষা সমিতি-অসম। এই সন্দৰ্ভত সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত জৰিয়তে পৰিৱেশ সুৰক্ষা সমিতিৰ সভাপতি ঋতুৰাজ বৰুৱাই ক্ষোভ কৰি কয় যে অসম-অৰুণাচলৰ হাতী প্ৰেৰণৰ প্ৰস্তুতিৰ দ্বাৰা অসম চৰকাৰে চৰম হঠকাৰিতা প্ৰদৰ্শন কৰিছে। ভোগালীৰ ব্যস্ততাৰ সুযোগ লৈ অসমত ইতিমধ্যে পোন্ধৰখন অবৈধ এনিমেল এম্বুলেন্স প্ৰৱেশ কৰিছে। উল্লেখ্য যে, কিছুমান দালাল মধ্যস্থতাকাৰীৰ সহযোগত অসমত প্ৰৱেশ কৰা উল্লিখিত এনিমেল এম্বুলেন্সসমূহৰ বৈধ নথি-পত্ৰই নাই। ইয়াকলৈ পৰিৱেশ সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় সভাপতি বৰুৱাই তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি কয় যে যিসময়ত ৰাজ্যৰ বিয়াগোম বনবিভাগে স্থানীয় জীৱ-জন্তুৰ সুৰক্ষাই নিশ্চিত কৰিব পৰা নাই। তেনে সময়ত কেৱল আমোদ-প্ৰমোদৰ উদ্দেশ্যে নিৰ্মাণ কৰা ব্যক্তিগত চিৰিয়াখানালৈ উত্তৰ-পূৰ্বাঞ্চলৰ অসম-অৰুণাচলৰ সম্পদ প্ৰেৰণৰ বিষয়টো সহজভাৱে ল'ব পৰা বিষয় নহয়। পূৰ্বতেও অসম-অৰুণাচলৰ হাতী প্ৰেৰণ কৰা হৈছিল আৰু প্ৰাপ্ত খবৰ অনুসৰি সেই হাতীসমূহৰ উপযুক্ত চোৱা-চিতাৰ অভাৱত মৃত্যু ঘটিছে। পৰিৱেশ সুৰক্ষা সমিতিয়ে অনতিপলমে হাতী প্ৰেৰণৰ বিষয়টো পুনৰ বিবেচনাৰে হাতীৰ সৰবৰাহ বন্ধ কৰিবলৈ আহ্বান জনোৱাৰ লগতে মধ্যস্থতাকাৰী হাতীৰ দালালকেইজনক গ্ৰেপ্তাৰ কৰি কঠোৰ শাস্তি বিহিবলৈও চৰকাৰ-প্ৰশাসনৰ দাবী জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাৰ্ঘেৰিটাত কয়লাৰ খনন বন্ধৰ নিৰ্দেশ!

পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমত অবৈধ কয়লাৰ খনন বন্ধ কৰাৰ কথা উল্লেখ কৰিছিল। মুখ্যমন্ত্ৰীয়ে ১৬ জানুৱাৰীত মৰিগাঁৱত সংবাদমেল সম্বোধন কৰি আওপকীয়াকৈ চিণ্ডিকেট চক্ৰই কয়লাৰ খনন চলাই থকাৰ কথা স্বীকাৰ কৰি কেবিনেটে এখন এছঅ'পি প্ৰস্তুত কৰাৰ সিদ্ধান্ত লোৱাৰ কথা ৰাজহুৱা কৰিছিল। মুখ্যমন্ত্ৰীৰ নেতৃত্বৰ কেবিনেটে এছঅ'পি প্ৰস্তুতিৰ বাবে লোৱা সিদ্ধান্তৰ ফলত এটা কথা প্ৰমাণ হৈছিল বিজেপিৰ দলৰ নেতাৰ নেতৃত্বত কয়লাৰ অবৈধ খনন চলি আছিল। অবৈধ কয়লাৰ খননত বিধায়ক বলিন চেতিয়া, ভাস্কৰ শৰ্মা, তুলিৰাম ৰংহাং, কণিকা হোজাই আদিৰ দৰে বিজেপিৰ নেতা জড়িত থকাৰ কথা বাৰে বাৰে সংবাদমাধ্যমে প্ৰকাশ কৰি আহিছে। কিন্তু বাৰে বাৰে চৰকাৰে কয়লাই নহয় অসমত কোনো চিণ্ডিকেট নাই বুলি নিজকে ধোঁৱা তুলসীৰ পাত সজাই আছিল। কিন্তু উমৰাংছুৰ কাণ্ডই চৰকাৰৰ স্বৰূপ উদাঙাই দিছিল। বিজেপি নেতা তথা ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাই পৃষ্ঠপোষকতাত খনন কৰা গাতত সোমাই ৯ শ্ৰমিকে প্ৰাণ হেৰুওৱাত চৰকাৰৰ স্বৰূপ ওলাই পৰে। উমৰাংছুত বিজেপি নেতা ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ পৃষ্ঠপোষকতাত খনন কৰা গাতত সোমাই ৯ শ্ৰমিক আৱদ্ধ হোৱাত কয়লাৰ অবৈধ খননৰ কথা পোহৰলৈ আহিছিল। কিন্তু পূৰ্বে দল-সংগঠনে অভিযোগ আনিলে চৰকাৰে অস্বীকাৰ কৰিছিল। কিন্তু ১৬ জানুৱাৰীত মৰিগাঁৱত আওপকীয়াকৈ স্বীকাৰ কৰিছিল মুখ্যমন্ত্ৰীয়ে। কেবিনেটৰ অন্তত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সংবাদমেল সম্বোধন কৰি ৰেট হোল মাইনিং বন্ধ কৰাৰ নিৰ্দেশ দিয়ে। তাৰ মানে অসমত অবৈধ ৰেট হোল মাইনিং অব্যাহত আছিল। কেবিনেটে এখন এছঅ'পি প্ৰস্তুত কৰাৰ সিদ্ধান্ত লয়। এছঅ'পি যোগে ৰাজ্যত ৰেট হোল মাইনিং খননত সম্পূৰ্ণ ৰূপে নিষেধজ্ঞা আৰোপক লৈ এছঅ'পি প্ৰস্তুত কৰাৰ সিদ্ধান্ত লৈছিল কেবিনেটে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উমৰাংছুকৰ কাণ্ডৰ পিছতে কঠোৰ হোৱাত মাৰ্ঘেৰিটাত কঠোৰ হৈছে প্ৰশাসন। কালিলৈ কমিছন লৈ আৰক্ষী আৰু প্ৰশাসনে মুক্ত মনে খনন চলি থাকিবলৈ দিছিল যদিও কয়লাৰ খনন বন্ধ থকা বুলি প্ৰতিপন্ন কৰি আহিছিল। মুখ্যমন্ত্ৰী, মন্ত্ৰী, স্থানীয় বিধায়ক, আৰক্ষী আৰু প্ৰশাসনক মনেজ কৰি চলি থকা দুই শতাধিক অবৈধ খনিত খনন চলি আছিল। সেই কয়লা ট্ৰাকেৰে অসমৰ ইটাভাটা, অইন উদ্যোগ আৰু ৰাজ্যৰ বাহিৰত বিক্ৰী হৈছিল। কিন্তু কালিলৈ কয়লাৰ অবৈধ খননৰ কথা স্বীকাৰ নকৰা আৰক্ষী আৰু প্ৰশাসনৰ হঠাতে অবৈধ খনসমূহ চকুত পৰিলে। কেৱল চকুত পৰাই নহয় অভিযান পৰ্যন্ত চলাবলৈ সাহ গোটালে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উমৰাংছুৰ কয়লা খনি ভয়মকৰ কাণ্ডৰ পিছতে সংকটত পৰি অবৈধ কয়লাৰ খনন বন্ধ কৰিবলৈ ব্যৱস্থা লোৱাৰ কথা প্ৰকাশ কৰাত তিনিচুকীয়া জিলাৰ আৰু মাৰ্ঘেৰিটা উপ-জিলাত অবৈধ খনন কাৰ্যৰ বিৰুদ্ধে অভিযান আৰম্ভ হৈছে। শনিবাৰে মাৰ্ঘেৰিটা প্ৰশাসনে স্থানীয় আৰক্ষী, কোল ইণ্ডিয়া আৰু এপিডিচিএলৰ সহযোগত নামদাং অঞ্চলত থকা ১৩টা কয়লাৰ ৰেট হোল মাইনিং বন্ধ কৰি দিয়াৰ লগতে খনন কাৰ্যত ব্যৱহৃত সা-সৰঞ্জাম ধ্বংস কৰে। লগতে খনি সঁজুলিৰ ভাণ্ডাৰ জব্দ কৰে। পাম্প, মটৰ আৰু অন্যান্য খনন সঁজুলি জব্দ কৰে। কাৰ্যবাহী দণ্ডাধীশ প্ৰতিম গগৈ নেতৃত্বত চলিছিল এই অভিযান। পুৱা ৮:৩০ বজাত আৰম্ভ হোৱা এই অভিযানত কেইবাটাও অনানুমোদিত খনন ক্ষেত্ৰ পোহৰলৈ আহে। দণ্ডাধীশ গগৈয়ে কয় যে আমি প্ৰায় ১৩ টা ৰেট হোল মাইনিং ধ্বংস কৰিছো। অভিযানৰ সময়ত, খনিবোৰত নিয়োজিত শ্ৰমিকসকলক আৰক্ষীয়ে আটক কৰিছে। খনিবোৰ ধ্বংস কৰাৰ উপৰিও, বিদ্যুৎ যোগান ধৰা বৈদ্যুতিক লাইনৰ সংযোগ বিচ্ছিন্ন কৰা হৈছে। বৈদ্যুতিক সঁজুলিৰে পুনৰ নিৰ্মাণ কৰা এটা পৰিত্যক্ত কোল ইণ্ডিয়াৰ কাৰ্যালয় বন্ধ কৰা হয়। এই অবৈধ খনিবোৰৰ মালিকসকল চিনাক্ত কৰা হ'ব। গগৈয়ে নিশ্চিত কৰিছে যে খননত জড়িত তথা দোষীসকলক চিনাক্ত কৰিবলৈ তদন্ত চলিব। উমৰাংছুৰ তিন কিলো অঞ্চলত সংঘটিত শোকাৱহ ঘটনাৰ পিছত এই তীব্ৰ পদক্ষেপ গ্ৰহণ কৰা হয়। য'ত ৬ জানুৱাৰীত ৰেট হোল মাইনিঙৰ সময়ত গাতত পানী সোমাই কেইবাজনো খনিকৰ্মী আৱদ্ধ হৈ পৰে। সেনা, এনডিআৰএফ আৰু এছডিআৰএফৰ উদ্ধাৰকাৰী দলে এতিয়ালৈকে চাৰিটা মৃতদেহ উদ্ধাৰ কৰিছে। আনহাতে এতিয়াও আৱদ্ধ হৈ থকা পাঁচজন খনিকৰ্মীক বিচাৰি উলিওৱাৰ প্ৰচেষ্টা অব্যাহত আছে। উমৰাংছু ট্ৰেজেডীৰ পিছতে হঠাতে আজি মাৰ্ঘেৰিটাত অবৈধ খননৰ বিৰুদ্ধে সক্ৰিয় হয় আৰক্ষী আৰু প্ৰশাসন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজি বিদেশলৈ যাব মুখ্যমন্ত্ৰী হিমন্ত

বাবে প্ৰচাৰ আৰম্ভ হৈছে বিদেশত। অসমৰ উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাৰ নেতৃত্বত ইছলামিক দেশৰ পিছতে এইবাৰ ব্ৰিটেইনত প্ৰচাৰ আৰম্ভ কৰিছে। আনহাতে ১৯ জানুৱাৰী এছিয়াৰ দুখন আৰ্থিকভাৱে শক্তিশালী দেশৰ বিনিয়োগকাৰীক লক্ষ্য কৰি উৰা মাৰিব মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। ১৯ জানুৱাৰীত দক্ষিণ কোৰিয়া আৰু জাপান অভিমুখে ৰাওনা হ'ব। ১৯ জানুৱাৰীৰ পৰা ২৪ জানুৱাৰীলৈ এই দুখন দেশ ভ্ৰমণ কৰিব মুখ্যমন্ত্ৰী শৰ্মাই। মুখ্যমন্ত্ৰীয়ে বিনিয়োগকাৰীৰ সন্ধানত বিদেশলৈ যাত্ৰাৰ পূৰ্বে অসম লোকসেৱা ভৱনত সতীৰ্থ মন্ত্ৰী আৰু শীৰ্ষ বিষয়াৰ সৈতে পৰ্যালোচনাৰ বৈঠকত মিলিত হয়। এডভাণ্টাজ আছাম সন্মিলৰ পূৰ্বে প্ৰচাৰ, প্ৰসাৰ, গুৱাহাটী মহানগৰীৰ সৌন্দৰ্যবৰ্ধন, আলোকসজ্জা, পথ উন্নয়ন আদিৰ অগ্ৰগতিৰ বুজ লয়। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে প্ৰকাশ কৰা চৰকাৰী জাননী অনুসৰি এই ভ্ৰমণকালত মুখ্যমন্ত্ৰীক সংগ দিব বিধায়ক বলীন চেতিয়া, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব ড০ কে.কে দ্বিবেদী, পৰ্যটন বিভাগৰ অতিৰিক্ত মুখ্য সচিব ড০ জে.বি এক্কা, মুখ্যমন্ত্ৰীৰ নিৰাপত্তাৰ দায়িত্বত থকা আৰক্ষী বিষয়া গুণেন্দ্ৰ ডেকা, মুখ্যমন্ত্ৰীৰ ব্যক্তিগত সহায়ক সঞ্জীৱ ঘোষ। ইপিনে ব্ৰিটেইনত বিনিয়োগকাৰীক সাক্ষাতত ব্যস্ত আছে উদ্যোগ-বাণিজ্য মন্ত্ৰী বিমল বৰা। বিমল বৰাই লণ্ডনত বিনিয়োগকাৰীক সাক্ষাৎ কৰে। উত্তৰ-পূবৰ ৰাজ্য অসমত বিনিয়োগৰ সুযোগক লৈ ফেডাৰেচন অৱ ইণ্ডিয়ান চেম্বাৰ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীৰ দ্বাৰা আয়োজিত ৰোড শ্ব'ট অংশ লয়। মন্ত্ৰী বৰাই দক্ষিণ-পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে অসমৰ কৌশলগত অৱস্থান আৰু বিনিয়োগৰ বাবে অনুকূল পৰিৱেশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বহনক্ষম বিকাশ আৰু গোলকীয় অংশীদাৰিত্বৰ দিশত ৰাজ্যখনৰ যাত্ৰাত সহযোগিতা কৰিবলৈ ব্ৰিটেইনৰ ব্যৱসায়সমূহক আমন্ত্ৰণ জনায়। বিমল বৰাই কয় যে আমাৰ অংশীদাৰী ইতিহাস, বিশেষকৈ চাহ আৰু পেট্ৰ'লিয়াম খণ্ডত, কেৱল অসমৰ অৰ্থনীতিক গঢ় দিয়াই নহয়, অসম আৰু ইউকেৰ মাজত সাংস্কৃতিক আৰু প্ৰযুক্তিগত সম্পৰ্কও গভীৰ। বৈদেশিক, কমনৱেলথ আৰু উন্নয়ন কাৰ্যালয়ত যুক্তৰাজ্যৰ ভাৰত-প্ৰশান্ত মহাসাগৰীয় মন্ত্ৰী কেথেৰিন ৱেষ্টৰ সৈতে আলোচনা কৰাৰ কথা উল্লেখ কৰি বৰাই অৰ্থনৈতিক সম্পৰ্ক, গৱেষণা সহযোগিতা, শক্তি আৰু আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত পদক্ষেপ বৃদ্ধিকৰাৰ পৰিকল্পনা কৰা বুলি কয়। ৰাজ্যৰ ৰাজধানী গুৱাহাটী ভাৰতৰ উত্তৰ-পূবৰ সাত ভগ্নীৰ প্ৰৱেশদ্বাৰ হিচাপে আলোকপাত কৰি প্ৰাকৃতিক সম্পদ আৰু মানৱীয় সমৃদ্ধ অঞ্চল। মন্ত্ৰীগৰাকীয়ে লগতে অসমৰ উল্লেখযোগ্য অৰ্থনৈতিক প্ৰগতিৰ কথা উল্লেখ কৰি বিগত দশকত ১২.৬২ শতাংশ বৃদ্ধিৰ হাৰ আৰু ২০৩০ চনৰ ভিতৰত ৰাজ্যখনৰ অৰ্থনীতি দুগুণ কৰাৰ উচ্চাকাংক্ষী পৰিকল্পনাৰ কথা ব্যক্ত কৰে। ইউকেত ভাৰতৰ উপ-উচ্চায়ুক্ত সুজিত ঘোষে অসমৰ চাহ আৰু ৰেচমৰ পৰা ব্যৱসায়-অনুকূল পৰিস্থিতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাৰতৰ উল্লেখযোগ্য বিকাশ অংশ হ'বলৈ বিচৰা অসমৰ প্ৰতি ব্ৰিটেইনৰ বিনিয়োগকাৰীসকলক সুযোগ দিয়া আহ্বান জনায় বৰাই। ব্ৰিটেইনৰ ইণ্ডিয়া বিজনেছ কাউন্সিলৰ পৰিচালনা সঞ্চালক কেভিন মেককলে ইউকে-ভাৰত বাণিজ্যিক সম্পৰ্কৰ বৰ্ধিত শক্তি আৰু অসমক লাভান্বিত কৰাৰ সম্ভাৱনাৰ ওপৰত আলোকপাত কৰি সুবিধা আৰু উচ্চাভিলাষী পৰিকল্পনাৰ সৈতে অসমে বিশ্বৰ মঞ্চত উদ্ভাৱন, বাণিজ্য আৰু বহনক্ষম বিকাশৰ কেন্দ্ৰ হিচাপে নিজকে স্থান দিয়াৰ কথা উল্লেখ কৰিছে। উল্লেখ্য যে, অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত অনুষ্ঠিত হ'ব এডভাণ্টেজ আছাম ২.০। ইতিমধ্যে মুখ্যমন্ত্ৰী ড০ শৰ্মাই দিল্লী, মুম্বাইত দেশৰ ভিন্ন উদ্যোগপতি তথা প্ৰতিষ্ঠানৰ মুৰব্বীক সাক্ষাৎ কৰি আমন্ত্ৰণ জনাইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাজপেয়ী ভৱনত সভাপতিৰ সমুখতে

হৈ পৰে নেকি একাংশ নেতা? এই কথা আজি পুৰিণ বিজেপি নেতাসকলে চৰ্চা কৰিবলৈ বাধ্য হৈছে। কিয়নো ভৱেশ কলিতাৰ হাতৰ পৰা সভাপতি পদটো যোৱাৰ পিছতে ভৱেশ কলিতাৰ ঘনিষ্ঠই ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত পিটন খাবলগীয়া হৈছে। ভৱেশ কলিতাৰ হাতৰ পৰা ক্ষমতা যোৱাৰ পিছতে বিজেপিৰ মুখ্য কাৰ্যালয়ত কলিতাৰ ঘনিষ্ঠ নেতাই পিটন খাবলগীয়া হোৱাৰ খবৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিজেপিৰ অভ্যন্তৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ভৱেশ কলিতাৰ ঘনিষ্ঠ যুৱ নেতা তথা ভাৰতীয় যুৱ মৰ্চাৰ সভাপতি ৰাকেশ দাসক কাৰ্যালয়ৰ ভিতৰতে পিটন দিছে বিজেপি নেতা মৃগাংক বৰ্মনে। বিজেপিৰ প্ৰাক্তন সভাপতি সিদ্ধাৰ্থ ভট্টাচাৰ্য, ৰণজিৎ কুমাৰ দাস, ৰাজেন গোহাঁইৰ লগতে পুৰণি প্ৰভাৱশালী নেতাসকল আজিৰ তাৰিখত বিজেপিৰ ভিতৰচ'ৰাত কিমান মৰ্যাদা লাভ কৰে সেয়া অসমৰ সাংবাদমাধ্যমৰ লগতে খোদ বিজেপিৰ নেতা-কৰ্মীয়ে আলোচনা কৰা পৰিলক্ষিত হয়। বহু পুৰণি বিজেপি নেতাৰ দলত আজি কিমান মৰ্যাদা লাভ কৰিবলৈ সক্ষম হয় তাকে লৈ প্ৰশ্ন অৱতাৰণা হৈ অহাৰ সময়তে এইবাৰ তদানীন্তন সভাপতি ভৱেশ কলিতাৰ ঘনিষ্ঠ নেতাক ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত পিটন দিছে আন এজন নেতাই। এই ঘটনা সংঘটিত হয় আজি ৰাজ্যিক নতুন সভাপতি দিলীপ শইকীয়াই কাৰ্যালয়ত বহি কাৰ্যভাৰ গ্ৰহণৰ দিনটোতে। ভৱেশ কলিতাই শইকীয়াৰ হাতলৈ ক্ষমতা হস্তান্তৰ ঘটোৱাৰ প্ৰথম দিনটোতে বাজপেয়ী ভৱনত তীব্ৰ সংঘাত হৈছিল। দুটা ফৈদৰ মাজত লগা সংঘাতে এটা সময়ত হতা-হতিলৈ ৰূপান্তৰিত হৈছিল। বিজেপিৰ এটি সূত্ৰই দাবী কৰা মতে দিলীপ শইকীয়াই সভাপতিৰ পদ চমজি লোৱাৰ দিনটোতে ভাৰতীয় যুৱ মৰ্চাৰ সভাপতিক ৰাকেশ দাসক মুখ্য কাৰ্যালয়তে জ্যেষ্ঠ নেতা মৃগাংক বৰ্মনে প্ৰহাৰ কৰিছিল। কোনো কথাক লৈ ৰাকেশ দাস আৰু মৃগাংক বৰ্মনৰ প্ৰথমে তৰ্কা-তৰ্কি লাগিছিল। তাৰ পিছতে ৰাকেশ দাসৰ গাত হাত দিয়ে মৃগাংক বৰ্মনে। তাৰ পিছতে একাংশ জ্যেষ্ঠ নেতাই দুয়ো নেতাৰ কাজিয়াত হস্তক্ষেপ কৰে। আৰু এই কথা কাৰ্যালয়ৰ বাহিৰলৈ নিনিবলৈ সতৰ্ক কৰি দিছিল। কিন্তু দুটা লবীৰ মাজত ৰাজ্যিক কাৰ্যালয়ত সংঘাত অব্যাহত থকাত এটা লবীয়ে এই কথা সংবাদমাধ্যমক অৱগত কৰে। ৰাকেশ দাস বৰ্তমান যিটো পদবীত আছে সেই পদবীটোত পূৰ্বে আছিল মৃগাংক বৰ্মন। মৃগাংক বৰ্মনক সকলোৱে পুৰণি বিজেপি নেতা বুলিয়েই জানে। কিন্তু বাজপেয়ী ভৱনত ক্ৰমে পুৰণি নেতাৰ মান-মৰ্যাদা নোহোৱা হৈছে। কংগ্ৰেছৰ পৰা অহা একাংশ নেতাই কাৰ্যালয়টো কব্জা কৰা বুলি অভিযোগ উত্থাপিত হৈ থকাৰ মাজতে মাথো ৮-৯ মাহ পূৰ্বে বিজেপিৰ আদৰ্শৰ সৈতে জড়িত ৰাকেশ দাসৰ ওপৰত পুৰণি নেতা এজনে কিয় হাত তুলিবলগীয়া পৰ্যায় পালে তাকে লৈ বিজেপিৰ ভিতৰচ'ৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইপিনে প্ৰহাৰৰ বলি ৰাকেশ দাসে দলীয় কথাৰ পৰিৱৰ্তে ব্যক্তিগত কথাত মতানৈক্য হোৱা বুলি অৱগত কৰিছে একাংশ সাংবাদিকক। পূৰ্বতে এবিভিপিৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক সম্পাদক আছিল ৰাকেশ দাস। তদানীন্তন ৰাজ্যিক সভাপতি ভবেশ কলিতা ঘনিষ্ঠ ভাৰতীয় যুৱ মৰ্চাৰ সভাপতিৰ দায়িত্ব লাভ কৰিছিল ৰাকেশ দাসে। সততে নিয়মানুবৰ্তিতা, সুশৃংখল দল বুলি জহোৱা বিজেপিৰ মুখ্য কাৰ্যালয়টোত পূৰ্বে নিশাৰ পৰত নাৰীৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছিল। এইবাৰ দলীয় নেতাৰ মাজত লগা মাৰপিটত বিৰোধী কংগ্ৰেছে বিজেপিক আক্ৰমণ কৰাৰ সুবিধা লাভ কৰিছে। কংগ্ৰেছৰ নেতাই বিজেপিক আক্ৰমণ কৰা পলিক্ষিত হৈছে। কংগ্ৰেছ নেত্ৰী ৰূপা কলিতাই এই ঘটনাক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ৰূপা কলিতাই কয় যে বাজপেয়ী ভৱনত যুৱ মৰ্চাৰ মাননীয় সভাপতি ৰাকেশ দাসক বোলে প্ৰাক্তন সভাপতি মৃগাংক বৰ্মনে ঘুচিয়াই নাক ভাঙিলে, হয়নে ৰাইজ? ইফালে, এই সমগ্ৰ ঘটনাক একাংশৰ অপপ্ৰচাৰ আখ্যা দিছে মৃগাংক বৰ্মনে। সংবাদ মাধ্যমত চৰ্চা চলাৰ দৰ একো হোৱাই নাই বুলি দাবী কৰে বিজেপি নেতাজনে। বিপৰীতে ৰাকেশ দাসে ব্যক্তিগত কথাক লৈ কথাৰ কটাকটি হোৱা বুলি কয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

প্ৰথম পৃষ্ঠাৰ পৰা...

# উমৰাংছুত স্কুল বাছ দুৰ্ঘটনাগ্ৰস্ত

সংঘটিত হৈছে। কণ কণ ছাত্ৰ-ছাত্ৰী ভৰ্তি এখন স্কুলবাছ পথৰ পৰা দাঁতিত বাগৰি পৰাত কণমানি ছাত্ৰীয়ে প্ৰাণ হেৰুৱায়। ছাত্ৰীগৰাকী তৃতীয় শ্ৰেণীৰ ৯ বছৰীয়া ডালিমি ৰংহাংপি। পুৱা প্ৰায় ৭:১৫ বজাত উমৰাংছু আৰক্ষী থানা এলেকাৰ লংকা-উমৰাংছু পথৰ ১৯ কিলোত দুৰ্ঘটনা সংঘটিত হয়। স্কুল বাছখন পুৱাই ঘৰে ঘৰে ছাত্ৰক উঠাই লংকা-উমৰাংছু পথেৰে উমৰাংছু টাউনলৈ আহি আছিল। তেনে সময়তে বাছখন বাগৰি পৰাত মুহূৰ্ততে হুৱা-দুৱা লাগে। স্থানীয় লোকে ছাত্ৰ-ছাত্ৰীক উদ্ধাৰৰ বাবে দৌৰা-দৌৰি কৰে যদিও পাহাৰীয়া এলেকা হোৱাৰ বাবে উদ্ধাৰ অভিযানত কিছু বিলম্ব হয়। কিছু সময় পিছত আৰক্ষী উপস্থিত হৈ ৰাইজৰ সৈতে উদ্ধাৰ অভিযান চলায়। কিন্তু এটা কণমানিয়ে প্ৰাণ হেৰুৱায়। ১৫ জন ছাত্ৰ আহত হয়। আহত ১৫ জন শিক্ষাৰ্থীৰ ভিতৰত দুজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। উন্নত চিকিৎসাৰ বাবে হোজাইৰ এইচএএম চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে। বাকী শিক্ষাৰ্থীসকলক স্থানীয় চিকিৎসালয়ত সামান্য আঘাতৰ বাবে চিকিৎসা কৰি ঘৰলৈ যাবলৈ দিয়া হয়। উমৰাংছুলৈ গৈ থকা অৱস্থাত দুৰ্ঘটনাত পতিত স্কুল বাছখন যিখিনি ঠাইত দুৰ্ঘটনাত পতিত হৈছে সেই ঠাইখিনি পাহাৰীয়া আৰু ৰাস্তাটো একাবেঁকা। একে-বেঁকা পথৰ অংশত গাড়ীখনে নিয়ন্ত্ৰণ হেৰুৱায়। বাছখন পথৰ পৰা আঁতৰি এনইচিইএম চিমেণ্ট কাৰখানাৰ সমীপতে দুৰ্ঘটনাগ্ৰস্ত হয়। ডিমা হাচাওৰ আৰক্ষী অধীক্ষক মায়াংক কুমাৰ ঝাই নিশ্চিত কৰি কয় যে উমৰাংছুৰ ১৯ কিলো বেঁকা-বেকি পথত স্কুল বাছখনে নিয়ন্ত্ৰণ হেৰুৱাইছিল। এগৰাকী ছাত্ৰীক চিকিৎসকে মৃত ঘোষণা কৰে। আনহাতে গুৰুতৰভাৱে আহত দুই ছাত্ৰৰ চিকিৎসা চলি আছে। দুৰ্ঘটনাটোৰ তদন্ত আৰম্ভ হৈছে। মৃত ছাত্ৰীগৰাকীৰ মৰণোত্তৰ পৰীক্ষা কৰা হৈছে। স্থানীয় বাসিন্দাসকলে আৰক্ষীৰ সৈতে উদ্ধাৰ অভিযানত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, যাৰ ফলত আহতসকলক উদ্ধাৰত সহায়ক হয়। এই দুৰ্ঘটনাই সমগ্ৰ উমৰাংছুক জোকাৰি গৈছে। ছাত্ৰীগৰাকীৰ মৃত্যুত শোকত ভাগি পৰিছে স্থানীয় ৰাইজ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভয়তে গাঁৱলৈ নাযায় বিজেপি নেতা

পৰ্যায়ত অৱস্থা ভাল নহয়। বিজেপি নেতা সকলে গাঁওবিলাকলৈ যাবলৈ ভয় কৰা হৈছে।" আজি বেতবাৰীৰ দুটা স্থানত উপস্থিত থাকি এই মন্তব্য কৰে যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে। শেহতীয়াকৈ পঞ্চায়ত নিৰ্বাচন কিছু পলমকৈ অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ পিছতে শাসকীয় দল তথা চৰকাৰৰ বিৰুদ্ধে অধিক সৰৱ হৈ পৰিছে গৌৰৱ গগৈ। বিজেপিয়ে যোৱা বিধানসভা নিৰ্বাচন, লোকসভা নিৰ্বাচনৰ পূবে দিয়া প্ৰতিশ্ৰুতি সমূহ পূৰণ কৰিব নোৱাৰি আভুৱাভাৰি থকা বাবেই পঞ্চায়ত নিৰ্বাচন পিছুৱাই থকা বুলি তীব্ৰ সমালোচনা কৰে। বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ সাংস্কৃতিক শোভাযাত্ৰাৰ পিছতে সংবাদ মাধ্যমৰ আগত বিজেপিৰ বিৰুদ্ধে সৰৱ হৈ পৰে। গৌৰৱ গগৈয়ে কয়, "বিজেপিয়ে পঞ্চায়ত নিৰ্বাচন খেলিব পৰাকৈ প্ৰাৰ্থীয়েই বিচাৰি পোৱা নাই। কোনটো পঞ্চায়তৰ কোনটো ৱাৰ্ডত কাক পক্ষেপ কৰিব তাক ঠিক কৰিব নোৱাৰা অৱস্থা হৈছে। সেয়ে আন দলৰ পৰা মানুহ বিচাৰি আছে। বিজেপি বুলি পৰিচয় দি গাঁৱৰ ভিতৰত সোমাব নোৱাৰে এতিয়া। মহিলাসকলৰ ওচৰত যাব নোৱাৰে। গ'লেই মহিলাসকলে বিজেপিক সুধিব, তোমালোকে যে গছপুলি ৰুলে দহ হেজাৰ টকা দিম কৈছিলা সেই টকা ক'ত গ'ল ? গ'লেই আত্মসহায়ক গোট সমূহে সুধিব যে লাখপতি বনাম বুলি ফৰ্ম ফিলাপ কৰিবলৈ যে দিছিলা এতিয়া ক'ত লাখপতি কৰিলা? এই প্ৰশ্নৰ উত্তৰ নথকাৰ বাবেই বিজেপিৰ কোনো তৃণমূল কৰ্মীয়ে প্ৰাৰ্থী হ'ব বিচৰা নাই।" এনে বিলাক দুৰৱস্থাৰ পৰা নিজকে বচাবলৈকে বিজেপিয়ে অতি কৌশলেৰে পঞ্চায়ত নিৰ্বাচন পিছুৱাই থকা বুলি সমালোচনা কৰিছে গৌৰৱ গগৈয়ে। এনে বিলাক কৌশল অৱলম্বন কৰি যাতে পঞ্চায়ত নিৰ্বাচন অধিক পিছুৱাই থাকিব নোৱাৰে তাৰ বাবে কংগ্ৰেছ দলে হেঁচা প্ৰয়োগ কৰিব বুলিও ব্যক্ত কৰিছে কংগ্ৰেছৰ সাংসদগৰাকীয়ে। অন্যহাতে মধ্য বেতবাৰীত উপস্থিত হোৱাৰ পূৰ্বে পুৱাই গৌৰৱ গগৈয়ে শিৱসাগৰ বেতবাৰী নিমাইজানৰ সাংস্কৃতিক ৰংগমঞ্চত অনুষ্ঠিত এখন সভাত অংশগ্ৰহণ কৰি চৰকাৰৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰে। দেশত এতিয়া বিজেপিয়ে অপশাসন চলোৱা বুলি উল্লেখ কৰি গৌৰৱ গগৈয়ে কয়, "ৰাইজক চৰকাৰে বাৰুকৈয়ে অন্যায় কৰিছে। দেশত আটাইতকৈ ধনীসকলে বেছি সুবিধা পাইছে। কিন্তু মধ্যবিত্ত, দুখীয়াসকলে পাবলগীয়া সা-সুবিধা লাভ কৰা নাই, কৰৰ বোজাহে বৃদ্ধি কৰিছে। আমি ৰাইজৰ মাজত থাকি ভালপাওঁ। সেয়ে ৰাইজৰ দুখ বুজি পাওঁ। ক্ষমতা থাকক বা নাথাকক আমি ৰাইজৰ মাজত থাকি কাম কৰিব বিচাৰো।" শাসকীয় দলে বিকাশ হৈছে বুলি ভুৱা প্ৰচাৰ চলাই থকা বুলিও ভাষণত উল্লেখ কৰে গৌৰৱ গগৈয়ে। সভাত অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক অজয় গগৈ, শুভ মিত্ৰ গগৈকে ধৰি কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে। ইপিনে আগন্তুক পঞ্চায়ত আৰু বিধানসভা নিৰ্বাচনত আন বিৰোধী দলসমূহৰ সৈতে ঐক্যবদ্ধ হৈ নিৰ্বাচনত অৱতীৰ্ণ হ'ব নে নহয়, নে কংগ্ৰেছে অকলেই খেলিব সেই বিষয়ে সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত কৌশলী মন্তব্য কৰে গৌৰৱ গগৈয়ে। সকলোৰে বাবে আলোচনাৰ দ্বাৰ মুকলি থাকিব বুলি উল্লেখ কৰে যদিও ৰাইজৰ দল, অসম জাতীয় পৰিষদ আদি বিৰোধী দলসমূহৰ সৈতে মিত্ৰতা কৰিব নে নকৰে তাৰ কোনো স্পষ্ট ইংগিত নিদিলে কংগ্ৰেছ নেতা তথা যোৰহাট লোকসভা সমষ্টিৰ সাংসদগৰাকীয়ে।

# ২৪তম বাহিনী এছএছবি ৰঙিয়াৰ দ্বাৰা কম্পিউটাৰ প্ৰশিক্ষণ পাঠ্যক্ৰমৰ সফল সামৰণি

**ই-সংবাদ, বৰপেটাৰোড, ১৮ জানুৱাৰীঃ** দীপক সিং, কমাণ্ডেণ্টৰ নিৰ্দেশত ২৪তম বাহিনী সশস্ত্ৰ সীমা বল ৰঙিয়াই "পূৰ্বোত্তৰ নাগৰিক কল্যাণ কাৰ্যসূচী"ৰ অন্তৰ্গত তামুলপুৰস্থিত "কেৰিয়াৰ ইনফো" প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বাৰা চলোৱা ৩০ দিনীয়া কম্পিউটাৰ প্ৰশিক্ষণ কোৰ্চ ডা. ডোমা লাচেনপা, কমাণ্ডেণ্ট (চিকিৎসা)ৰ উপস্থিতিত আজি সমাপ্ত কৰে। এই প্ৰশিক্ষণৰ সময়ছোৱাত সীমান্ত অঞ্চলৰ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক কম্পিউটাৰৰ লগত সম্পৰ্কিত বিভিন্ন ধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। ডা. ডোমা লাচেনপাই উপস্থিত সকলো ছাত্ৰ-ছাত্ৰীক সম্বোধন কৰি কম্পিউটাৰৰ বিভিন্ন সুবিধাৰ বিষয়ে আলোচনা কৰে। তেওঁ কয় যে, আধুনিক শিক্ষাৰ লগতে এইটো পেচাগতভাৱে বৰ্তমানৰ পৰিস্থিতিত অতি লাভজনক বিষয়। ২৪তম বাহিনী ৰঙিয়াই সময়ে সময়ে জনহিতৰ বাবে এনে ধৰণৰ লাভজনক বিষয়ৰ ওপৰত যুৱক-যুৱতী আৰু মহিলাসকলক প্ৰশিক্ষণ দিয়ে। তেওঁ লগতে কয় যে, ২৪তম বাহিনী সশস্ত্ৰ সীমা বলৰ দ্বাৰা যথাসম্ভৱ চেষ্টা চলাই যোৱা হৈছে যাতে সীমান্ত অঞ্চলৰ নাগৰিক আৰু ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যৎৰ বাবে এনে কাৰ্যসূচীৰ আয়োজন কৰা হয়। ইয়াৰ জৰিয়তে সীমান্ত অঞ্চলৰ নাগৰিকক আত্মনিৰ্ভৰশীল আৰু অৰ্থনৈতিকভাৱে সক্ষম কৰি তোলা যায় আৰু আমাৰ দেশ আগবাঢ়ি যায়। তেওঁ লগতে উল্লেখ কৰে যে, ২৪তম বাহিনী এছএছবি ৰঙিয়া ভৱিষ্যতো এনে কাৰ্যসূচীৰ আয়োজন কৰি থাকিব। সেয়ে তেওঁ জনাই যে সশস্ত্ৰ সীমা বলৰ লক্ষ্য হৈছে "সেৱা, সুৰক্ষা আৰু ভাতৃত্ব।" সীমান্ত অঞ্চলৰ নাগৰিকৰ কল্যাণৰ বাবে তেওঁলোকে সদায় প্ৰস্তুত থাকিব। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা সীমান্ত অঞ্চলৰ নাগৰিক অতি উচ্ছ্বসিত হয় আৰু এই প্ৰশিক্ষণৰ ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত ২৪তম বাহিনীৰ অন্যান্য বিষয়া-কৰ্মীসকল উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নামতহে জিলাই জিলাই মেডিকেল

উন্মোচিত হৈছে। ৰাজ্য চৰকাৰৰ ভুল চিকিৎসা নীতিৰ বাবে ৰাজীৱ শদিয়াৰ দৰে জাতিক ভালপোৱা প্ৰতিভাধৰ শিল্পী এগৰাকীৰ মৃত্যু হোৱা বুলি এতিয়া ছ'চিয়েল মিডিয়াত বিভিন্ন চিকিৎসকৰ লগতে কেবাটাও দল-সংগঠনৰ নেতৃত্বই অভিযোগ উত্থাপন কৰিছে। তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত হৃদৰোগ চিকিৎসাৰ সুব্যৱস্থা থকা হ'লে ৰাজীৱ শদিয়াৰ মৃত্যু নহ'লহেতেন বুলি এতিয়া শিল্পীগৰাকীৰ ঘনিষ্ঠমহলে অভিযোগ কৰিছে। ভোগালীৰ উৰুকাৰ আগনিশা ফিল'বাৰীত সংগীত পৰিৱেশন কৰি থকাৰ সময়তে শিল্পীগৰাকী মঞ্চতে ঢলি পৰাৰ পিছত তিনিচুকীয়া অসামৰিক চিকিৎসালয় অথবা তিনিচুকীয়া মেডিকেল কলেজৰ পৰিৱৰ্তে তেওঁক নিয়া হৈছিল ৰূপাই চাৰিআলিৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ। এই চিকিৎসালয়খনতো হৃদৰোগ আক্ৰান্তৰ চিকিৎসাৰ সুব্যৱস্থা নাছিল। যাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয় অৰ্থাৎ ডিব্ৰুগড়লৈ নিবলগীয়া হৈছিল গণশিল্পীগৰাকীক। ফিল'বাৰীৰ পৰা ডিব্ৰুগড়লৈ প্ৰায় ২ ঘণ্টাৰ বাট। হৃদৰোগত আক্ৰান্ত ৰোগীৰ বাবে যি গল্ডেন সময় থাকে সেয়া ইতিমধ্যে পাৰ হৈ গৈছিল। ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত কাৰ্ডিঅ'লজি বিভাগ আছে যদিও চিকিৎসাৰ গাফিলতি হোৱা বুলি শদিয়াৰ ঘনিষ্ঠ সূত্ৰই প্ৰকাশ কৰিছে। এতিয়া মূল বিষয়টো হ'ল মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জিলাই জিলাই চিকিৎসা মহাবিদ্যালয় প্ৰতিষ্ঠা কৰাৰ যি সপোন দেখিছে সেয়া বাস্তৱমুখী হয় নে নহয়? চিকিৎসা মহাবিদ্যালয়ৰ ঘৰ আৰু সা-সজুলিখিনি থাকিলেই ৰাইজে চিকিৎসা সেৱা পাবনে? ১৮খন চিকিৎসা মহাবিদ্যালয়ৰ প্ৰায় সংখ্যকতে নাই কাৰ্ডিঅ'লজি আৰু নিউৰ'লজি বিভাগ। হৃদৰোগত আক্ৰান্ত হ'লে এই দুটা বিভাগৰ চিকিৎসক থকাতো অত্যন্ত জৰুৰী। ৰাজীৱ শদিয়াৰ মৃত্যুৰ কাৰণো এতিয়া সুচিকিৎসাৰ অভাৱ বুলি চৰ্চিত হৈছে। লাখ লাখ কোটি টকাৰ ঋণ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমত চিকিৎসা সেৱাৰ আন্তঃগাথনি মজবুত কৰা বুলি দাবী কৰি আহিছে যদিও প্ৰকৃততে ৰাজীৱ শদিয়াৰ মৃত্যুৱে ইয়াৰ আন্তঃসাৰশূন্যতা দেখুৱাই দিছে। অসম জাতীয় দলৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই ৰাজীৱ শদিয়াৰ মৃত্যু সুচিকিৎসাৰ অভাৱতে হোৱা বুলি অভিযোগ কৰিছে। ভূঞাই কয় যে তিনিচুকীয়া অসামৰিক চিকিৎসালয় অথবা তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত সুচিকিৎসাৰ ব্যৱস্থা থকা হ'লে ৰাজীৱ শদিয়াক দুঘণ্টা পথ অতিক্ৰম কৰি ডিব্ৰুগড়ত থকা অসমত চিকিৎসা মহাবিদ্যালয়লৈ নিবলগীয়া নহ'লহেতেন। ইফালে, অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰায়ো ৰাজীৱ শদিয়াৰ মৃত্যুৰ কাৰণ প্ৰকৃত চিকিৎসাৰ অভাৱ বুলি উল্লেখ কৰি এই বিষয়টোৰ এক তদন্ত দাবী কৰিছে। ৰাজ্য চৰকাৰৰ ১৮খন চিকিৎসা মহাবিদ্যালয়ৰ ক'ত ক'ত কি কি বিভাগ আছে আৰু চিকিৎসক আছে সেই তথ্য সদৰী কৰিবলৈকো বৰাই আহ্বান জনাইছে। মেডিকেল কাউন্সিল অব ইণ্ডিয়াৰ নীতি অনুসৰি অসমৰ চিকিৎসা মহাবিদ্যালয়সমূহত উপলব্ধ হ'বলগা বিভাগ আৰু চিকিৎসক আছে নে নাই সেই বিষয়েও ৰাইজক অৱগত কৰিবলৈ মুখ্যমন্ত্ৰীৰ প্ৰতি দাবী জনাই বৰাই। উল্লেখ্য যে, ৰাজ্যত নতুনকৈ প্ৰায় ১৫খন চিকিৎসা মহাবিদ্যালয় স্থাপিত হ'লেও সেইসমূহৰ অধিকাংশতে নাই প্ৰয়োজনীয় আন্তঃগাথনি আৰু চিকিৎসক। ফলত আজিও গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ আৰু বৰপেটাত থকা চিকিৎসা মহাবিদ্যালয় কেইখনক বাদ দি প্ৰায়বোৰ চিকিৎসা মহাবিদ্যালয়ত জটিল ৰোগৰ চিকিৎসা একপ্ৰকাৰ সম্ভৱ নহয় বুলিব পাৰি। এইকেইখন চিকিৎসা মহাবিদ্যালয়ক বাদ দি বাকী চিকিৎসা মহাবিদ্যালয়সমূহ নামত থাকিলেও আৰু সংখ্যা বৃদ্ধি কৰিলেও ৰাইজৰ কামত অহা নাই বুলিও অভিযোগ উঠিছে।

# কলংপৰীয়া শাখা সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণি, মুখপত্ৰ 'সাঁকো' উন্মোচন

**ই-সংবাদ, পুৰণিগুদাম, ১৮ জানুৱাৰীঃ** অসম সাহিত্য সভা ৰাইজৰ মঞ্চ। ইয়াৰ ১০৮ বছৰীয়া ইতিহাস আছে। অসমৰ ভাষা, সাহিত্য, সংস্কৃতিৰ বিকাশৰ বাবে অসম সাহিত্য সভাই কাম কৰি আহিছে। কিন্তু ১৯ শতিকা আৰু একৈশ শতিকাত যিটো ভাষাৰ সংকট আৰু বিগত ১০ বছৰত আমি যদি চাওঁ, অসমীয়া মাতৃভাষা মাধ্যমৰ ১০ হাজাৰৰো অধিক স্কুল বন্ধ হৈ গ'ল। ই কিন্তু অসমীয়া ভাষা আৰু জাতিটোৰ কাৰণে শুভ লক্ষণ নহয়।- এই মন্তব্য অসম সাহিত্য সভাৰ নগাঁও জিলাৰ সভাপতি থগিত মহন্তৰ। যোৱা ১২ জানুৱাৰীত নগাঁও জিলাৰ কলংপৰীয়া শাখা সাহিত্য সভাৰ ৪৪৭ নং ভোটাইগাঁও নিম্ন বুনিয়াদী বিদ্যালয় প্ৰাংগণত দুদিনীয়াকৈ অনুষ্ঠিত হোৱা পঞ্চবিংশতিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত উপস্থিত থাকি নগাঁও জিলাৰ সাহিত্য সভাৰ সভাপতি মহন্তই আৰু কয় যে সাহিত্য সমাজৰ দাপোণস্বৰূপ। সকলো মানুহে বুজিব পৰাকৈ সাহিত্য সৃষ্টি কৰিব পাৰিব লাগিব। কলংপৰীয়া শাখা সাহিত্য সভাৰ সভাপতি থুলেশ্বৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত ভাষণ প্ৰসংগত মহন্তই আৰু কয় যে আমি নিজকে অসমীয়া বুলি কওঁ। কিন্তু এটা বিশেষ শ্ৰেণী বা সম্প্ৰদায়ক লৈ অসমীয়া জাতি আৰু অসমীয়া ভাষা সৃষ্টি হোৱা নাই। ফৰাচী সাহিত্যিক, বুৰঞ্জী লেখক এডৱাৰ্ড ব্ৰাউনে কৈছিল যে, ভাষাৰ যদি অধঃপতন হয়। ভাষাৰ অধঃপতনে এটা জাতিৰো অধঃপতনৰ আগজাননী দিব পাৰে। কলংপৰীয়া শাখা সাহিত্য সভাৰ উপ-সভাপতি কুমুদ চন্দ্ৰ বৰাই আঁত ধৰা সভাখনত আদৰণি ভাষণ প্ৰদান কৰে কলংপৰীয়া শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কমলাকান্ত বৰাই। সভাত দীপিকা বৰাৰ সম্পাদনাত প্ৰস্তুত কৰি উলিওৱা শাখাৰ মুখপত্ৰ 'সাঁকো' উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা নগাঁও জিলা সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি ড০ শৰৎ বৰকটকীয়ে। উন্মোচক ড০ বৰকটকীয়ে ভাষণত কয় যে শাখাই প্ৰস্তুত কৰি উলিওৱা মুখপত্ৰখন একোখন ক্ষুদ্ৰ আলোচনীৰ ভিতৰত পৰে। ই সমাজৰ দলিলস্বৰূপ। এটা জাতিক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত এই ক্ষুদ্ৰ আলোচনীবোৰৰ এটা বিশেষ ভূমিকা থাকে। নতুন প্ৰজন্মৰ লেখক সৃষ্টি কৰিব পাৰে এই আলোচনীসমূহে। কিন্তু বৰ্তমান সময়ত উঠি অহা প্ৰজন্মৰ মাজত গ্ৰন্থ পঢ়াৰ মানসিকতা কমি আহিছে বুলি ভাষণত বৰকটকীয়ে উল্লেখ কৰে। সভাত শাখাৰ সম্পাদক দীপাংকৰ ভূঞাই বিগত কাৰ্যকালৰ দুবছৰীয়া প্ৰতিবেদন পাঠ কৰে। সভাত অৱসৰপ্ৰাপ্ত আঞ্চলিক বন বিষয়া তথা লেখক মহেশ নাথে ভাষণ প্ৰদান কৰে। সভাত শাখাৰ প্ৰাক্তন সভাপতি ক্ৰমে কাতিৰাম বৰা, নৰেন্দ্ৰ নাথ বৰা, শৈলেন্দ্ৰ গোস্বামী, অৱসৰপ্ৰাপ্ত শিক্ষক পুনিৰাম শইকীয়া, লেখক ময়ূৰ বৰা, অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক পুতুল শৰ্মা, কলংপৰীয়া বাৰগঞা সমাজৰ সম্পাদক দিলীপ বৰা, বিশিষ্ট লেখক,শিল্পী গোলাপ বৰা, শাখাৰ প্ৰাক্তন বিষয়বীয়া বিৰিঞ্চি কুমাৰ বৰা,খগেন্দ্ৰ নাথ, উমাকান্ত কলিতা, প্ৰিয়ম্বদা শইকীয়া, শাখাৰ সহঃ সম্পাদক গুণকান্ত বৰা, মিত্ৰকমল বৰাকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত আছিল। সভাত শলাগৰ শৰাই আগবঢ়ায় আদৰণি সমিতিৰ সম্পাদক তথা সাংবাদিক জয়ন্ত বৰাই। এই সভাতে অধিৱেশনৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত হোৱা ৰচনা, কুইজ, সাধুকোৱা, চিত্ৰাংকন আৰু বৰগীত প্ৰতিযোগিতাৰ স্থানপ্ৰাপ্তসকলক পুৰস্কৃত কৰা হয়।লগতে উক্ত সভাতে ২০২৩ আৰু ২০২৪ বৰ্ষত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বৃহত্তৰ অঞ্চলৰ ১৫ গৰাকী কৃতী শিক্ষাৰ্থীক অভিনন্দন জনোৱা হয়। সন্ধ্যা বন্তি প্ৰজ্বলনেৰে শাখাৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ সামৰণি পৰে। ১১ জানুৱাৰীৰ বিষয় বাছনি সভাত ২০২৫-২৭ বৰ্ষৰ বাবে গোলাপ বৰাক সভাপতি, দীপাংকৰ ভূঞা আৰু জয়ন্ত বৰাক যুটীয়া সম্পাদক হিচাপে লৈ ন-সমিতি গঠন কৰা হয়।

## শিক্ষা ব্যৱস্থাই চৰিত্ৰ, মানসিক স্বাস্থ্যৰ শ্ৰীবৃদ্ধি কৰিব পাৰিব লাগিবঃ জিতেন হাজৰিকা

# বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি

**ই-সংবাদ, শিৱসাগৰ, ১৮ জানুৱাৰীঃ** "আমাৰ শিক্ষা ব্যৱস্থাই চৰিত্ৰ, মানসিক স্বাস্থ্যৰ শ্ৰীবৃদ্ধি কৰিব পাৰিব লাগিব। মানৱীয় প্ৰমূল্যবোধ গঢ়িব পাৰিব লাগিব। চৰিত্ৰ আৰু মানসিক স্বাস্থ্যৰ শ্ৰীবৃদ্ধি হ'লেহে আমি প্ৰকৃত প্ৰগতি হোৱা বুলি ক'ব পাৰিম। ধন-টকা আহৰণেই প্ৰকৃত প্ৰগতি নুবুজায়।"- বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আজি এই মন্তব্য কৰে শিৱসাগৰ বিশ্ববিদ্যালয় আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জীতেন হাজৰিকাই। তেওঁ লগতে বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠাৰ সৈতে জড়িত ব্যক্তিসকলক শ্ৰদ্ধাৰে স্মৰণ কৰি এই বিদ্যালয়খন যাতে অধিক উন্নতিৰে আগুৱাই যায় তাৰ বাবে বৰ্তমান কৰ্মৰত শিক্ষক-শিক্ষয়ত্ৰীসকলে যথেষ্ট কষ্ট কৰিব লাগিব বুলি পৰামৰ্শ আগবঢ়ায়। যোৱা ১৫ জানুৱাৰীৰ পৰা চাৰিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ অন্তিম দিনাৰ মুকলি সভাত ভাষণ প্ৰসংগত উপাচাৰ্য ড° জীতেন হাজৰিকাই আৰু কয়, "বৰ্তমান প্ৰতিযোগিতাৰ সৃষ্টি হৈছে। ইয়াৰ মাজতে বহু চৰকাৰী বিদ্যালয় বন্ধ হৈ গৈছে। বিদ্যালয় সংলগ্ন কৰা বা একত্ৰিকৰণ কৰাত বাধা দি লাভ নাই। বিদ্যালয় এখন জীয়াই ৰাখিবলৈ ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰয়োজন অনুসৰি শিক্ষক-শিক্ষয়িত্ৰী থাকিব লাগিব। বিদ্যালয় থকা ঠাইখিনিৰ বাট-পথ উন্নত কৰিব লাগিব। চৰকাৰী শিক্ষকসকলে সৰ্বসাধাৰণ ৰাইজক পাহৰি যাব নালাগিব। ৰাইজেও চেষ্টা কৰিব লাগিব। প্ৰয়োজনত অঞ্চলটোৰ গুণী-জ্ঞানীসকলে মাত মাতিব লাগিব।" ইয়াৰ উপৰিও বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰখনৰো উচ্চ প্ৰশংসা কৰাৰ লগতে শিক্ষানুষ্ঠানখনে সুৰজিত কোঁৱৰৰ দৰে ৰসায়ন বিজ্ঞান বিভাগৰ গৱেষক, অধ্যাপক দিয়া বুলি সদৰী কৰে। শিক্ষক, লেখক অশোক কটকীয়ে সভাখন আঁত ধৰাৰ লগতে বিদ্যালয়খনৰ ইতিবৃত্তি সন্দৰ্ভত চমু ভাষণ প্ৰদান কৰে। এই সভাতে প্ৰয়াত শিক্ষক শৈলেন বুঢ়াগোঁহাইয়ে লিখি থৈ যোৱা "Basics of English Grammar" নামৰ এখন গ্ৰন্থ উন্মোচন কৰে বিশিষ্ট শিক্ষক উমা কোঁৱৰে। তেওঁ গ্ৰন্থখন উন্মোচন কৰি শৈলেন বুঢ়াগোঁহাইক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে তেওঁ জীৱিত কালত এই গ্ৰন্থখন উন্মোচন কৰিবলৈ পোৱা হ'লে ভাল পালেহেঁতেন বুলি মন্তব্য কৰে। তেওঁ আৰু কয়, "শিক্ষা আৰু জ্ঞানৰ মাজত পাৰ্থক্য আছে। শিক্ষিত হ'লেই নহ'ব, জ্ঞানীয়ো হ'ব লাগিব। শিক্ষা এডাল জখলাৰ দৰে। জখলা স্বৰূপ শিক্ষাৰ যোগেদি জ্ঞান আহৰণ কৰিব লাগিব।" সভাত বিশিষ্ট চিকিৎসক, লেখক ডা: সৌৰভ বুঢ়াগোঁহাইয়ে শিক্ষক এগৰাকীৰ প্ৰভাৱ কেৱল শ্ৰেণী কোঠা বা স্কুলৰ মাজতে সীমাবদ্ধ নাথাকে, সমাজৰ বিভিন্ন স্তৰত প্ৰভাৱ পেলাবলৈ সক্ষম হয় বুলি ব্যক্ত কৰে। লগতে তেওঁ কয়, "শিক্ষক এজনে ছাত্ৰ এজনৰ চৰিত্ৰ গঠনতো ডাঙৰ ভূমিকা লয়। শিক্ষকজনে নজনাকৈয়ে বহু ছাত্ৰ-ছাত্ৰীৰ ওপৰত প্ৰভাৱ পৰে। গোটেই জীৱনজুৰি প্ৰভাৱ পৰিব পাৰে। এজন শিক্ষক হ'বলৈ পোৱাতো বহুত গৌৰৱৰ কথা। "ইয়াৰ উপৰিও একালত বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ক্ৰীড়া দলে অসমৰ ভিন্ন প্ৰান্তত কিদৰে উজলি উঠিছিল, সুনাম কঢ়িয়াইছিল সেই বিষয়ে উল্লেখ কৰে। ইয়াৰ পিছতে ১৯৯৬ৰ বেচ্ছৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰকাশ কৰি উলিওৱা "শেৱালিৰ সুবাস বুটলি " আৰু ১৯৭৫ বেচ্ছৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা প্ৰকাশিত "স্মৃতিৰ সুবাস বুটলি" শীৰ্ষক গ্ৰন্থ দুখন উন্মোচন কৰে। ৰঞ্জন কোঁৱৰে শলাগৰ শৰাই আগবঢ়োৱা উক্ত সভাতে প্ৰাক্তন ছাত্ৰ সীমান্ত কোঁৱৰে বিদ্যালয়লৈ কিতাপৰ টোপোলা আগবঢ়ায়। সভাত উদযাপন সমিতিৰ সভাপতি মুহী চেতিয়া, বেতবাৰীৰ শংকৰদেৱ শিশু নিকেতনৰ প্ৰধান আচাৰ্য জগত শ্যামকে ধৰি বহু সংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থাকে। লক্ষণীয় যে মুকলি সভাৰ পূৰ্বে বিদ্যালয়খনৰ খেলপথাৰৰ পৰা এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। গজৰাজক সন্মুখত লৈ উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাৰ শুভাৰম্ভ কৰি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈয়ে বিদ্যালয়খনৰ জয়ন্তীত উপস্থিত থাকিবলৈ পাই নিজকে গৌৰৱবোধ কৰা বুলি উল্লেখ কৰি অনাগত দিনত শিক্ষানুষ্ঠানখনৰ উন্নতিৰ বাবে পূৰ্ণ সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী, সমাজকৰ্মী, স্থানীয় ৰাইজৰ সহযোগত উলিওৱা সাংস্কৃতিক শোভাযাত্ৰাত সহস্ৰাধিক জনে অংশগ্ৰহণ কৰে। ইপিনে মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ লগত সংগতি ৰাখি বিশিষ্ট সমাজকৰ্মী ৰঞ্জন কোঁৱৰৰ সম্পাদনাত প্ৰকাশিত উদযাপন সমিতিৰ মূল স্মৃতি গ্ৰন্থ "হিৰণ্ময়" উন্মোচন কৰা হয় সন্ধিয়া। সন্ধিয়া অসমৰ কেইবাগৰাকী খ্যাতনামা কণ্ঠশিল্পীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত কৰা হৈছে সাংস্কৃতিক সন্ধিয়া। উল্লেখ্য যে মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানত কেইবা সহস্ৰাধিক প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি আৱেগিক হৈ পৰে। এৰি অহা দিনৰ স্মৃতি ৰোমন্থন কৰি পুলকিত হৈ পৰে সকলো। চাৰিদিন ধৰি উখল-মাখল পৰিৱেশে বিৰাজ কৰা বেতবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদ আজি সাংস্কৃতিক সন্ধিয়াৰ পিছতে নিজম পৰে।

# ৰঞ্জিত বৰ্মনৰ 'স্মৃতিৰ চাকনৈয়াত শব্দৰ মায়াজাল' শীৰ্ষক স্বৰচিত কবিতা পুথি উন্মোচন

**ই-সংবাদ, বৰপেটাৰোড, ১৮ জানুৱাৰীঃ** গোবৰ্দ্ধনা শাখা সাহিত্য সভাৰ উদ্যোগত প্ৰগতি সংঘত অনুষ্ঠিত হোৱা এক অনুষ্ঠানত উদীয়মান যুৱ কবি ৰঞ্জিত বৰ্মনৰ "স্মৃতিৰ চাকনৈয়াত শব্দৰ মায়াজাল" নামৰ কবিতা পুথিখন উন্মোচন কৰা হয়। এইখন গোবৰ্দ্ধনা শাখা সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত দ্বিতীয়খন গ্ৰন্থ। ৰঞ্জিত বৰ্মন ৰচিত "স্মৃতিৰ চাকনৈয়াত শব্দৰ মায়াজাল" কবিতা পুথিখনত তেওঁৰ ৫০টা কবিতা সন্নিবিষ্ট হৈছে। ইতিমধ্যে সামাজিক মাধ্যমত কবিতাৰ



জৰিয়তে জনপ্ৰিয় হোৱা ৰঞ্জিত বৰ্মনৰ কবিতা পুথিখন পাঠক সমাজে নিশ্চয় আদৰি ল'ব বুলি। আশা কৰা হৈছে। তেওঁৰ কবিতা ইতিমধ্যে আগশাৰীৰ আলোচনী, বাতৰি কাকতত প্ৰকাশ পাইছে। প্ৰান্তিক, দাপোণ, ৰংঘৰ, চিচিংফাঁক ইত্যাদিত পাঠক সমাজে তেওঁৰ লেখনি পঢ়াৰ সুযোগ পাইছে। গোবৰ্দ্ধনাৰ গামাৰীগুৰি গাঁও নিবাসী ৰঞ্জিত বৰ্মন পেচাত এজন চৰকাৰী কাৰ্যালয় সহায়ক। আৰ্থিক অসুবিধাই হেঙাৰ হিচাপে থিয় দিয়াৰ পিছতো এই কাব্য গ্ৰন্থখন প্ৰকাশত আগবাঢ়ি অহাৰ বাবে গোবৰ্দ্ধনা শাখা সাহিত্য সভাই লেখক বৰ্মনক ধন্যবাদ জনায়।

# ভূৰাগাঁৱত পথাৰ দিৱসৰ উপলক্ষে খেতি পথাৰত ড্ৰ'নৰ সহায়ত সাৰ প্ৰয়োগ প্ৰদৰ্শন

**ই-সংবাদ, লাহৰীঘাট, ১৮ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱত আজি পথাৰ দিৱস উপলক্ষে খেতি পথাৰত ড্ৰ'নৰ জৰিয়তে কৃষকসকলক প্ৰদৰ্শনমূলক সাৰ প্ৰয়োগৰ পদ্ধতি প্ৰদৰ্শন কৰা হয়। ইফকোৰ উদ্যোগত ভূৰাগাঁও অঞ্চলৰ যুৱ উদ্যমী কৃষক ছাদ্দাম হুছেইনৰ পথাৰত আজি আনুষ্ঠানিকভাৱে পথাৰ দিৱসৰ লগত সংগতি ৰাখি এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। এই উপলক্ষে স্থানীয় সমাজকৰ্মী জলেশ্বৰ সিঙৰ সভাপতিত্বত এখন সভাও অনুষ্ঠিত হয়। সভাখনত মৰিগাঁও জিলা কৃষি বিভাগৰ এছ ডি অ' মেহদী আৰিফ হুছেইন, ভূৰাগাঁও কৃষি চক্ৰৰ কৃষি উন্নয়ন বিষয়া জয়শ্ৰী তামুলীয়ে উপস্থিত থাকি খেতি পথাৰত সাৰ ব্যৱহাৰ, মাটিৰ স্বাস্থ্য, ফচল বীমা যোজনা, পিএম কিষাণ, পি এম কে এছ ৱাই আঁচনিৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য ৰাখে। একেদৰে ইফকো (ইণ্ডিয়ান ফাৰমাৰ্চ ফাৰ্টিলাইজাৰ কোঅপাৰেটিভ লিঃ) নগাঁৱৰ ক্ষেত্ৰ বিষয়া পাৰ্থ শইকীয়াই বস্তাৰ ইউৰিয়া, ডিএপিৰ তুলনাত জুলীয়া নেন' ইউৰিয়া আৰু ডিএপিৰ সন্দৰ্ভত উপস্থিত কৃষক ৰাইজক বুজাই দিয়ে। ইফালে, এইবেলি খহনীয়াগ্ৰস্ত অঞ্চলটোৰ ব্ৰহ্মপুত্ৰৰ পাৰত ১০০ বিঘা মাটিত কেপচিকাম আৰু তৰমুজ খেতি কৰা স্থানীয় যুৱ কৃষক ছাদ্দাম হুছেইনে জিলা কৃষি বিভাগৰ পৰা সহায়-সহযোগিতা কামনা কৰে। ইয়াৰ পাছতে কৃষক ছাদ্দাম হুছেইনৰ কেপচিকাম খেতিত প্ৰদৰ্শনমূলকভাৱে ড্ৰ'নৰ জৰিয়তে কেনেকৈ অতি কম সময়ত খেতি পথাৰত জুলীয়া সাৰ ছটিয়াব পাৰি সেই সন্দৰ্ভত কৃষকসকলক দেখুওৱা হয়।

## বাক্সাত গাঞ্জাৰ সৈতে দুজনক আটক

**ই-সংবাদ, মুছলপুৰ, ১৮ জানুৱাৰীঃ** বাক্সা আৰক্ষীয়ে অভিযান চলাই আজি মুছলপুৰ সদৰ থানাৰ অন্তৰ্গত গাঁৱৰাজস্থানৰ পৰা গাঞ্জা ব্যৱসায়ৰ সৈতে জড়িত দুই ভাতৃ ক্ৰমে গগন কলিতা আৰু জয়ন্ত কলিতাক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। তেওঁলোকৰ পৰা প্ৰায় পোন্ধৰ কিলোগ্ৰাম ওজনৰ গাঞ্জা আৰু এ এছ-০১ এফ জেড-৩৬০৩ নম্বৰৰ এখন স্কুটি জব্দ কৰিবলৈ সক্ষম হয় মুছলপুৰ সদৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত যোৱা দলটোৱে। জানিব পৰা মতে, ধৃত দুই ভাতৃক এখন চাৰিচকীয়া অল্ট' বাহনেৰে গাঞ্জাখিনি দিবলৈ আহিছিল আন দুজন যুৱকে। কিন্তু আৰক্ষীৰ জালত নপৰিল সেই দুই সৰবৰাহকাৰী। সম্প্ৰতি মুছলপুৰ থানাত ধৃত দুই ভাতৃ ক্ৰমে গগন কলিতা আৰু জয়ন্ত কলিতাক জেৰা অব্যাহত ৰাখিছে।

## আজিৰে পৰা ভোগদৈ নদীৰ পৰিস্কাৰকৰণৰ দ্বিতীয় কাৰ্যসূচী আৰম্ভ

# বিধায়ক হিতেন্দ্ৰ গোস্বামীৰ ঘৰৰ ওচৰত জাবৰ পেলায় বায়ু সেনাৰ বিষয়াই!

**ই-সংবাদ, যোৰহাট, ১৮ জানুৱাৰীঃ** অসামৰিক প্ৰতিৰক্ষা বিভাগ, যোৰহাটৰ উদ্যোগত, যোৰহাট জিলা প্ৰশাসনৰ পৃষ্ঠপোষকতাত আৰু ভাৰতীয় ষ্টেট বেংকৰ কৰ্প'ৰেট সামাজিক দায়বদ্ধতাৰ অধীনত প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ সফল সমাপ্তিৰ পাছত আজিৰে পৰা ভোগদৈ নদীৰ পৰিস্কাৰকৰণৰ দ্বিতীয় কাৰ্যসূচী আৰম্ভ হৈছে। এই কাৰ্যসূচী সৰ্বমুঠ বিশ দিন ধৰি চলিব। এই টি ৰোডৰ ভোগদৈ দলঙৰ পৰা ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ভোগদৈ নদীলৈ মুঠ ২.৫ কিলোমিটাৰ নদীপথত আহিবলগীয়া ২০ দিনৰ ভিতৰত চাফাই কাৰ্যসূচী ৰূপায়ণ কৰিব অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সৈনিকসকলে। উল্লেখ্য যে ভাৰতীয় ষ্টেট বেংকে কৰ্প'ৰেট সামাজিক দায়বদ্ধতাৰ অধীনত স্বেচ্ছাসেৱকসকলৰ গাম বুট, গ্লোভছ, খোৱা-লোৱা আদি খৰচৰ লগতে নদী পৰিস্কাৰণৰ যাৱতীয় খৰচৰ বাবে ১ লাখ যাঠি হাজাৰ টকাৰ আৰ্থিক অনুদান আগবঢ়ায়। আজি জনতা ঘাটৰ উদ্বোধনী সভাত উপস্থিত থাকে যোৰহাটৰ বিধায়ক বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, জিলা আয়ুক্ত জয় শিৱানী, আৰক্ষী আয়ুক্ত শ্বেতাংক মিশ্ৰ, যোৰহাট পৌৰসভাৰ সভানেত্ৰী লখিমী খাৰঘৰীয়া, ভাৰতীয় ষ্টেট বেংকৰ DGM সুৰভী ভট্টাচাৰ্যৰ লগতে চহৰখনৰ বহু পৰিৱেশ সচেতন লোক। আজি জনতা ঘাটৰ উদ্বোধনী অনুষ্ঠান যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে কয় যে ৬০ কোটি টকা ব্যয় কৰি দৃষ্টিনন্দন ভোগদৈ ৰিভাৰ ফ্ৰন্ট নিৰ্মাণৰ স্বপ্ন তেওঁ দেখিছে। ভোগদৈ ৰিভাৰ ফ্ৰণ্টৰ বাবে মুখ্যমন্ত্ৰীক বিধায়কগৰাকীয়ে অনুৰোধ জনাব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। ভোগদৈ ৰিভাৰ ফ্ৰণ্টে যোৰহাটৰ ঐতিহ্য ৰক্ষা কৰিব বুলি কয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে। লগতে যোৰহাটক পৰিস্কাৰ কৰি ৰাখিবলৈ প্লাষ্টিকৰ বটল নিষিদ্ধ কৰিব লাগিব বুলি কয় বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে। তদুপৰি বিধায়কগৰাকীয়ে উল্লেখ কৰে যে তেওঁৰ ঘৰৰ ওচৰত ভাৰতীয় বায়ু সেনাৰ বিষয়াই জাবৰ পেলাই লেতেৰা কৰে। যিসকল লোকে জাবৰ পেলাই চহৰখনৰ লগতে নদী লেতেৰা কৰে তেওঁলোকক শাৰীৰিকভাৱে প্ৰহাৰ কৰাৰ শাস্তি প্ৰদানৰ পোষকতা কৰে হিতেন্দ্ৰ নাথ গোস্বামীয়ে। তেওঁ কয়, যেতিয়ালৈকে এনে লোকক দুই-এচৰ দিয়া নহয় তেওঁলোকে শিক্ষা নলয়।

# ভূমি বিবাদৰ চৰম ৰূপ! জ্যেষ্ঠ ভাতৃৰ প্ৰহাৰত প্ৰাণ গ'ল কনিষ্ঠ ভাতৃৰ

**ই-সংবাদ, দলগাওঁ, ১৮ জানুৱাৰীঃ** দলগাঁৱত বৃদ্ধি পাইছে ভূমি বিবাদ। এটাৰ পিছত এটা ভূমি বিবাদে দলগাঁৱৰ বিভিন্ন প্ৰান্তত অবাঞ্চিত ঘটনা সংঘটিত হৈ থকাৰ মাজতে এইবাৰ দলগাঁৱত ভূমি বিবাদৰ চৰম পৰিণতিত এগৰাকী লোকৰ প্ৰাণহানি হোৱাৰ খবৰে অঞ্চলটোত তীব্ৰ উদ্বেগৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী অনুসৰি দলগাঁৱৰ শিয়ালমাৰী মাজগাঁও গাঁৱৰ দুই ভাতৃ ক্ৰমে পৃথিৰাজ চৌহান আৰু শ্যামনাল চৌহানৰ মাজত দীৰ্ঘদিন ধৰি ভূমি বিবাদ চলি আছিল। বিবাদিত মাটি বিক্ৰীৰ ধনক লৈ শুকুৰবাৰে দুই ভাতৃৰ মাজত লগা তয়াময়া যুঁজৰ মাজতে পৃথিৰাজ চৌহানে লাঠিৰে কনিষ্ঠ ভাতৃৰ মূৰত প্ৰচণ্ড আঘাত কৰাত শ্যামনাল চৌহানৰ মূৰ ফাঁটি গুৰুতৰ ভাবে আহত হয়। আহত ভাতৃক উপৰ্যুপোৰি আঘাত কৰাত থিতাতে প্ৰাণবায়ু উৰি যায় শ্যামনাল চৌহানৰ। নিৰ্দয় পৃথিৰাজে ভাতৃক হত্যা কৰি চাইকেলৰে বান্ধি শ্যামনাল চৌহানৰ মৃতদেহ মাতৃ গৃহত থৈ যোৱা বুলি খৰক্ষীৰ আগতে স্বীকাৰ কৰে হত্যাকাৰী ভাতৃয়ে। ঘটনাৰ খবৰ পাই ঘটনাস্থলীত দলগাঁও ৰাজহ চক্ৰ বিষয়া, দলগাঁও আৰক্ষী দল এটা উপস্থিত হৈ ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে হত্যাকাৰী ভাতৃক আটক কৰাৰ লগতে মৃতদেহ কঢ়িয়াই লৈ যোৱা চাইকেল জব্দ কৰি তদন্ত অব্যাহত ৰাখিছে। দলগাঁও আৰক্ষীয়ে মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈলৈ প্ৰেৰণ কৰে । উক্ত হত্যাকাণ্ডই দলগাঁৱৰ ভূমি বিবাদৰ ভয়াৱহতা উদঙাইছে।

# কাছিজানত অচ্যুৎ চুতীয়া সোঁৱৰণী পঞ্চম বাৰ্ষিক একাংকিকা নাট প্ৰতিযোগিতা

**ই-সংবাদ, কাকপথাৰ, ১৭ জানুৱাৰীঃ** সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত, অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৃষ্ঠপোষকতাত, সদৌ মৰাণ ছাত্ৰ সন্থাৰ কাকপথাৰ আঞ্চলিক সমিতিৰ আতিথ্যত আৰু কাকপথাৰবাসী ৰাইজৰ সহযোগত অহা ১ আৰু ২ ফেব্ৰুৱাৰীত দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে সদৌ অসম ভিত্তিত "অচ্যুৎ চুতীয়া সোঁৱৰণী পঞ্চম বাৰ্ষিক একাংকিকা নাট প্ৰতিযোগিতা" আয়োজন কৰা হৈছে। মৰাণ জনজাতিৰ সুযোগ্য সন্তান অচ্যুৎ চুতীয়াক সোঁৱৰণ তথা তেখেতৰ কৰ্মৰাজিক সন্মান জনোৱাৰ লগতে নৱপ্ৰজন্মক নাট্য জগতৰ প্ৰতি আকৰ্ষিত কৰাৰ উদ্দেশ্যে একাংকিকা নাট প্ৰতিযোগিতাখনিৰ আয়োজন কৰি অহা হৈছে বুলি সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক ৰাজেন্দ্ৰ মৰাণে জানিবলৈ দিছে লগতে অহা ১ আৰু ২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'বলগীয়া প্ৰতিটো কাৰ্যসূচীত সকলোৰে উপস্থিতি কামনা কৰিছে। ইচ্ছুক নাট্যদলক ৭০৮৬৩০৭০৯৩ আৰু ৬০০১৬৯৫৪৩৪ ফোন নম্বৰত যোগাযোগ কৰিবলৈ আয়োজক সমিতিয়ে আহ্বান জনাইছে। শিল্পী প্ৰয়াত অচ্যুৎ চুতীয়াই ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰ, আৰাহন থিয়েটাৰ, গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ, ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰ আদিত কাম কৰি সুনাম বুটলিবলৈ সক্ষম হৈছিল।

# ২৪তম বাহিনী এছএছবি ৰঙিয়াৰ দ্বাৰা কম্পিউটাৰ প্ৰশিক্ষণ কোৰ্চৰ সমাপন

**ই-সংবাদ, তামুলপুৰ, ১৮ জানুৱাৰীঃ** দীপক সিং, কমাণ্ডেন্টৰ নিৰ্দেশত ২৪তম বাহিনী সশস্ত্ৰ সীমা বল ৰঙিয়াই "পূৰ্বোত্তৰ নাগৰিক কল্যাণ কাৰ্যসূচী"ৰ অন্তৰ্গত তামুলপুৰস্থিত "কেৰিয়াৰ ইনফো" প্ৰশিক্ষণ কেন্দ্ৰৰ দ্বাৰা চলোৱা ৩০ দিনীয়া কম্পিউটাৰ প্ৰশিক্ষণ কোৰ্চ ডাঃ ডোমা লাচেনপা, কমাণ্ডেণ্ট (চিকিৎসা)ৰ উপস্থিতিত আজি সমাপ্ত কৰে। এই প্ৰশিক্ষণৰ সময়ছোৱাত সীমান্ত অঞ্চলৰ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক কম্পিউটাৰৰ লগত সম্পৰ্কিত বিভিন্ন ধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। ডাঃ ডোমা লাচেনপাই উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক সম্বোধন কৰি কম্পিউটাৰৰ বিভিন্ন সুবিধাৰ বিষয়ে আলোচনা কৰে। তেওঁ কয় যে, আধুনিক শিক্ষাৰ লগতে এইটো পেছাগতভাৱে বৰ্তমানৰ পৰিস্থিতিত অতি লাভজনক বিষয়। ২৪তম বাহিনী ৰঙিয়াই সময়ে সময়ে জনহিতৰ বাবে এনে ধৰণৰ লাভজনক বিষয়ৰ ওপৰত যুৱক-যুৱতী আৰু মহিলাসকলক প্ৰশিক্ষণ দিয়ে। তেওঁ লগতে কয় যে, ২৪তম বাহিনী সশস্ত্ৰ সীমা বলৰ দ্বাৰা যথাসম্ভৱ চেষ্টা চলাই যোৱা হৈছে, সীমান্ত অঞ্চলৰ নাগৰিক আৰু ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যৎৰ বাবে এনে কাৰ্যসূচীৰ আয়োজন কৰা হয়। ইয়াৰ জৰিয়তে সীমান্ত অঞ্চলৰ নাগৰিকক আত্মনিৰ্ভৰশীল আৰু অৰ্থনৈতিকভাৱে সক্ষম কৰি তোলা যায় আৰু আমাৰ দেশ আগবাঢ়ি যায়। তেওঁ লগতে উল্লেখ কৰে যে, ২৪তম বাহিনী এছএছবি ৰঙিয়া ভৱিষ্যতো এনে কাৰ্যসূচীৰ আয়োজন কৰি থাকিব। সেয়ে তেওঁ জনাই যে সশস্ত্ৰ সীমা বলৰ লক্ষ্য হৈছে "সেৱা, সুৰক্ষা আৰু ভাতৃত্ব"। সীমান্ত অঞ্চলৰ নাগৰিকৰ কল্যাণৰ বাবে তেওঁলোকে সদায় প্ৰস্তুত থাকিব। এই কাৰ্যসূচীত অংশগ্ৰহণ কৰা সীমান্ত অঞ্চলৰ নাগৰিক অতি উচ্ছ্বসিত হয় আৰু এই প্ৰশিক্ষণৰ ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত ২৪তম বাহিনীৰ অন্যান্য বিষয়া, "কেৰিয়াৰ ইনফো"ৰ ব্যৱস্থাপক অমৰ সিং ব্ৰহ্ম আৰু বাহিনীৰ কৰ্মীসকল উপস্থিত থাকে।




নগাঁৰত ষ্ট্ৰংমেন অসমৰ ৰাজ্যিক সমিতিৰ একাংশ বিষয়ববীয়া, শনিবাৰে, ফটোঃ ই-সংবাদ ক্ৰীড়া সেৰা, নগাঁও

# চিংফৌ ৰজা বিছা লাড নঙ চিংফৌৰ মৃত্যুত অসম সন্মিলিত মহাসংঘৰ শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, ডুমডুমা, ১৮ জানুৱাৰীঃ** মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত টিৰাপ সীমান্তৰ লিডুৰ বিছা গাঁও নিবাসী সদ্যপ্ৰয়াত চিংফৌ ৰজা বিছা লাড নঙ চিংফৌৰ মৃত্যুত 'অসম সন্মিলিত মহাসংঘ'ই গভীৰ শোক প্ৰকাশ কৰিছে। অসম সন্মিলিত মহাসংঘৰ সভাপতি শান্তনু দাস বৰহাজোৱাল, কাৰ্যকৰী সভাপতি মতিউৰ ৰহমান আৰু মহাসচিব পূৰ্ণানন্দ ৰাভাই এই সন্দৰ্ভত সংবাদ মাধ্যমক কয় যে মৃত্যুৰ সময়লৈকে অসম সন্মিলিত মহাসংঘৰ উপ-সভাপতি আছিল চিংফৌ ৰজা বিছা লাড নঙ চিংফৌ। ৰজা বিছা নঙে উচ্চতম ন্যায়ালয়ত মহাসংঘই চলোৱা গোচৰত সাংবিধানসম্মত ভিত্তি বছৰ ১৯৫১ ৰ সপক্ষে শপতনামা দিছিল আৰু নাগৰিকত্ব সংশোধনী আইন, ২০১৯ ৰ বিৰুদ্ধে মহাসংঘৰ হৈ মতিউৰ ৰহমানে তৰা গোচৰত ৩০ টা খিলঞ্জীয়া সংগঠনৰ তেৰোঁ এগৰাকী অন্যতম গোচৰীয়া আছিল। অসমৰ বিভিন্ন ঠাইত অনুষ্ঠিত মহাসংঘৰ বিভিন্ন সভাত তেওঁ উপস্থিত হৈ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ মাজত একতাৰ এনাজৰীডাল সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰিছিল। চিংফৌ ৰজা বিছা লাড নং চিংফৌৰ মৃত্যু অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ তথা অসম সন্মিলিত মহাসংঘৰ বাবে এক বৃহৎ তথা অপূৰণীয় ক্ষতি। ৰজা বিছা নঙে টিৰাপ সীমান্তৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ লগতে অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ভৱিষ্যত অতি সংকটজনক বুলি গভীৰ আক্ষেপ প্ৰকাশ কৰাৰ লগতে এই ক্ষেত্ৰত খিলঞ্জীয়া জনগোষ্ঠীসমূহক সাহসেৰে যুঁজ দিবলৈ আহ্বান জনাইছিল বুলিও অসম সন্মিলিত মহাসংঘৰ নেতৃত্বই জানিবলৈ দিছে।

# পৰ্বতঝোৰাত বৃহৎ পৰিমাণৰ অবৈধ শাল কাঠৰ কুণ্ডা ভৰ্তি ট্ৰেক্টৰ জব্দ

**ই-সংবাদ, পৰ্বতঝোৰা, ১৮ জানুৱাৰীঃ** আজি আবেলি বিটিআৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা বন সংমণ্ডলৰ অন্তৰ্গত টিপকাই দৈমাগুৰীত খোৰাঘাট বনাঞ্চলিক বিষয়া সাহানুৰ আলমে এক গোপন খবৰৰ ভিত্তিত অভিযান চলাই বৃহৎ পৰিমাণৰ শাল কাঠৰ কুণ্ডা ভৰ্তি এখন ট্ৰেক্টৰ জব্দ কৰে। ট্ৰেক্টৰখন জব্দ কৰি খোৰাঘাট বনাঞ্চলিক বিষয়া কাৰ্যালয় লৈ আনে। উল্লেখ্য যে নৱ নিযুক্ত খোৰাঘাট বনাঞ্চলিক বিষয়া সাহানুৰ আলমে দ্বায়িত্ব লোৱাৰ পিছৰে পৰা প্ৰতিদিনে অবৈধ চোৰাং কাঠৰ কুণ্ডা, চাইকেল আদি বিভিন্ন অঞ্চলৰ পৰা জব্দ কৰিবলৈ সক্ষম হৈছে। আজিৰ এই অভিযান কালত অবৈধভাৱে কাঠ কটিয়াই থকাৰ লগত জড়িত থকাসকলে বন বিষয়াগৰাকী অহাৰ উমান পাই ঘটনাস্থলীৰ পৰা পলায়ন কৰে।

# ধৰ্মপ্ৰাণা মহিলা কামাখ্যা শৰ্মাৰ মৃত্যুত তালাপত শোকৰ ছাঁ

**ই-সংবাদ, ডুমডুমা, ১৮ জানুৱাৰীঃ** শদিয়া সমজিলাৰ অন্তৰ্গত তালাপ বালিবজাৰ নিবাসী, তালাপ নগৰ উন্নয়ন সমিতিৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সমাজসেৱক প্ৰয়াত তাৰিণী প্ৰসাদ শৰ্মাৰ সহধৰ্মিণী তথা তালাপ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, তালাপ নগৰ ব্যৱসায়ী সন্থাৰ সম্পাদক, বিশিষ্ট সমাজসেৱক সীমান্ত শৰ্মাৰ মাতৃ সৰবৰহী, ধৰ্মপ্ৰাণা মহিলা কামাখ্যা শৰ্মা (৭৮) ৰ বাৰ্ধক্যজনিত কাৰণত আজি পুৱাৰ ভাগত নিজা বাসভৱনত দেহাৱসান ঘটে। বৃহত্তৰ তালাপ অঞ্চলৰ বিভিন্ন সামাজিক, ধৰ্মীয় অনুষ্ঠানৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত সুপৰিচিতা কামাখ্যা শৰ্মাৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বৃহত্তৰ তালাপ অঞ্চলৰ বহুসংখ্যক গুণমুগ্ধই তালাপস্থিত বাসগৃহত আহি ভিৰ কৰে। মৃত্যুৰ সময়ত প্ৰয়াত কামাখ্যা শৰ্মাই পুত্ৰ, এগৰাকী কন্যা, বোৱাৰী, জোঁৱাই আৰু নাতি-নাতিনীক ইহসংসাৰত এৰি থৈ গৈছে। কামাখ্যা শৰ্মাৰ মৃত্যুত তালাপ নগৰ ব্যৱসায়ী সন্থা, তালাপ আঞ্চলিক যুৱক সংঘ, তালাপ শাখা সাহিত্য সভা, উত্তৰণ- এক সাংস্কৃতিক যাত্ৰা, ছৈখোৱা প্ৰেছ ক্লাব, ডাঙৰী আঞ্চলিক ছাত্ৰ সন্থা, হালালী যুৱ মঞ্চ, সোণোৱাল-কছাৰী ছাত্ৰ সন্থাকে আদি কৰি বহুসংখ্যক দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। কামাখ্যা শৰ্মাৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰে।

# ৰঙিয়াত উকিল সন্থাৰ বাৰ্ষিক সপ্তাহ উৎযাপন

**ই-সংবাদ, ৰঙিয়া, ১৮ জানুৱাৰীঃ** ৰঙিয়া উকিল সন্থাৰ উদ্যোগত অনুষ্ঠিত বাৰ্ষিক সপ্তাহৰ আজি সামৰণি পৰে।তদুপলক্ষে অনুষ্ঠিত ক্ৰীড়া তথা সাহিত্য প্ৰতিযোগিতাৰ বিজয়ীসকলক আজি সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উক্ত অনুষ্ঠানত ৰঙিয়া মহকুমা ন্যায়িক আদালতৰ দণ্ডাধীশ নৱনীতা বুঢ়াগোহাঁই, এলিচা আখটাৰ, অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশ মুকুল চেতিয়াই অংশগ্ৰহণ কৰে। আনহাতে, গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত জ্যেষ্ঠ অধিবক্তা হিৰণ্য কুমাৰ চৌধুৰী, মকিব তালুকদাৰ, জেহিৰুল হক, সমাজকৰ্মী বিপুল কলিতা, মুৰতাজ ৰহমান, জ্যেষ্ঠ সাংবাদিক প্ৰকাশ ডেকা, জয়ন্ত ডেকা, মইনুল হক আৰু তন্ময় দাস প্ৰমুখ্যে আন কেবাগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে। সন্থাৰ তৰফৰ পৰা উপস্থিত আটাইকেইগৰাকীকে ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। আনহাতে, বিশিষ্ট অধিবক্তা তথা শিল্পী জে পি দাস আৰু সুধিৰ ভৌমিকে গীত পৰিৱেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। বাৰ্ষিক সপ্তাহ উপলক্ষে অধিবক্তা মীৰা কলিতা, অচ্যুত কলিতা, আমিৰুল হুছেইন, ৰিংকু দাস গুপ্তা, ধীৰাজ দাস, দীপাঞ্জলী ডেকা, জয়ন্ত ডেকাই গীত পৰিৱেশন কৰাৰ লগতে চৰকাৰী অধিবক্তা মুনিন্দ্ৰ শৰ্মা, চাৰ্জিনা বেগমে কবিতা আবৃত্তি কৰে।অসম সংগীত পৰিৱেশনেৰে সভাৰ সামৰণি পৰে

# উত্তৰ গুৱাহাটীত শিল্পী দিৱস উদযাপন



**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৮ জানুৱাৰীঃ** উত্তৰ গুৱাহাটীৰ বিভিন্ন স্থানত কালি শিল্পী দিৱস উদযাপন কৰা হয়। বিগত বৰ্ষৰ দৰে এইবাৰো 'উত্তৰ গুৱাহাটী সাহিত্য সভা'ৰ উদ্যোগত সভাৰ স্থায়ী ভৱনত দিনজোৰা কাৰ্যসূচীৰে শিল্পী দিৱস উদযাপন কৰা হয়। প্ৰথমেই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে শাখা সভাখনৰ সভাপতি ডও বন্তি বড়া দত্তই। বৃহত্তৰ উত্তৰ গুৱাহাটী অঞ্চলৰ শতাধিক সাহিত্য-সংস্কৃতি অনুৰাগীৰ উপস্থিতিত কবি কমল বৰাই আঁত ধৰা এই অনুষ্ঠানত চাৰিগৰাকীকৈ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। তেওঁলোক ক্ৰমে শিলা সিন্দুৰী ঘোপা মৌজাৰ মৌজাদাৰ তথা বিশিষ্ট সমাজকৰ্মী ৰাতুল বৰুৱা, প্ৰাক্তন অনাতাঁৰ শিল্পী তথা লেখক কেশৱ চন্দ্ৰ তালুকদাৰ, বিশিষ্ট গায়ক ৰঞ্জিত মহন্ত আৰু প্ৰবীণ কবি বেনুধৰ বসুমতাৰী। কণ্ঠশিল্পী পিংকুমণি চৌধুৰী, ধীৰেশ্বৰ বড়ো, কাকলি বৰুৱা আৰু ৰঞ্জিত মহন্তৰ জ্যোতি সংগীত পৰিৱেশনৰ সমান্তৰালভাৱে উদীয়মান আবৃত্তিকাৰ দীক্ষিতা শৰ্মাই জ্যোতিপ্ৰসাদৰ 'বিশ্বশিল্পী' কবিতাটো আবৃত্তি কৰি উপস্থিত ৰাইজক আপ্লুত কৰে। অনুষ্ঠানসূচীৰ অন্যতম 'জ্যোতিস্মৰণ' শিতানত বক্তা থানেশ্বৰ শৰ্মাই সাম্প্ৰতিক সময়ত জ্যোতিপ্ৰসাদৰ আদৰ্শৰ প্ৰাসংগিকতাৰ ওপৰত মনোজ্ঞ বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ শেষৰ ফালে উত্তৰ গুৱাহাটী সাহিত্য সভাৰ সভাপতি তথা প্ৰাক্তন অনাতাঁৰ শিল্পী ডও বন্তি বড়া দত্তৰ কণ্ঠত বাণীবদ্ধ 'আই তোলৈ মনত পৰে' শীৰ্ষক দৃশ্য-শ্ৰব্য এলবামটো আনুষ্ঠানিকভাৱে মুকলি কৰি মৌজাদাৰ ৰাতুল বৰুৱাই নৱ প্ৰজন্মৰ উদ্দেশ্যে চমু অনুপ্ৰেৰণাসূচক বক্তব্য ৰাখে। উত্তৰ গুৱাহাটীৰ অন্যান্য অঞ্চলতো বিভিন্ন কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হয়। শিলসাঁকোস্থিত প্ৰাগজ্যোতিষপুৰ কলা পৰিষদত ছাত্ৰ -ছাত্ৰীৰ মাজত চিত্ৰাংকন, আবৃত্তি, জ্যোতি সংগীত আদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ৰংমহলৰ 'ৰংমহল নাট্য গোষ্ঠী'ৰ উদ্যোগত শিল্পী দিৱস উপলক্ষে স্থানীয় কলা-কুশলীৰ অভিনয় সমৃদ্ধ এখন পূৰ্ণাংগ নাট সন্ধিয়াৰ ভাগত মঞ্চস্থ কৰা হয়।

# ঝুমুৰ নৃত্য কৰ্মশালা স্থানীয় শিল্পীসকলক অংশগ্ৰহণৰ আহ্বান কামৰূপ জিলা প্ৰশাসনৰ

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৮ জানুৱাৰীঃ** ৰাজ্য চৰকাৰে অসমৰ চাহ জনগোষ্ঠীয় লোকসকলৰ পৰম্পৰাগত ঝুমুইৰ নৃত্যক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ উদ্দেশ্যৰে অহা ২৪ ফেব্ৰুৱাৰীত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত ৮০০০ গৰাকী ঝুমুইৰ শিল্পীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত কৰিবলৈ লোৱা "ঝুমুইৰ বিনন্দিনী" অনুষ্ঠানৰ বাবে কামৰূপ জিলাতো প্ৰস্তুতি আৰম্ভ কৰা হৈছে। কামৰূপ জিলাৰ কমলপুৰ আৰু পলাশবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঝুমুইৰ শিল্পীসকলক ২৪ ফেব্ৰুৱাৰীৰ ঝুমুইৰ নৃত্য প্ৰদৰ্শন অনুষ্ঠানলৈ সাজু কৰাৰ বাবে ২০ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈ সমষ্টি দুটাৰ অধীনত ক্ৰমে কমলপুৰ বিধানসভা সমষ্টিৰ বাবে মান্দাকাটা দুৰ্গা মন্দিৰ প্ৰাংগণত আৰু পলাশবাৰী বিধানসভা সমষ্টিৰ বাবে ৰজাপাৰাৰ কলঘৰ সমূহীয়া প্ৰেক্ষাগৃহত সুকীয়া সুকীয়াকৈ দুখন বিধানসভা সমষ্টি পৰ্যায়ৰ নৃত্য কৰ্মশালাৰ আয়োজন কৰা হৈছে। কামৰূপ জিলা প্ৰশাসনে এই নৃত্য প্ৰদৰ্শন অনুষ্ঠানত অংশগ্ৰহণৰ বাবে আগ্ৰহী সকলো স্থানীয় শিল্পীক এই কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে। উল্লেখ্য যে এই কৰ্মশালাৰ প্ৰথমদিনা শিল্পীসকলক বাছনি কৰাৰ পিছত পৰৱৰ্তী তিনিদিন তেওঁলোকক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই বিধানসভা সমষ্টি পৰ্যায়ৰ কৰ্মশালাৰ জৰিয়তে কামৰূপ জিলাৰ দুটা সমষ্টিৰ পৰা ৩২ গৰাকীকৈ মুঠ ৬৪ গৰাকী শিল্পী বাছনি আৰু প্ৰশিক্ষণ প্ৰদানৰ পিছত তেওঁলোকক ২৪ ফেব্ৰুৱাৰীৰ মূল কাৰ্যসূচীৰ বাবে মণ্ডলত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

# কামৰূপত নাৰ্কো ক'ৰ্ডিনেচন চেণ্টাৰ কমিটীৰ সভা

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৮ জানুৱাৰীঃ** কামৰূপ জিলাৰ জিলা পৰ্যায়ৰ নাৰ্কো ক'ৰ্ডিনেচন চেণ্টাৰ কমিটীৰ সভাখন আজি কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত সংহত জিলা আয়ুক্তৰ কাৰ্যালয়স্থিত তেওঁৰ কাৰ্যালয় কক্ষত অনুষ্ঠিত হয়। আজিৰ সভাত কামৰূপ জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত প্ৰণৱ দত্ত গোস্বামী, সমাজ কল্যাণ বিষয়া ভূপেন ভট্টাচাৰ্য, যুটীয়া স্বাস্থ্য সেৱাৰ সঞ্চালক ডাঃ মহিতোষ বেনাৰ্জী, জিলা ঔষধ পৰিদৰ্শকৰ উপস্থিতিত জিলাখনত অনুজ্ঞাপত্ৰবিহীন ফাৰ্মাচীৰ নিয়ন্ত্ৰণ, নিচাযুক্ত সামগ্ৰী প্ৰচলন ৰোধৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। সভাত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই জিলাখনত থকা নিচামুক্তি তথা পুনঃসংস্থাপন কেন্দ্ৰ নিয়মীয়াকৈ পৰিদৰ্শনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে জিলা আয়ুক্তগৰাকীয়ে কৃষি, বন আৰু আবকাৰী বিভাগক জিলাখনৰ বন তথা কৃষিভূমিৰ লগতে আন অঞ্চলসমূহ কোনো কাৰণতে যাতে নিচাযুক্ত সামগ্ৰীৰ উৎপাদন বা খেতিৰ বাবে ব্যৱহাৰ নহয় তাৰ ওপৰত চোকা নজৰ ৰাখিবলৈ নিৰ্দেশ প্ৰদান কৰে। সভাত আৰক্ষী বিভাগৰ তৰফৰ পৰা চলিত মাহত জিলাখনত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে অভিযান চলাই কামৰূপ জিলা আৰক্ষীয়ে ৫ টা গোচৰ ৰুজু কৰি ৯ জন লোকক গ্ৰেপ্তাৰ কৰা বুলি প্ৰতিবেদন দাখিল কৰা হয়। একেদৰে চলিত মাহত জিলাখনত ৩ খন অনুজ্ঞাপত্ৰ বিহীন ঔষধ বিক্ৰী কৰা প্ৰতিষ্ঠান বন্ধ কৰা আৰু ৩ খনৰ বাতিলৰ বাবে পৰামৰ্শ দিয়ে।

# নগাঁৱত ডিজিটেল কুইজ প্ৰতিযোগিতা সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ১৮ জানুৱাৰীঃ** ১৯৮২ চনতে নগাঁও চহৰত প্ৰতিষ্ঠা লাভ কৰা নগাঁও চৰকাৰী আৱবান হাইস্কুলৰ প্ৰাক্তন সতীৰ্থ মিলন সমাৰোহৰ উদ্যোগত শনিবাৰে এখনি প্ৰাইজমানি ডিজিটেল কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। তদুপলক্ষে পুৱা বিদ্যালয়ৰ চোতালত পতাকা উত্তোলন কৰে প্ৰাক্তন সতীৰ্থ মিলন সমাৰোহৰ সভাপতি ডও ৰূপক কুমাৰ নাথে আৰু গছপুলি ৰোপণ কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সমিতিৰ সভাপতি পল্লৱ চন্দ্ৰ গোস্বামীয়ে। ইয়াৰ পিছত স্বৰ্গীয় বলেন্দ্ৰ নাথ শৰ্মা সোঁৱৰণী সভাগৃহত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ মাজত এখনি ডিজিটেল কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। নগাঁৱৰ ইতিহাস, জ্ঞান বিজ্ঞান, সাধাৰণ জ্ঞান, কলা আৰু সংস্কৃতি আদি বিষয় সামৰি অনুষ্ঠিত হোৱা আকৰ্ষণীয় কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰে সাংবাদিক তথা জনপ্ৰিয় কুইজ মাষ্টাৰ দিব্যজ্যোতি বৰুৱাই আৰু তেওঁক সহযোগ কৰে আছিম আহমেদ হাজৰিকাই। বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰাজেন শইকীয়াকে প্ৰমুখ্য কৰি শিক্ষক-শিক্ষয়িত্ৰীসকল, প্ৰাক্তন সতীৰ্থ মিলন সমাৰোহৰ সম্পাদকদ্বয় ছাবিৰ খান, নৱজ্যোতি বৰাৰ লগতে দিব্যজ্যোতি বৰকাকতী, মুন চৌধুৰী, মোহন দাস নাইডু, মিন্টু শইকীয়া, মিতালী বিশ্বাস, বিকি দত্ত, দীপেন শইকীয়াকে ধৰি সদস্যবৃন্দ, ছাত্ৰ-ছাত্ৰী, অতিথিসহ পাঁচ শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানটিৰ শেষত কুইজ প্ৰতিযোগিতাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ দল সমূহক নগদ ধন, মানপত্ৰ, ট্ৰফীৰে পুৰস্কৃত কৰা হয়।

# ৰাইদঙীয়াৰ ক'ৰচুং সত্ৰত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ

**ই-সংবাদ, বেবেজীয়া, ১৮ জানুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ হাতীচোং মৌজাৰ অন্তৰ্গত ৰাইদঙীয়াৰ ক'ৰচুং সত্ৰত অহা ২ ফেব্ৰুৱাৰীত কিডনী তথা প্ৰস্ৰাৱজনিত সমস্যাত ভুগি থকা লোকসকলৰ বাবে এটি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হৈছে। ইষ্টাৰ্ণ ষ্টন এণ্ড কিডনী ফাউণ্ডেচনৰ উদ্যোগত তথা ইনষ্টিটিউট অব ইউৰ'লজি এণ্ড কিডনী ডিজিজেছ চমুকৈ আই ইউ কে ডি আৰু সোণাইপৰীয়া ৰঙালী বিহু উৎসৱ উদযাপন সমিতিৰ সহযোগত আয়োজিত এই স্বাস্থ্য পৰীক্ষা শিবিৰটি উক্ত দিনা পুৱা ১০ বজাৰ পৰা স্থানীয় ক'ৰচুং সত্ৰ ৰাস মন্দিৰ প্ৰাংগণত অনুষ্ঠিত হ'ব। উক্ত শিবিৰত কিডনী ষ্টোনৰ সমস্যা, প্ৰষ্টেট গ্ৰন্থিৰ সমস্যা, কিডনী বিকল হোৱা, পুৰুষ আৰু মহিলাৰ প্ৰস্ৰাৱৰ সমস্যা, কিডনী, ব্লাডাৰ আৰু প্ৰষ্টেট কেঞ্চাৰৰ লগতে পুৰুষৰ যৌন সমস্যাৰ বিনামূলীয়া চিকিৎসা প্ৰদান কৰা হ'ব। বিশেষজ্ঞ চিকিৎসক ডাঃ অৰূপ কুমাৰ নাথৰ নেতৃত্বত এটি বিশেষজ্ঞ চিকিৎসক আৰু চিকিৎসা কৰ্মীৰ দলে এই শিবিৰত বিনামূলীয়াকৈ স্বাস্থ্য পৰীক্ষাৰ লগতে চিকিৎসা প্ৰদান কৰিব। গতিকে কিডনী আৰু প্ৰস্ৰাৱৰ সমস্যাত ভুগি থকা ইচ্ছুক লোকসকলক উক্ত শিবিৰত অংশগ্ৰহণ কৰিবৰ বাবে আগতীয়াকৈ ৮৪৫৩৭-৩৫৭৩৪, ৮৭৫১০-৯২১৫৫ অথবা ৭০০২৭-৩৫১৫৭ নম্বৰত যোগাযোগ কৰিবলৈ সোণাইপৰীয়া ৰঙালী বিহু উৎসৱ উদযাপন সমিতিৰ বিষয়-ববীয়া অনুপ বৰাই অনুৰোধ জনাইছে।

# বৰপেটাৰোড সাহিত্য সভাৰ অধিৱেশন সম্পন্ন, নতুন সমিতি গঠন

**ই-সংবাদ, বৰপেটাৰোড, ১৮ জানুৱাৰীঃ** বৰপেটাৰোড সাহিত্য সভাৰ দ্বি-বাৰ্ষিক অধিৱেশনখন বৰপেটাৰোড সাহিত্য সভা ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সভাত আগন্তুক দুবছৰীয়া কাৰ্যকালৰ বাবে এখন নতুন কাৰ্যকৰী সমিতিখন গঠন কৰা হয়। পুৱা জ্যোতি দিৱস উপলক্ষে বিষ্ণু জ্যোতি সৰোবৰত থকা জ্যোতিপ্ৰসাদ আগৰৱালা লগতে বিষ্ণু ৰাভা আৰু ভূপেন হাজৰিকাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতে বৰপেটাৰোড সাহিত্য সভাৰ উপ-সভাপতি অৰূপ বায়নৰ সভাপতিত্বত অনুষ্ঠিত শেষৰখন কাৰ্যনিৰ্বাহক সভাত বছৰেকীয়া হিচাপৰ লগতে কেবাটিও প্ৰস্তাৱ গ্ৰহণ কৰি সাধাৰণ সভালৈ প্ৰেৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পিছতে বৰপেটাৰোড সাহিত্য সভাৰ সভাপতি হিতেশ দাসৰ সভাপতিত্বত দ্বি-বাৰ্ষিক অধিৱেশনখন অনুষ্ঠিত হয়। অধিৱেশনত সম্পাদক কুলেন চৌধুৰীয়ে কাৰ্যনিৰ্বাহক সভাৰ প্ৰস্তাৱসমূহ পাঠ কৰাৰ লগতে প্ৰস্তাৱসমূহ বিতং আলোচনা কৰি সাধাৰণ সভাই গৃহীত কৰে। সভাপতিৰ ভাষণৰ পিছতে পুৰণি সমিতিখন ভংগ কৰি এখন শক্তিশালী নতুন সমিতি গঠন কৰা হয়। বৰপেটাৰোড সাহিত্য সভাৰ পৰৱৰ্তী সভাপতি হিচাপে অৰূপ বায়ন, উপ-সভাপতি হিচাপে অৰূপ কুমাৰ বায়ন, সম্পাদক ৰমেন শৰ্মা, সহঃ সম্পাদক হিচাপে দিগন্ত দাস, প্ৰকাশন সচিব ধনজিত দাস, গ্ৰন্থাগাৰ আহ্বায়ক অলকেশ বায়ন, ভৱন উন্নয়ন আহ্বায়ক ডঃ ৰূপজিৎ দাস, বুবুল ডেকা, প্ৰাচীৰ পত্ৰিকা আহ্বায়ক হিচাপে কুলেন চৌধুৰীক লৈ ২১ জনীয়া এখন সমিতি গঠন কৰে। উক্ত অধিৱেশনত কেইবাগৰাকীও অসম সাহিত্য সভাৰ আজীৱন সভ্য উপস্থিত থাকে।

# আজান ফকিৰ খ্যাত মুৱাজ্জিন মফজাল হুছেইনৰ বিয়োগ

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৮ জানুৱাৰীঃ** কামৰূপ জিলাৰ গোগ গাঁৱৰ জানোপাৰ জামাতৰ মুৱাজ্জিন মফজাল আলীৰ কালি সন্ধিয়া মৃত্যু ঘটে। অঞ্চলটোৰ এগৰাকী বয়োজ্যেষ্ঠ তথা সন্মানীয় ব্যক্তি হিচাপে পৰিচিত মফজাল হুছেইনে বিগত প্ৰায় পঞ্চাশ বছৰৰো অধিক কাল গোগ জানোপাৰ মছজিদৰ মুৱাজ্জিন হিচাপে কৰ্মৰত আছিল। কৰ্মৰত অৱস্থাত তেওঁ নামাজৰ প্ৰতিটো ওৱাক্তৰ আজান দিয়াৰ লগতে মছজিদৰ আনুসংগিক কামবোৰ বহু আন্তৰিকতাৰে সমাপন কৰিছিল। বাৰ্ধক্যজনিত কাৰণত মফজাল হুছেইনে কালি সন্ধিয়া নিজ বাসগৃহতে শেষ নিশ্বাস ত্যাগ কৰে। আজি দিনৰ ১০.১৫ বজাত গোগ আনজুমান ঈদগাহৰ সমীপৰ ৰাজহুৱা কবৰস্থানত অসংখ্য গুণমুগ্ধৰ উপস্থিতিত জানোপাৰ জামাতৰ ঈমাম চিহাবুল চাহাবে তেওঁৰ জানাজা নামাজ সম্পন্ন কৰে। হুছেইনে মৃত্যুৰ সময়ত দুই পুত্ৰ-বোৱাৰী, তিনি জী-জোঁৱাই আৰু নাতি-নাতিনীক ইহঁসংসাৰত এৰি থৈ যায়। মৃত্যুৰ সময়ত হুছেইনৰ বয়স আছিল ৮৬ বছৰ। মফজাল হুছেইনৰ বিয়োগত গাঁৱৰ সামাজিক সংস্থা সচেতন নাগৰিক মঞ্চ, গোগ-বৰপলহা-ক্ষুদ্ৰপলহা, আনজুমানে মুছলিম ঈদগাহ সমিতি, গোগ স্পৰ্টছ এছ'চিয়েচন এণ্ড প্ৰবীণ লাইব্ৰেৰী, ৰুৰেল ইয়ুথ ক্লাব এণ্ড ছাহিদুৰ ৰহমান লাইব্ৰেৰী, জ্যোতি যুৱক সংঘ, গোগ-জানোপাৰ, কাজী চুবা মছজিদ সমিতি, জানোপাৰ চুবা মছজিদ সমিতি, আমতল চুবুৰী মছজিদ সমিতি, আমৰতল নতুন মছজিদ সমিতি, ভূটীয়া চুবা মছজিদ সমিতি, খলিফা চুবা মছজিদ সমিতি, মুঞ্চিআলি মছজিদ সমিতিয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। তেওঁৰ মৃত্যুত অঞ্চলটোৰ লগতে সমগ্ৰ বাইহাটা চাৰিআলিত শোকৰ ছাঁ পৰিছে।

# আগমনিত নদীত উদ্ধাৰ চুৰি বাইক

**ই-সংবাদ, গোলকগঞ্জ, ১৮ জানুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত পাৰৰছৰা গাঁৱৰ ৰায়ডাক নদীত আজি পুৱা এখন চুৰি বাইক উদ্ধাৰ হোৱা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ছয় মাহ পূৰ্বে ৰামৰাইকুঠী গাঁৱৰ মানিক চন্দ্ৰ ৰায়ৰ AS-17 E-0487 নম্বৰৰ স্পেলেণ্ডাৰ বাইকখন নিশা পাৰৰছৰা গাঁৱৰ এঘৰৰ সন্মুখৰ পৰা নোহোৱা হয়। চাৰিওফাল বিচাৰ-খোচাৰ কৰিও বাইকখন নাপাই আগমনি থানাত অৱগত কৰে। গাঁওখনৰ মাজেৰে বৈ যোৱা ৰায়ডাক নদীৰ পানী কমি যোৱাত বাইকখনৰ আইনা আৰু হেণ্ডেলৰ কিছু অংশ দৃশ্যমান হয়। আজি পুৱা স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি আগমনি আৰক্ষীক খবৰ দিয়ে। আগমনি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ বাইকখন পানীৰ পৰা উদ্ধাৰ কৰে। বাইকখন মানিক চন্দ্ৰ ৰায়ৰ বুলি চিনাক্ত হয়। কোনো অজ্ঞাত দুৰ্বৃত্তই বাইকখন চুৰি কৰি লৈ যাব নোৱাৰি পানীত পেলাই থৈ যোৱা বুলি ৰাইজে সন্দেহ প্ৰকাশ কৰিছে।

# চতেমাৰীত ৭৫সংখ্যক মাঘী সভা মহোৎসৱ

ই-সংবাদ, মুকালমুৱা, ১৮ জানুৱাৰীঃ চতেমাৰী গাঁও পৰিচালনা কমিটীৰ উদ্যোগত আৰু চতেমাৰী অমৰজ্যোতি যুৱক সংঘৰ সহযোগত চতেমাৰীত তিনিদিনীয়াকৈ ভোগালী বিহু আৰু মাঘী সভা মহোৎসৱ উদযাপন কৰা হয়। চতেমাৰী বুঢ়া গোপাল নামঘৰ প্ৰাংগণত তিনিদিনীয়াকৈ উদযাপন কৰা হয় ভোগালী বিহু আৰু মাঘী সভা মহোৎসৱ। চতেমাৰী গাঁও পৰিচালনা কমিটীৰ সভাপতি অৱনী তালুকদাৰ আৰু সহঃ সম্পাদক বিদিত তালুকদাৰে জানিবলৈ দিয়া অনুসৰি পুৱা সমূহীয়া চাফাই, ধৰ্মালোচনী সভা, ৰাজহুৱা হোমযজ্ঞৰ পিছত ভক্তসকলেও ধূপ-চাকিৰে নিজৰ মনোকামনা পূৰণৰ অৰ্থে বুঢ়া গোপাল নামঘৰত আৰাধনা কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আৰ জি কৰ মেডিকেল

বিচাৰ প্ৰক্ৰিয়াৰ অন্তত আজি এই গোচৰত একমাত্ৰ অভিযুক্ত সঞ্জয় ৰায়ক দোষী সাব্যস্ত কৰিছে শিয়ালদহ আদালতে। অহা সোমবাৰে আদালতে শাস্তি ঘোষণা কৰিব অপৰাধী সঞ্জয়ৰ। আদালতে সঞ্জয় ৰায়ক যাৱজ্জীৱন কাৰাদণ্ড অথবা মৃত্যুদণ্ডৰ শাস্তি বিহিব পাৰে। উল্লেখ্য যে, এই ঘটনা সংঘটিত হৈছিল বিগত বৰ্ষৰ ৯ আগষ্টত। কলকাতাৰ আৰ জি কৰ মেডিকেল কলেজ হাস্পতালত নৈশ কৰ্তব্যৰত সোদৰেপুৰৰ এগৰাকী মহিলা প্ৰশিক্ষাৰ্থী চিকিৎসকৰ মৃতদেহ উদ্ধাৰ হৈছিল হাস্পতালখনৰ ছেমিনাৰ হলত। তদন্তত চিকিৎসকগৰাকীক ধৰ্ষণ কৰি হত্যা কৰা বুলি পোহৰলৈ অহাৰ পিছতে সমগ্ৰ দেশজুৰি ক্ষোভৰ উদগীৰণ ঘটে। এই নৃশংস কাণ্ডৰ প্ৰায় ছমাহৰ পাছত ১৮ জানুৱাৰীত আদালতে ৰায়দান কৰি ভাৰতীয় দণ্ডবিধিৰ ৩৭৬ (ধৰ্ষণ), ৩০২ (হত্যা), আৰু ২০১ (প্ৰমাণ ধ্বংস কৰা) ধাৰাত সঞ্জয় ৰায়ক দোষী সাব্যস্ত কৰে। সমগ্ৰ দেশ জোকাৰি যোৱা এই গোচৰৰ বিচাৰ বিগত কেইমাহমানৰ পৰা অত্যন্ত অশান্তিপূৰ্ণ হৈ পৰিছিল। এই গোচৰক লৈ আৰম্ভ হৈছিল ৰাজনৈতিক বাক-বিবাদৰো। অৱশ্যে সঞ্জয় ৰায়ক সকলো অভিযোগতে দোষী সাব্যস্ত কৰি আদালতে দিয়া আজিৰ ৰায়দানে দীৰ্ঘদিনীয়া ক্ষোভ কিছু হ'লেও শাম কটাবলৈ সক্ষম হৈছে। সঞ্জয় ৰায়ক দোষী সাব্যস্ত কৰাৰ পিছত আজি শিয়ালদাহ আদালতৰ ন্যায়াধীশ অনিৰ্বান দাসে কয়, “এতিয়ালৈকে দাখিল কৰা প্ৰমাণ আৰু সাক্ষ্যৰ ভিত্তিত অভিযুক্ত সঞ্জয় ৰায় দোষী। তেওঁ মহিলা চিকিৎসকগৰাকীক ধৰ্ষণ কৰি হত্যা কৰিছিল আৰু প্ৰমাণ ধ্বংস কৰিবলৈ চেষ্টা কৰিছিল।" ইয়াৰ পিছত সঞ্জয় ৰায়ৰ অধিবক্তাই দাবী কৰে যে তেওঁৰ মক্কেলক এই গোচৰত মিছাকৈ অভিযুক্ত কৰা হৈছে। সঞ্জয়ৰ অধিবক্তাই সংবাদ মাধ্যমৰ আগত লগতে দাবী কৰে যে এতিয়াও তেওঁলোকে 'ভিচচেৰা ৰিপ'ৰ্ট' লাভ কৰা নাই। এই ৰিপ'ৰ্টত যদি মহিলা চিকিৎসকগৰাকীৰ মৃত্যু পূৰ্বেই সংঘটিত হৈছিল বুলি পোহৰলৈ আহে, তেন্তে সঞ্জয় ৰায়ৰ নিৰ্দোষিতা প্ৰমাণিত হ'ব বুলিও দাবী কৰে অধিবক্তাই। কিন্তু আদালতে তেওঁৰ দাবীৰ মূল্যায়ন নকৰাকৈয়ে গোচৰটোৰ প্ৰমাণ আৰু চিবিআইৰ তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত সঞ্জয় ৰয়ক দোষী সাব্যস্ত কৰে। ইয়াকে লৈ কৰ্টৰ সন্মুখত সঞ্জয়ে চিঞৰি কয়, "মই একো কৰা নাছিলো। মোৰ ডিঙিত ৰুদ্ৰাক্ষৰ মালা আছিল, আৰু ৰুদ্ৰাক্ষৰ মালা পিন্ধি অপৰাধ কৰাটো সম্ভৱ নহয়।" কিন্তু আদালতে তেওঁৰ দাবী নাকচ কৰে। বিচাৰৰ দিনা সঞ্জয়ে আৰু অভিযোগ কৰে, "মই যদি এই অপৰাধ সংঘটিত কৰিলোঁহেঁতেন তেন্তে মোৰ ডিঙিৰ ৰুদ্ৰাক্ষৰ মালা ছিঙি পৰিলেহেঁতেন। কিন্তু তেনেকুৱা একো নহ'ল, মই নিৰ্দোষী।" অৱশ্যে সঞ্জয় ৰায়ৰ এই দাবীৰ কোনো প্ৰমাণ লাভ কৰা নাই তদন্তকাৰী দলে। চিবিআইৰ অধিবক্তাই কয়, “এয়া ভিত্তিহীন। প্ৰমাণৰ ভিত্তিত সঞ্জয় ৰায়ক দোষী সাব্যস্ত কৰা হৈছে।" ইফালে, সঞ্জয়ৰ বিৰুদ্ধে আৰক্ষীৰ প্ৰাৰম্ভিক তদন্তত লাভ কৰা চিচিটিভি ফুটেজ আৰু অন্যান্য দৃশ্যগত প্ৰমাণে অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ১৩ আগষ্টত শিয়ালদাহ আদালতে চিবিআইৰ তদন্তৰ নিৰ্দেশ দিয়াৰ পিছত চিবিআইয়ে গোচৰটোৰ ওপৰত গভীৰ দৃষ্টি নিক্ষেপ কৰি ৭ অক্টোবৰত অভিযোগনামা দাখিল কৰে।

জ্যোতিৰ জন্মস্থানক পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ দাবী

# ৰূপকোঁৱৰৰ ওপজা গৃহ তামোলবাৰীত ডিব্ৰুগড় সাহিত্য সভাৰ শিল্পী দিৱস

**ই-সংবাদ, ডিব্ৰুগড়, ১৮ জানুৱাৰীঃ** অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ অনবদ্য অৱদান আগবঢ়াই যোৱা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মস্থান তামোলবাৰীক সংৰক্ষণ, সংবৰ্ধন কৰাৰ লগতে এক পৰ্যটন ক্ষেত্ৰৰূপে গঢ়ি তোলা আৰু থলুৱা সাংস্কৃতিক উপাদান, গীত-মাত তথা বাৰেৰহনীয়া কলা-কৃষ্টি-সংস্কৃতিৰ ভঁৰাল আৰু গৱেষণা কেন্দ্ৰ হিচাপে গঢ়ি পৰ্যটনৰ কেন্দ্ৰ ৰূপে প্ৰতিষ্ঠা কৰিবলৈ সজোৰে দাবী উত্থাপন কৰিছে ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাই। ১৮৯৩ চনতে স্থাপিত ঐতিহ্যমণ্ডিত ডিব্ৰুগড় সাহিত্য সভাই জ্যোতি প্ৰসাদ আগৰৱালাৰ মৃত্যু তিথি মহান মনীষী জনাৰ জন্মগৃহ ডিব্ৰুগড়ৰ তামোলবাৰীত অনুষ্ঠিত কৰি অসম চৰকাৰলৈ জ্যোতিৰ গৃহটো এক তীৰ্থস্থান হিচাপে সংৰক্ষিত কৰাৰ বাবে সজোৰে দাবী উত্থাপন কৰিছে। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকি প্ৰবাসী অসমীয়া তথা সুদূৰ স্কটলেণ্ডৰ শাখা সাহিত্য সভাৰ উপ-সভাপতি নিৰলা বৰুৱাই জ্যোতি প্ৰসাদৰ আৱক্ষ মূৰ্তিত বন্তি প্ৰজ্বলন কৰে। বন্তি প্ৰজ্বলন কৰি জ্যোতি প্ৰসাদ আগৰৱালাৰ জন্মস্থান এতিয়া একবিংশ শতিকাতো এনেদৰে উপেক্ষিত হৈ থকা বিষয়টোত উদ্বেগ প্ৰকাশ কৰি স্কটলেণ্ডৰ এগৰাকী মনীষী ব্যক্তি ৰবাৰ্ট বাৰ্ণছক স্কটলেণ্ডবাসীয়ে কেনেদৰে সকলোৱে হৃদয়ত ৰাখিছে, সেই উদাহৰণ দি জ্যোতিপ্ৰসাদ আগৰৱালাৰ ক্ষেত্ৰত অসমবাসীয়ে আজি পৰ্যন্ত তেনে কৰিব পৰা নাই বুলি কয়। তেওঁ আশা প্ৰকাশ কৰে যে, অনাগত দিনত এই জ্যোতিৰ জন্ম ক্ষেত্ৰক এক পৰ্যটন ক্ষেত্ৰ হিচাপে সংৰক্ষিত কৰা ক্ষেত্ৰত সকলোৱে আগবাঢ়ি আহিব। জ্যোতিপ্ৰসাদে অন্যান্য বিদেশী ৰাষ্ট্ৰসমূহ ভ্ৰমণ কৰাৰ লগতে স্কটলেণ্ডো ভ্ৰমণ কৰা বুলি কৈ সেই গৰাকী ব্যক্তিৰ আদৰ্শ এতিয়াও প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত পিছ পৰি থকা বুলি কৈ সুন্দৰৰ পূজাৰী জ্যোতিৰ সৃষ্টিৰাজিৰ বিষয়ে বক্তৃতা প্ৰদান কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি জ্যোতি বৰগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত উপস্থিত থাকি ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ভাষণ প্ৰসংগত কয় যে, সুন্দৰৰ পূজাৰী জ্যোতি প্ৰসাদ আগৰৱালাই গীত, নৃত্য, নাটক, চলচ্চিত্ৰ সৃষ্টি কৰা জ্যোতিতীৰ্থ ৰূপে গঢ়ি তোলা এই বাসগৃহক বিভাগীয় কৰ্তৃপক্ষক চিনেমাৰ অধ্যয়ন তথা গৱেষণাৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শিল্পী দিৱস উদযাপন কৰিছে যদিও ডিব্ৰুগড় সাহিত্য সভাই জ্যোতি প্ৰসাদ আগৰৱালাৰ জন্ম স্থানত উপস্থিত হৈ এনেদৰে মহান মনীষী জনাৰ স্মৃতি ৰোমন্থন কৰি এক মহৎ প্ৰচেষ্টা কৰা বুলিও কয়। অনুষ্ঠানত জ্যোতি সংগীতৰ সাধক তথা অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত জ্যোতি সংগীতৰ প্ৰশিক্ষক ভুৱন গগৈয়ে জ্যোতি প্ৰসাদ আগৰৱালাৰ কেইবাটাও গীত পৰিৱেশন কৰাৰ লগতে বিশিষ্ট সাহিত্যিক, অনুবাদক দেৱী প্ৰসাদ বাগ্ৰডিয়াই হিন্দী লৈ অনুবাদ কৰা কেইবাটাও জ্যোতিপ্ৰসাদৰ গীত পৰিৱেশন কৰে। উপ-সভাপতি যাদৱ গগৈয়ে অসমৰ কলা, সাহিত্য-সংস্কৃতি ক্ষেত্ৰখনৰ অন্যতম মনীষী ৰূপকোঁৱৰ আগৰৱালাৰ জন্মস্থান ডিব্ৰুগড় জিলাৰ লাহোৱাল বিধানসভা সমষ্টিৰ মদাৰখাত মৌজাৰ অন্তৰ্গত মেলেঙীয়াল গাঁও সমীপৰ সেউজীয়া চাহ বাগিচাৰে পৰিবেষ্টিত তামোলবাৰী, যি গৃহ ৰূপকোঁৱৰৰ সৃষ্টিৰাজিৰ কঠিয়াতলী, সেই কঠিয়াতলীক অসমীয়া ৰাইজে যথোপযুক্তভাৱে সংৰক্ষণ কৰিব নজনাটো অতি দুৰ্ভাগ্যজনক বুলি কয়। তেওঁ লগতে কয় যে, অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰাৰ নিজ জিলা মদাৰখাতৰ তামোলবাৰীত থকা অসমৰ সৰ্বকালৰ এগৰাকী শ্ৰেষ্ঠ অসমীয়া হিচাপে পৰিচিত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্মগৃহটো সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব নোৱাৰাটো অতি দুৰ্ভাগ্যজনক। সাংস্কৃতিক বিভাগৰ মন্ত্ৰী বিমল বৰা অসমীয়া কলা, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰখনৰ শ্ৰেষ্ঠ শিল্পী, খনিকৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন, কৰ্ম, সৃষ্টিৰ স'তে জড়িত জন্মগৃহটোত পূৰ্বে অসমৰ পূৰ্বৰ মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে তামোলবাৰীৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ বাসগৃহত উপস্থিত হৈ এক ৰাজকীয় অনুষ্ঠানতে জ্যোতিৰ গৃহটো সংৰক্ষণ, সংবৰ্ধন কৰাৰ লগতে মাজুলীস্থিত অসম সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ এক শাখা খুলি উজনি অসমৰ বাৰেৰহনীয়া চহকী কলা-সংস্কৃতিৰ গৱেষণা আৰু অধ্যয়নৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হ'ব বুলি ৰাজহুৱাকৈ ঘোষণা কৰিছিল যদিও আজি পৰ্যন্ত কোনো কাম আগবঢ়া নাই বুলি কয়।

# কাকপথাৰত অসম যোদ্ধা ফাউণ্ডেচনৰ শিল্পী দিৱস উদযাপন

**ই-সংবাদ, ডুমডুমা, ১৮ জানুৱাৰীঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে কাকপথাৰতো 'শিল্পী দিৱস' উদযাপন কৰা হয়। অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন "অসম যোদ্ধা ফাউণ্ডেচন"ৰ কাকপথাৰ আঞ্চলিক সমিতিৰ উদ্যোগত কাকপথাৰ আঞ্চলিক সাংস্কৃতিক সংঘৰ প্ৰাংগণত শিল্পী দিৱস উপলক্ষে অনুষ্ঠিত হয় গীত-মাতৰ এক সন্ধিয়া। অনুষ্ঠানৰ আৰম্ভণিতে ৰূপান্তৰৰ শিল্পী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনৰ পিছতে গীত, নৃত্য, কবিতাৰ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠান আৰম্ভ হোৱাৰ আগমুহূৰ্তত সদ্যপ্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ মৃত্যুত এক মিনিট মৌন প্ৰাৰ্থনাৰে বিপ্লৱী শিল্পীজনক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী বিনা বৰকটকী আৰু ক্ষীৰদা সোণোৱাল গগৈয়ে। অনুষ্ঠানত অসম মৰাণ সভাৰ বিষয়ববীয়া প্ৰভাত মৰাণ, কাকপথাৰ শাখা সাহিত্য সভাৰ সভানেত্ৰী অঞ্জনা দলৈ ভুঞা, কাকপথাৰ প্ৰেছ ক্লাবৰ সম্পাদক মিণ্টু তালুকদাৰ উপস্থিত থাকে। অনুষ্ঠানত বৃষ্টিৰাণী ডেকা, উদীয়মান কণ্ঠ শিল্পী ফ্লুৰিন বৰুৱাৰ উপৰি কাকপথাৰৰ বোৱাৰী, অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী সংগীতা হাজৰিকায়ো জ্যোতি সংগীত পৰিৱেশন কৰি অনুষ্ঠানটি জীপাল কৰি তোলে। অনুষ্ঠানটি পৰিচালনা কৰে অসম যোদ্ধা ফাউণ্ডেচনৰ বিষয়ববীয়া তথা জনপ্ৰিয় কণ্ঠশিল্পী বসন্ত সন্দিকৈয়ে।

# লাহৰীঘাটৰ কুশতলিত ভয়াৱহ অগ্নিকাণ্ড



**ই-সংবাদ, লাহৰীঘাট, ১৮ জানুৱাৰীঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কুশতলিত এক ভয়াৱহ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। কুশতলিৰ বজাৰ ঘাটত যোৱা নিশা সংঘটিত হয় এই ভয়ংকৰ অগ্নিকাণ্ডটো। অগ্নিকাণ্ডটোত নিমিষতে জুইত জাহ যায় প্ৰদীপ ৰবিদাস নামৰ লোকজনৰ বাসগৃহ। কথমপি প্ৰাণ ৰক্ষা পৰে প্ৰদীপ ৰবিদাসৰ পত্নীসহ তিনি সন্তানৰ। অগ্নিকাণ্ডটোত পৰিয়ালটোৰ বাসগৃহকে ধৰি সকলো সা-সামগ্ৰী সম্পূৰ্ণৰূপে ভস্মীভূত হয়। লগে লগে ঘটনাস্থলীত অগ্নিনিৰ্বাপক বাহিনী গাড়ী উপস্থিত হৈ জুই নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হয়। অগ্নিকাণ্ডৰ ভয়ংকৰ বিপদৰ পৰা ৰক্ষা পৰিল কুশতলি সাপ্তাহিক বজাৰ আৰু মৰিগাঁও জিলা নিয়ন্ত্ৰিত বজাৰ সমিতিৰ কাৰ্যালয়টো। চৌকাৰ জুইৰ পৰা অগ্নিকাণ্ডটো সংঘটিত হোৱাৰ সন্দেহ প্ৰকাশ কৰা হৈছে যদিও অগ্নিকাণ্ডৰ প্ৰকৃত কাৰণ গম পোৱা হোৱা নাই।

# লুখুৰাখনত ভোগালী বিহু উদযাপন অনুষ্ঠানৰ সফল সমাপন

**ই-সংবাদ, মৰিয়নি, ১৮ জানুৱাৰীঃ** যোৰহাট জিলাৰ মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত চেলেংহাটৰ লুখুৰাখন গাঁৱত বিস্তৃত দুদিনীয়া কাৰ্যসূচীৰে ভোগালী বিহু উদযাপন কৰা হয়। বৃহত্তৰ চেলেংহাট অঞ্চলৰ অন্যতম পুৰাতন গোষ্ঠী জেউতি শিল্পী সমাজৰ উদ্যোগত আৰু লুখুৰাখন গাঁওবাসীৰ সহযোগত যোৱা ১৫ আৰু ১৬ জানুৱাৰীত অনুষ্ঠিত হয় ভোগালী বিহু। কাৰ্যসূচী অনুযায়ী ১৫ জানুৱাৰীত চাফাই কাৰ্যসূচীৰ পিছতেই পুৱা ৮ বজাত পতাকা উত্তোলন কাৰ্যসূচী সম্পন্ন হয়। পতাকা উত্তোলন কৰে লুখুৰাখন জেউতি শিল্পী সমাজৰ সভাপতি দেৱজিৎ সন্দিকৈয়ে। স্মৃতি তৰ্পণ কৰে নামঘৰ উন্নয়ন সমিতিৰ সভাপতি ললিত সন্দিকৈয়ে। পুৱা ৯:৩০ বজাৰ পৰা ক্ৰীড়া প্ৰতিযোগিতা আৰম্ভ হয়। প্ৰতিযোগিতাৰ উদ্বোধন কৰে প্ৰাক্তন ৰাজ্যিক পৰ্যায়ৰ খেলুৱৈ অনিমা গগৈ(শান্তি)য়ে। সন্ধিয়া ছয় বজাত প্ৰথম দিনৰ অন্তিম কাৰ্যসূচী অসমীয়া আধুনিক গীতৰ আধাৰত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ উদ্বোধন কৰে বিশিষ্ট কবি উজ্জ্বল পাওগামে। সেইদৰে ১৬ জানুৱাৰীত পুৱা ৯ বজাত ভেশচন প্ৰতিযোগিতাৰে দ্বিতীয় দিনৰ কাৰ্যসূচী আৰম্ভ হয়। পুৱা ১০ বজাত অনুষ্ঠিত সাহিত্য প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে বিশিষ্ট নাট্যকাৰ-পৰিচালক মুনীন্দ্ৰ গগৈয়ে। ইয়াৰ পিছত পৰ্যায়ক্ৰমে চিত্ৰাংকন প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া পাঁচ বজাত স্বৰ্গীয় গোলাপ গগৈ আৰু প্ৰবীণা গগৈৰ সোঁৱৰণত বন্তি প্ৰজ্বলন কাৰ্যসূচী অনুষ্ঠিত হয়।

# সমাজকৰ্মী পোনা হাজৰিকাৰ দেহাৱসানত বটদ্ৰৱাত শোকৰ ছাঁ



**ই-সংবাদ, বেবেজীয়া, ১৮ জানুৱাৰীঃ** নগাঁও জিলাৰ বটদ্ৰৱা নৰোৱা সত্ৰৰ মুক্তিয়াৰ, ধৰ্মপৰায়ণ ব্যক্তি, সমাজকৰ্মী তথা বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী পোনা হাজৰিকাৰ শনিবাৰে নিজ বাসগৃহত দেহাৱসান ঘটে। বিগত কিছুবছৰ ধৰি শাৰিৰীক অসুস্থতাত ভুগি থকা হাজৰিকাক চিকিৎসকৰ পৰামৰ্শ অনুসৰি ঘৰতে চিকিৎসা প্ৰদান কৰি থকা হৈছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৪ বছৰ। গুৰুজনাৰ একান্ত সেৱক হাজৰিকা অঞ্চলৰ বিভিন্ন সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত থাকি সমাজৰ হকে সেৱা আগবঢ়াই আহিছিল। সৎ, অমায়িক আৰু মৰমীয়াল স্বভাৱৰ হাজৰিকাৰ বিয়োগত বৃহত্তৰ বটদ্ৰৱা অঞ্চলত শোকৰ ছাঁ পৰিছে। সৰবৰহী ব্যক্তি হাজৰিকাৰ মৃত্যুত বটদ্ৰৱা নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লান জ্যোতি দেৱগোস্বামী, বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ অনিল শইকীয়া, বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱজিৎ মহন্তকে আদিকে প্ৰমুখ্য কৰি বিভিন্নজনৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জনাইছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এজন পুত্ৰ, দুগৰাকী কন্যা, বোৱাৰী, জোৱাই, নাতি, নাতিনীসহ অনেক আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়।

# 'শাওণৰে মিঠা বৰষুণ'ৰ শুভমুক্তি

**ই-সংবাদ, পুৰণিগুদাম, ১৮ জানুৱাৰীঃ** শিল্পী দিৱসৰ লগত সংগতি ৰাখি কালি নগাঁৱৰ জিলাৰ চামগুৰিত ডি ডি প্ৰডাকচনৰ বেনাৰত সুকণ্ঠী গায়িকা মন্দিৰা বৰদলৈৰ কণ্ঠত এটি অসমীয়া ৰোমান্টিক গীতৰ ভিডিঅ' 'শাওণৰে মিঠা বৰষুণ' শীৰ্ষক দৃশ্য-শ্ৰব্য গীতটোৱে ডিজিটেল মাধ্যমযোগে মুক্তি লাভ কৰে। নৃপেন হাজৰিকা এণ্টাৰটেইণ্টমেণ্ট নামৰ ইউটিউব চেনেলযোগে মুক্তি লাভ কৰা মিউজিক ভিডিঅ'টিৰ কথা আৰু সুৰ কানু কন্দলিৰ। সংগীতেৰে সজাইছে মিণ্টু হাজৰিকা আৰু লৰ বৰাই। নৱাগত বাস্তৱ বৰা আৰু নিশিতা বৰফুকনে সুন্দৰ অভিনয় কৰা উক্ত দৃশ্য-শ্ৰব্য ভিডিঅ'টোত কৰিঅ'গ্ৰাফ কৰিছে ইন্দ্ৰজিত এৰিন দাস আৰু সহযোগী পূজা বৰাই। নগাঁৱৰ বিভিন্ন মনোৰম লোকেচনত দৃশ্যগ্ৰহণ কৰা এই দৃশ্য-শ্ৰব্য ভিডিঅ'টোৰ সামগ্ৰিক পৰিকল্পনা, পৰিচালনা, সম্পাদনা, ৰেকৰ্ড, ডিঅ'পি নৃপেন হাজৰিকাৰ(মিণ্টু)। কেমেৰাত সহযোগ কৰিছে চাজুৱে।

# পিজিআৰ ভিজিআৰ প্ৰসংগক লৈ বিজেপিক তীব্ৰ সমালোচনা দল-সংগঠনৰ

**ই-সংবাদ, ডিফু, ১৮ জানুৱাৰীঃ** পিজিআৰ-ভিজিআৰ ভূমিত উচ্ছেদৰ দাবীত উত্তাল প্ৰতিবাদ কৰাৰ বিৰুদ্ধে বিজেপি দলৰ মুখপত্ৰৰ এটা দলে কৰা সমালোচনাৰ তীব্ৰ প্ৰত্যুত্তৰ দিয়ে পিজিআৰ-ভিজিআৰ ভূমিত উচ্ছেদৰ দাবী চলোৱা বিভিন্ন দল-সংগঠনৰ নেতৃবৃন্দই। আজি কাৰ্বি আংলং জিলা প্ৰেছ ক্লাবত সংবাদমেল সম্বোধন কৰি খৰছিং টেৰণ আৰু লিটচন ৰংফাৱে কয় যে পিজিআৰ-ভিজিআৰ ভূমিত উচ্ছেদ হে আমি বিচাৰিছো, কোনো সম্প্ৰদায়ৰ বিৰুদ্ধে আমি এই আন্দোলন চলোৱা নাই। উক্তদিনা আমি প্ৰশাসনৰ অনুমতি লৈহে এই প্ৰতিবাদ সাব্যস্ত কৰিছিলো। কৰকাঠিত এক ৰাজহুৱা সভাত হাওৰাঘাটৰ বিধায়ক দৰছিং ৰংহাঙে আমাক পাগল আৰু অসাংবিধানিক শব্দৰে কৰা মন্তব্যৰ আমি প্ৰতিবাদ জনাইছো। একেদৰে প্ৰতিবাদী কাৰ্যসূচীত দুয়োপক্ষই পুত্তলিকা দাহ কাৰ্য বন্ধ কৰাৰো অনুৰোধ জনায় টেৰণে। লগতে বিজেপিৰ মুখপাত্ৰসকলে মুণ্ডন কৰা কাৰ্য অসাংবিধানিক বুলি যি বাখ্যা দিছে সেয়া শুদ্ধ নহয় বুলি উল্লেখ কৰি মুণ্ডন কৰি প্ৰতিবাদ সাব্যস্ত কৰাটো আজি কালি এক প্ৰতিকী প্ৰতিবাদী কাৰ্যসূচী বুলিও উল্লেখ কৰে। একেদৰে বিজেপি মুখপাত্ৰসকলে টিয়ানেমমেন স্কুৱেৰৰ উদাহৰণেৰে আমাৰ প্ৰতিবাদী কাৰ্যসূচীক তুলনা কৰা কথাটো গ্ৰহণযোগ্য নহয় বুলি সংবাদ মেলত উল্লেখ কৰি কয় যে ১৯৮৯ত ছাত্ৰৰ প্ৰতিবাদী কাৰ্যসূচীত টিয়ানেমমেন স্কুৱেৰত বাওঁপন্থী সেনাই বহু নিৰীহক হত্যা কৰিছিল। বিজেপি চৰকাৰেও এনে পন্থা গ্ৰহণ কৰিব নেকি বুলি প্ৰশ্ন কৰি এয়া একনাকত্ববাদৰ পৰিচয় আখ্যা দিয়ে। এই উদাহৰণেৰে আমাক ভয়-ভাবুকি প্ৰদান কৰা বুলিও সংবাদমেলত দাবী কৰে টেৰণে।

# চেলেংহাটত অবৈধ সুৰা ব্যৱসায়ীৰ ভাবুকিত ত্ৰস্তমান অভিযোগকাৰী মহিলা

**ই-সংবাদ, মৰিয়নি, ১৮ জানুৱাৰীঃ** যোৰহাট জিলাৰ চেলেংহাট অঞ্চলত এতিয়া অবৈধ সুৰাৰ ঘাটিৰ বিৰুদ্ধে স্থানীয় আৰক্ষীক অভিযোগ দি বিপদত পৰিছে অভিযোগকাৰী। জানিব পৰা মতে, চেলেংহাট অঞ্চলৰ বৃহত্তৰ অভয়পুৰীয়াৰ অভয়পুৰীয়া, বৰাচুক, টিপমীয়া, ভলকচুক আদিৰ ১০ টা অবৈধ মদৰ ঘাটিৰ বিৰুদ্ধে স্থানীয় মহিলাসকলে চেলেংহাট আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ হাতত যোৱা ১৩ জানুৱাৰীত লিখিত অভিযোগ দাখিল কৰিছিল। অবৈধ সুৰা বিক্ৰী কৰাসকলৰ নাম-ঠিকনা উল্লেখ থকা এই অভিযোগ পত্ৰখন ৰহস্যজনকভাৱে ভাইৰেল হৈ পৰাৰ পিছত তালিকাত নাম উল্লেখ থকা একাংশ সুৰাৰ ব্যৱসায়ীয়ে ভাবুকি প্ৰদান কৰে অভিযোগকাৰী মহিলাসকলক। আনহাতে, মহিলাসকলে অভিযোগ কৰা মতে, চেলেংহাট আৰক্ষীয়ে সুৰা ব্যৱসায়ীসকলৰ বিৰুদ্ধে অভিযান চলোৱাৰ পৰিৱৰ্তে মহিলাসকলে আৰক্ষীক দিয়া তালিকাখন সংশ্লিষ্ট সুৰা ব্যৱসায়ীসকলৰ হাততহে তুলি দিয়ে। যাৰ ফলত একাংশ সুৰা ব্যৱসায়ীয়ে অভিযোগকাৰী মহিলাসকলৰ ওপৰত খৰ্গহস্ত হৈ পৰে। আজি স্থানীয় মহিলাসকলে এই সংক্ৰান্তত চেলেংহাট আৰক্ষী চকীলৈ গৈ অভিযোগ পত্ৰখন কেনেকৈ সুৰা বেপাৰীৰ হাতত পৰিল সেই বিষয়ে আৰক্ষীক প্ৰশ্ন কৰাত এগৰাকী আৰক্ষী বিষয়াই মহিলাসকলক দুৰ্ব্যৱহাৰ কৰা বুলি অভিযোগ তুলিছে মহিলাসকলে। আনহাতে, আৰক্ষী বিষয়াগৰাকীয়ে তিনি কেছ সুৰা যিকোনো মানুহে কিনি আনিব পাৰে আৰু বিক্ৰী কৰিব পাৰে বুলিহে মহিলাসকলক জানিবলৈ দিয়ে।এই ঘটনাই অঞ্চলটোত এতিয়া তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

## কামাখ্যা বায়'ফুৱেলছ ইথানল উদ্যোগে সৃষ্টি কৰিছে শব্দ প্ৰদূষণৰ

# ভয়াৱহ শব্দ প্ৰদূষণত কঁপিছে বৃহত্তৰ দুমুনিচকী অঞ্চল

**ই-সংবাদ, দুমুনিচকী, ১৮ জানুৱাৰীঃ** ভয়াৱহ শব্দ প্ৰদূষণত কঁপিছে বৃহত্তৰ দুমুনিচকী অঞ্চল। বিগত কেইবা সপ্তাহ শব্দ প্ৰদূষণত অতিষ্ঠ হৈ পৰিছে অঞ্চলটোৰ জনসাধাৰণ। দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীৰ নিকটৱৰ্তী শিঙিমাৰী বদিয়াসিচা কামাখ্যা বায়'ফুৱেলছ প্ৰাইভেট লিমিটেড নামৰ ইথান'ল প্ৰস্তুত কৰা উদ্যোগৰ শব্দ প্ৰদূষণৰ ফলত টোপনি হৰণ কৰিছে বৃহত্তৰ অঞ্চলৰ ৰাইজৰ। দৰং জিলাৰ দুমুনিচকী, গণেশকুঁৱৰী লাওজান অঞ্চলৰ প্ৰায় কুৰিখন গাঁৱৰ লগতে কামৰূপ জিলাৰ বাথান, শৰাইঘাট, আল্টা, মালিবাৰী, হিন্দু মৈজালি, হীৰাপাৰা, মালাৰা, ক্ষুদ্ৰ হাজাৰা, শালমাৰা, বেজেৰা, শিমেলিবাৰী, ভোমোলাহাটী, বৰহাজাৰা, তিতকুছি, দুমুনিচকীসহ অৰ্ধ শতাধিক গাঁও এতিয়া ভয়াৱহ শব্দ প্ৰদূষণৰ কবলত পৰিছে। সমাগত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ পূৰ্বে এনেদৰে হোৱা শব্দ প্ৰদূষণত অতিষ্ঠ হৈ পৰিছে ছাত্ৰ-ছাত্ৰীসকল। শব্দ প্ৰদূষণত পঢ়া শুনা কৰিব নোৱাৰা পৰিৱেশ হৈছে অঞ্চলটোত। দিন, ৰাতি, গভীৰ নিশা, কাহিলী পুৱা সকলো সময়তে শিঙিমাৰীত স্থাপন কৰা ইথান'ল প্ৰস্তুত কৰা বায়'ফুৱেলছ প্ৰাইভেট লিমিটেড নামৰ উদ্যোগটোৰ শব্দ প্ৰদূষণক কেন্দ্ৰ কৰি ইতিমধ্যে কামৰূপ আৰু দৰং জিলাৰ বৃহত্তৰ অঞ্চলৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত ৰহস্যজনকভাৱে মৌন দৰং জিলা প্ৰশাসন। উল্লেখ্য যে দৰং জিলাৰ দুমুনিচকীৰ ওচৰৰ শিঙিমাৰীত স্থাপন কৰা বায়ু'ফুৱেলছ প্ৰাইভেট লিমিটেড নামৰ ইথান'ল প্ৰস্তুত কৰা উদ্যোগৰ পৰা যোৱা এপষেক ধৰি ভয়ানক শব্দ প্ৰদূষণ সৃষ্টি হৈছে। দিন ৰাতি সকলো সময়তেউদ্যোগৰ পৰা আহি আছে অহৰহ ভয়াৱহ শব্দ। যেন যুদ্ধ সদৃশ পৰিৱেশ সৃষ্টি হৈছে। শব্দ প্ৰদূষণ হৈ থকা সময়ত আকাশেৰে একেলগে ১০/১২ খন যুদ্ধ বিমান যোৱা যেন অনুভৱ হয়। প্ৰথমতে অঞ্চলটোৰ ৰাইজে শব্দটো আৰম্ভ হ'লে ভয়ত বিতত হৈছিল। ক'ৰ পৰা শব্দটো আহিছে ধৰিব পৰা নাছিল। পিছলৈ গম পোৱা গ'ল যে ভয়ানক শব্দৰ উৎস হৈছে দৰং জিলাৰ শিঙিমাৰীৰ কামাখ্যা বায়ু'ফুৱেলছ প্ৰাইভেট লিমিটেড নামৰ ইথান'ল প্ৰস্তুত কৰা উদ্যোগটো। অতিষ্ঠ ৰাইজৰ অভিযোগ মতে, উদ্যোগটোৰ পৰা শব্দ প্ৰদূষণৰ লগতে বায়ু প্ৰদূষণৰো সৃষ্টি কৰিছে কামৰূপ আৰু দৰং জিলাৰ সীমামূৰীয়া বৃহত্তৰ অঞ্চলত। স্থানীয় ৰাইজৰ পৰা পোৱা খবৰ অনুসৰি উদ্যোগৰ মেচিনৰ পৰা জুই আৰু গেছ নিৰ্গত হ'লে এনেদৰে চাৰিওফালে বিকট শব্দ বাহিৰ হয়। নিশাৰ ভাগত এই শব্দই পৰিৱেশ অধিক ভয়াৱহ কৰি তোলে। এই ভয়াৱহ শব্দ উদ্যোগটোৰ পৰা ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ চাৰিওফালে থকা জনবসতিৰ মানুহে শুনিবলৈ পায়। পুৱতি নিশাৰ পৰা অহৰহ চলি থকা শব্দত মানুহ, পশু-পক্ষী সকলো সাৰ পায়। প্ৰথম দিনা এই শব্দত ওচৰে পাজৰে থকা গৰু-ছাগলী, চৰাই-চিৰিকতি ভয়ত দিশহাৰা হৈ পৰিছিল। যোৱা ১৫ দিন মান ধৰি কামাখ্যা বায়'ফুৱেলছ প্ৰাইভেট লিমিটেড নামৰ ইথান'ল প্ৰস্তুত কৰা উদ্যোগৰ পৰা এনে শব্দ ওলাই থকাৰ পিছতো শব্দৰ প্ৰাবল্য কমোৱাত অলপো গুৰুত্ব দিয়া নাই। খবৰ অনুসৰি শব্দৰ প্ৰাবল্য ক্ৰমান্বয়ে বৃদ্ধি পাইছে। এনেদৰে শব্দ প্ৰদূষণ চলি থাকিলে মানুহৰ দৈনন্দিন জীৱনত যথেষ্ট সমস্যাৰ উদ্ভৱ হোৱাৰ আশংকা বাঢ়ি আহিছে। ইফালে, আজি ভয়াৱহ শব্দ প্ৰদূষণ সন্দৰ্ভতইথান'ল প্ৰস্তুত কৰা কোম্পানীৰ এগৰাকী বিষয়াৰ পৰা জানিব বিচৰা হৈছিল। এই সন্দৰ্ভত বিষয়াগৰাকীয়ে কয় যে ভয়াৱহ শব্দ প্ৰদূষণ সৃষ্টি হোৱাটো সঁচা। ৰাইজৰ পৰাও অভিযোগ আহি আছে। উদ্যোগৰ উচ্চ পদবীত থকা বিষয়াসকলক শব্দৰ প্ৰাবল্য বৃদ্ধি পোৱাৰ বিষয়ে অৱগত কৰা হৈছে। সম্প্ৰতি কোম্পানীৰ মেচিন বিলাক চলাই অনুশীলন কৰি থকাত এনে শব্দৰ প্ৰাবল্য বঢ়া বুলি জনায়।

# ৰাণীত দুষ্কৃতিকাৰীয়ে কাটি তহিলং কৰিছে মূল্যৱান শাল-চেগুন গছ

**ই-সংবাদ, মিৰ্জা, ১৮ জানুৱাৰীঃ** পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত তথা ৰাণী বনাঞ্চলিক কাৰ্যালয়ৰ চেচা খণ্ড বন কাৰ্যালয়ৰ অন্তৰ্গত জৰাশালত দুষ্কৃতিকাৰীয়ে কাটিলে মূল্যৱান শাল, চেগুন গছ। এনে মূল্যৱান শাল-চেগুনৰ গছ-গছনি কটাক লৈ অঞ্চলটোত এক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কিয়নো এই ৰাণী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত জৰাশালৰ আশে পাশে আছে নালাপাৰা, জয়পুৰ, চেচা আৰু শুকুৰবেৰীয়া এই চাৰিটাকৈ খণ্ড বন কাৰ্যালয়। চাৰিটাকৈ খণ্ড বন কাৰ্যালয়ৰ মাজতে থকা এই জৰাশালত কেনেকৈ দুষ্কৃতিকাৰীয়ে এই মূল্যৱান গছ-গছনি কাটিবলৈ সুযোগ আৰু সুবিধা পালে তাক লৈ অঞ্চলটোৰ ৰাইজে প্ৰশ্ন উত্থাপন কৰিছে। দুষ্কৃতিকাৰীৰ ইমানেই প্ৰতাপ যে এই শাল-চেগুনৰ গছ-গছনি কাটি চিন-মোকাম নোহোৱা কৰিবৰ বাবে গছ-গছনিৰ মূৰাটোত জুই লগাই দিয়ে। আনকি এইচেচা, নালাপাৰা, জয়পুৰ আৰু শুকুৰবেৰীয়া



অঞ্চলটোৰ ওপৰেৰে বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ অহা বিমান অৱতৰণৰ সময়তে চোৰাং কাঠৰ কাৰবাৰীয়ে এই গছ-গছনিসমূহ কাটি বগৰাই দিয়াৰ অভিযোগ উত্থাপন হৈছে। কিয়নো বিমান অৱতৰণৰ সময়ত এই গছ-গছনি কাটি বগৰাই দিলে গছ কটা শব্দ দূৰলৈ নাযায়। এই সুবিধা গ্ৰহণ কৰিয়েই তথা বনাঞ্চলিক কাৰ্যালয়ৰ একাংশ পুৰণি বনকৰ্মীক মেনেজ কৰি এই গছ-গছনিসমূহ কাটি অহাৰ অভিযোগ উত্থাপন হৈছে। নামত অঞ্চলটো বনকৰ্মীৰ ঘাটি হৈ পৰা স্বত্বেও দুষ্কৃতিকাৰীৰ কৱলৰ পৰা এই গছ-গছনিসমূহ ৰক্ষা কৰিব পৰা নাই। অঞ্চলটোৰ এই গছ-গছনি কাটি অসম-মেঘালয়ৰ বিভিন্ন প্ৰান্তৰ কাঠৰ মিললৈ সৰবৰাহ কৰে দুষ্কৃতিকাৰীয়ে। এনে ঘটনাত সচেতন ৰাইজে আক্ষেপ প্ৰকাশ কৰি কয় যে অঞ্চলটোত বৰ্তমান ৰক্ষকেই ভক্ষক হৈ পৰিছে। একাংশ চোৰাংকাঠৰ কাৰবাৰীৰ সৈতে বনকৰ্মীৰ থকা মধুৰ সম্পৰ্কৰ বাবে বনকৰ্মীয়ে কোনো ব্যৱস্থা গ্ৰহণ কৰিবলৈ সক্ষম নহয়। মুঠতে অঞ্চলটোত চলা এই বন ধ্বংসৰ বিষয়টো ৰাজ্যৰ বনবিভাগে কি হিচাপে গ্ৰহণ কৰে সেয়া সময়ত লক্ষণীয় হ'ব। এইক্ষেত্ৰত ৰাণী বনাঞ্চলিক কাৰ্যালয়ৰ বিষয়া ৰোজী বৰ্মনে এই অঞ্চলটোৰ দুষ্কাৰ্যবোৰৰ পিনে চকু দিবলৈ আহৰি পাবনে বুলি প্ৰশ্ন তোলে সচেতন মহলে।

# ৰাষ্ট্ৰীয় স্কুল গেমছত অসমৰ সফলতা



**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৮ জানুৱাৰীঃ** মহাৰাষ্ট্ৰৰ কলহাপুৰৰ এ বি পি এডুকেশ্বন চছাইটিত অনুষ্ঠিত ৬৮ সংখ্যক ৰাষ্ট্ৰীয় স্কুল গেমছৰ যোগ ক্ৰীড়াত অসমৰ খেলুৱৈয়ে এটাকৈ ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। যোৱা ১৫ জানুৱাৰী পৰা চলি থকা ১৭ বছৰ অনুৰ্ধ্ব আৰু ১৯ বছৰ অনুৰ্ধ্বৰ ল'ৰা আৰু ছোৱালী প্ৰতিযোগিতাখনত দৰঙৰ দৃশ্না জে. আৰ. চান্দাই ৰিডমিক ইভেন্টৰ ১৭ বছৰ অনুৰ্ধৰ ছোৱালীৰ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে। উল্লেখ্য যে, ১৭ বছৰ অনুৰ্ধ্বৰ ছোৱালী দলটোৰ প্ৰশিক্ষকৰূপে জয়া ৰাণী ডেকা আৰু মেনেজাৰৰূপে পল্লৱী ডেকা আছে বুলি অসম দলটোৰ হেড অফ ডেলিগেচন বিচিত্ৰ ৰঞ্জন বৰাই জনাইছে। দলটোৰ সফলতাত অসম দলটোৰ নিৰীক্ষক তথা নগাঁৱৰ জ্যেষ্ঠ শাৰীৰিক শিক্ষাৰ নিৰ্দেশক যোগ গুৰু প্ৰভাত চন্দ্ৰ বৰাই শুভেচ্ছা জনাইছে।



মুলতানত চলি থকা ৱেষ্ট ইণ্ডিজ আৰু পাকিস্তানৰ প্ৰথমখন টেষ্টৰ এটি মুহূৰ্ত



মুলতানত চলি থকা ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে প্ৰথমখন টেষ্টত আপাৰ হিটিঙৰ প্ৰয়াস পাকিস্তানৰ ছান মাছুদৰ

## ৰোহিতৰ নেতৃত্বত ক্ৰিজত নামিব শুভমন, ৰাহুল, সুন্দৰ

# চেম্পিয়নছ ট্ৰফীৰ বাবে ভাৰতৰ ১৫ জনীয়া দল ঘোষণা

**নতুন দিল্লী, ১৮ জানুৱাৰীঃ** ভাৰতীয় ক্ৰিকেট ব'ৰ্ডে চেম্পিয়নছ ট্ৰফীৰ বাবে ঘোষণা কৰিছে ১৫ জনীয়া দলটো। উল্লেখ্য যে, ব'ৰ্ডে পূৰ্বে নিশ্চিত কৰা অনুসৰি ক্ৰিকেট দলটোৰ নেতৃত্ব দিব ৰোহিত শৰ্মাই। শনিবাৰে মুম্বাইত অনুষ্ঠিত সংবাদমেলত ৰোহিত শৰ্মা আৰু মুখ্য নিৰ্বাচক অজিত আগৰকাৰে দলটোৰ কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। যশস্বী জয়ছৱালক প্ৰথম বাৰৰ বাবে ভাৰতৰ এদিনীয়া দলত অন্তৰ্ভুক্ত কৰা হৈছে। ইংলেণ্ডৰ বিৰুদ্ধে আগন্তুক এদিনীয়া শৃংখলাত তেওঁক দেখা যাব পাৰে। চেম্পিয়নছ ট্ৰফীত ৰোহিতৰ সৈতে অ'পেনিং কৰা দেখা যাব দলটোৰ উপ-অধিনায়ক শুভমন গিলক। যশস্বী তৃতীয় অ'পেনাৰ হ'ব। বিৰাট কোহলীয়ে তিনি নম্বৰত খেলিব। শ্ৰেয়াছ আয়াৰ আৰু লোকেশ ৰাহুলক দলত অন্তৰ্ভুক্ত কৰা হৈছে। ঋষভ পন্ত উইকেটকীপাৰ, আৰু দলটোৱে দ্বিতীয় উইকেটকীপাৰ হিচাপে কে এল ৰাহুলৰ ওপৰত নিৰ্ভৰ কৰিছে। অল ৰাউণ্ডাৰৰ তালিকাত আছে হাৰ্দিক পাণ্ডিয়া, ৰবীন্দ্ৰ জাদেজা, অক্ষৰ পেটেল আৰু ৱাশ্বিংটন সুন্দৰ। দলৰ তৃতীয় পেচাৰ হিচাপেও গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব হাৰ্দিক পাণ্ডিয়াই। জাডেজা, অক্ষৰ আৰু ৱাশ্বিংটন সুন্দৰে স্পিন বিভাগৰ অংশীদাৰ হ'ব। স্পিন এটেকত আছে কেৱল কুলদীপ যাদৱ। ইয়াৰ বিপৰীতে পেচ এটেক নিৰ্ভৰ কৰিছে যশপ্ৰীত বুমৰাহ, মহম্মদ ছামী আৰু আৰ্শদীপ সিঙৰ ওপৰত। উল্লেখ্য যে, ১৯ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'ব চেম্পিয়নছ ট্ৰফী। গ্ৰুপ পৰ্যায়ত বাংলাদেশৰ বিৰুদ্ধে এখন খেলৰ জৰিয়তে ভাৰতে যাত্ৰা আৰম্ভ কৰিব। ইয়াৰ পিছতে পাকিস্তান আৰু নিউজিলেণ্ডৰ বিৰুদ্ধে খেলিব। ভাৰতৰ সকলো খেল ডুবাইত অনুষ্ঠিত হ'ব। যদিহে ভাৰতে ছেমি ফাইনেল বা ফাইনেলত প্ৰৱেশ কৰে তেন্তে সেই মেচসমূহো ডুবাইত অনুষ্ঠিত হ'ব।

# নগাঁৱত ষ্ট্ৰংমেন অসমৰ ক্ৰীড়া প্ৰতিযোগিতা

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ১৮ জানুৱাৰীঃ** ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰত আজি আন এক নৱতম ক্ৰীড়াৰ সংযোজন ঘটিলে। নগাঁৱৰ ঐতিহ্যমণ্ডিত নেহৰুবালিত সদৌ নগাঁও ভোগালী বিহু উৎসৱ সমিতি আৰু ষ্ট্ৰংমেন অসমৰ যৌথ উদ্যোগত পোনপ্ৰথমবাৰৰ বাবে ষ্ট্ৰংমেন অসমৰ ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়াই নগাঁও চহৰৰ নেহৰুবালিৰ বাকৰিত মুকলি আকাশৰ তলত আজি সন্ধিয়া আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা এই প্ৰতিযোগিতাত পুৰুষ আৰু মহিলা উভয় শাখাৰে বিভিন্ন ওজন গ্ৰুপত চাৰিটা ইভেন্টৰ (ফ্ৰন্ট হল্ড, টায়াৰ ফ্লিপিং, ডেডলিফ্ট ৰিপিটেশ্যন আৰু ডাম্বেল ৰিপিটেশ্যন) খেল অনুষ্ঠিত হয়। ৰাজ্যৰ তিনিকুৰিৰো অধিক খেলুৱৈয়ে ভাগ লোৱা আকৰ্ষণীয় প্ৰতিযোগিতাখনত ক্ৰীড়াপ্ৰেমী দৰ্শকৰ উৎসাহজনক সহাৰি পোৱা পৰিলক্ষিত হয়। ইপিনে, এই প্ৰতিযোগিতা আৰম্ভ হোৱাৰ আগতে ষ্ট্ৰংমেন অসমৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সেই সভাতে অসমৰ বিভিন্ন জিলাৰ প্ৰতিনিধিৰ উপস্থিতিত আৰু ষ্ট্ৰংমেন ইণ্ডিয়াৰ সভাপতি সঞ্জিত পাল আৰু সাধাৰণ সম্পাদক আশীষ জৈনৰ পৰ্যবেক্ষণত ষ্ট্ৰংমেন অসমৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সমিতিখনত মুখ্য উপদেষ্টা হিচাপে আছে বিবেকানন্দ হাজৰিকা। আগন্তুক চাৰি বছৰীয়া কাৰ্যকালৰ বাবে নানু দাসক সভাপতি, অমৰজিত লাহনক কাৰ্যকৰী সভাপতি, অৰূপ কুমাৰ বৰাক সাধাৰণ সম্পাদক আৰু অসীম কুমাৰ ভাৰালক কোষাধ্যক্ষৰূপে লৈ মুঠ-৩১ জনীয়া সদস্যৰে ৰাজ্যিক কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি